# SAHITYAM

**(An online Journal)**

**Vol.- I, Issue – I, June, 2024**

## Editorial Board

Dr. Jagadish Patgiri

Dr. Bhabesh Das (Editor)

Dr. Malina Devi Rabha

Karuna Kanta Roy

Naba Kumar Misra

## Content

1. গান্ধীবাদী - মূল (ওড়িয়া) : পৰেশ কুমাৰ পাটনায়ক, অনুবাদ : নৱকুমাৰ মিশ্ৰ ... 2
2. আফটাৰ দ্য কুৱেক - মূল : হাৰুকি মুৰাকামি, অনুবাদঃ কৰুণাকান্ত ৰায় ... 11
3. শেষ নোহোৱা সাধুটো- ৰমেশ চন্দ্ৰ ৰায় ... 28
4. গোপন প্ৰেমৰ পৰিণতি- ড° ভৱেশ দাস ... 33

*Published by Naba Kumar Misra on behalf of SAHITYAM, Professors' Coliny, Azara, Guwahati-781017.*

*Editor: Dr. Bhabesh Das.* *Price: 50/-*

অনুবাদ গল্প

# গান্ধীবাদী

মূল (ওড়িয়া) :  পৰেশ কুমাৰ পাটনায়ক

অনুবাদ  : নৰকুমাৰ মিশ্র

মহাত্মা গান্ধীক স্বচক্ষুৰে দৰ্শন কৰাৰ সৌভাগ্য হোৱা তেৱেঁই সেই অঞ্চলৰ  একমাত্র ব্যক্তি। উনৈশ শ আঠত্রিশ খ্রীষ্টাব্দত যেতিয়া মহাত্মা গান্ধী ষষ্ঠবাৰৰ বাবে উৰিষ্যালৈ আহি বেৰবোইত অৱস্থান গ্রহণ কৰিছিল, সেই সময়ত তেওঁ দুই পইচাৰ টিকট কাটি বেৰবোইত অনুষ্ঠিত গান্ধী প্রদৰ্শনী দৰ্শন কৰিছিল৷ গান্ধীক হেপাহ পলুৱাই ওচৰৰ পৰা চাইছিল৷ সেইদিনাৰপৰা তেওঁ হৈ পৰিল গান্ধীবাদী৷ তেতিয়াৰপৰাই তেওঁ খদ্দৰ পিন্ধা, যঁতৰত সূতা কটা প্রভৃতি কাৰ্য আৰম্ভ কৰিলে৷ ৰাস্তাৰে খোজ কঢ়াৰ সময়ত তেওঁৰ পিছফালে থকা মানুহবোৰে যেতিয়া কোৱাকুই কৰিছিল যে এইজনেই সেই ভাগ্যবান কুলমণি বিশ্বাল, যিয়ে স্ব-চক্ষুৰে মহাত্মা গান্ধীক দেখিছিল; এই কথা শুনি তেওঁ বৰ গৰ্ব অনুভৱ কৰিছিল৷

ইতিমধ্যে দেশলৈ স্বাধীনতা আহিছিল আৰু স্বাধীন ভাৰতত তেওঁ গান্ধীবাদী পৰিচয়েৰে কালাতিপাত কৰিছিল৷ স্বাধীনতা বা গণতন্ত্র দিৱস উপলক্ষে গাঁৱৰ উচ্ছ প্ৰাথমিক বিদ্যালয়খনত মুখ্য অতিথিৰূপে দুআষাৰ ক'বলৈ নিমন্ত্রিত হোৱাৰ পৰত তেওঁ বৰ আৱেগপ্ৰৱণ হৈ পৰিছিল৷ তেওঁ স্বাধীনতা আন্দোলনৰ বিষয়ে কৈ কৈ কান্দি পেলাইছিল৷ প্ৰথম গান্ধী দৰ্শনৰ অনুভৱ বৰ্ণনা কৰি তেওঁ শিহৰিত হৈ পৰিছিল৷

কুলমণি বিশ্বালে বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলক গান্ধীৰ বিষয়ে যিবোৰ কথা শুনাইছিল, সেই তথ্যবোৰ তেওঁৰ সম্পূৰ্ণ নিজৰ সংগ্ৰহ আছিল৷ সেই তথ্যবোৰ সম্পৰ্কত কোনো ঐতিহাসিক দস্তাবেজ পাবলৈ নাই৷ তেওঁৰ ভাষণত বিশেষকৈ তিনিটা কথাই প্ৰাধান্য লাভ কৰিছিল, সেয়া হ'ল- প্ৰথম, গান্ধীৰ লাখুটিডাল সম্পৰ্কে, দ্বিতীয়, পঁইতা ভাত প্ৰসংগ আৰু তৃতীয়টো হ'ল গান্ধীজীৰ হৰিজন চিন্তা৷

গান্ধীজীয়ে লৈ ফুৰা লাখুটিডাল উৰিষ্যাৰ বুলি তেওঁ গৰ্বেৰে কৈছিল৷ গান্ধীজীক সেই লাখুটিডাল আচাৰ্য হৰিহৰে বেৰবোইত দিছিল৷ গান্ধীজীয়ে লাভ কৰা আটাইবোৰ উপহাৰ নিলাম কৰিছিল যদিও সেই লাখুটিডাল কিন্তু লগতে ৰাখিছিল৷ বেৰবোইত গান্ধীজীক ৰাখিবৰ বাবে যিটো কুটীৰ নিৰ্মাণ কৰা হৈছিল, তাৰ আশেপাশে সাপ থকা বুলি গান্ধীজীক কোৱাৰ লগতে লাখুটিডাল লগতে ৰাখিবলৈ তেওঁক পৰামৰ্শ দিয়া হৈছিল৷ গান্ধীয়ে কিন্তু কথাষাৰ হাঁহি হাঁহি উৰুৱাই দিছিল৷ তেওঁ কৈছিল- 'মই অহিংসাত বিশ্বাসী৷ মই কেতিয়াও সাপ মৰা নাই৷ সাপে কেতিয়াও আমাৰ আশ্ৰমত প্ৰৱেশো কৰা নাই৷ কিমানদিন মই বনে-জংঘলে দিন নিয়াইছোঁ, সাপে কিন্তু কেতিয়াও আমাৰ কাষ চপা নাই৷ কিন্তু মই এই লাখুটিডাল ৰাখিম৷'  উৰিষ্যাৰ এই লাখুটিডাল তেওঁ এবাৰ হেৰুৱাইছিলেই, খবৰ পাই আচাৰ্য হৰিহৰে আহি তেওঁক পুনৰ এডাল লাখুটি যোগান ধৰিলে৷ উৰিষ্যাৰ এই লাখুটিডাল চিৰদিন তেওঁৰ হাতত শোভা বৰ্ধন কৰি ৰ'ল৷

দ্বিতীয় চাঞ্চল্যকৰ তথ্যটি আছিল পঁইতা ভাত সম্পৰ্কীয়৷ সেৱাগ্ৰামত এবাৰ বহু পৰিমাণৰ ভাত ৰাহি হ'ল৷ খাদ্যখিনি নষ্ট হ'ব বুলি আশংকা কৰি গান্ধীজী ব্যথিত হ'ল৷ তেতিয়া তেওঁক কোৱা হ'ল- নাই, কেনেকৈ নষ্ট হ'ব? আমি ইয়াক পঁইতা বনামা৷ গান্ধীয়ে সুধিলে- এই পঁইতা কি বস্তু ? তেওঁ দেখিলে- ভাতত পানী ঢালি পঁইতা বনোৱা হ'ল আৰু পৰৱৰ্তী সময়ত তাৰ সদব্যৱহাৰ কৰা হ'  ল৷ গান্ধীজী সুখী হ'ল৷ তেওঁৰ উৰিয়াৰ এই

পদ্ধতিৰ প্ৰশংসা কৰিলে আৰু কস্তুৰবাক ক'লে- 'তুমি এই পদ্ধতি ভালদৰে শিকি লোৱা, যাতে ইয়াক আমি আশ্ৰমতো ব্যৱহাৰ কৰিব পাৰোঁ।'

গান্ধীজী সম্পৰ্কত গান্ধীবাদী কুলমণি বিশ্বালৰ তৃতীয়টো তথ্য আছিল এনেধৰণৰ- গান্ধীজীয়ে হৰিজন শব্দটো আৰু হৰিজন চিন্তা আহৰণ কৰিছিল উৰিষ্যাৰপৰা। পুৰীৰ জগন্নাথ মন্দিৰত তথাকথিত নিম্নজাতিৰ লোকৰ প্ৰৱেশ নিষিদ্ধ আছিল। প্ৰথমবাৰ পুৰী আগমনৰ সময়ত তেখেতে শ্ৰীমন্দিৰৰ সিংহদ্বাৰৰ সন্মুখত থিয় হৈ  এই কথা লক্ষ্য কৰিছিল আৰু মনত বৰ দুখ পাইছিল। উৰিষ্যাৰ গাঁৱে-ভূঞে ভ্ৰমি ফুৰা কালছোৱাতো তেওঁ সমাজৰ এই নিম্নশ্ৰেণীৰ লোকসকলৰ দুখ-দুৰ্দশা, অস্পৃশ্যতাজনিত ভেদভাৱ দেখি ভাগি পৰিছিল। ফলস্বৰূপে তেওঁ এই মানুহখিনিক সন্মানজনকভাৱে নিৰ্দেশ কৰিবলৈ হৰিজন শব্দটোৰ সৃষ্টি কৰিলে আৰু হৰিজন পদযাত্ৰা আৰম্ভ কৰিলে। তেওঁ পুৰীলৈ আহিলেই সিংহদ্বাৰ বন্ধ হৈ পৰিছিল। পুৰী নগৰখনত ক'লা পতাকা প্ৰদৰ্শন কৰা হৈছিল। তেওঁ কেতিয়াও জগন্নাথ দৰ্শন কৰিব পৰা নাছিল। তেওঁ কৈছিল- পুৰী মন্দিৰত যেতিয়া হৰিজন প্ৰৱেশ কৰিব, তেতিয়াহে মই জগন্নাথ দৰ্শন কৰিম। অৱশ্যে তেওঁৰ জীৱনকালত সেয়া সম্ভৱ হৈ নুঠিল। পুৰীৰ জগন্নাথ মন্দিৰত হৰিজনৰ প্ৰৱেশ স্বীকৃত হয় ১৯৪৮ খ্ৰীষ্টাব্দত, গান্ধীজীৰ মহাপ্ৰয়াণৰ পাছত। গান্ধীবাদী কুলমণি বিশ্বালে যেতিয়া ভাষণত এই কথাবোৰ কৈছিল, তেওঁ আশা কৰিছিল ল'ৰা-ছোৱালীবোৰে নি(য়ে হাততালি বজাব, কিন্তু সিহঁত তেতিয়া এই চিন্তাত মগ্ন হৈ আছিল- কেতিয়ানো সভা শেষ হ'ব, তাৰ পাছত আমি কি খাবলৈ পাম- বিস্কুট নে বুন্দিয়া-ভূজিয়া? বিদ্যালয়ৰ প্ৰধান শিক্ষক লম্বোদৰ নন্দই হাত তালি মাৰি কুলমণি বিশ্বালক উৎসাহিত কৰিবলৈ চেষ্টা কৰিছিল; যদিও তেওঁ জানে যে বিশ্বালে সেই একেখিনি কথাকেই প্ৰতিবছৰে কৈ আহিছে।

প্ৰধান শিক্ষক লম্বোদৰ নন্দৰো গান্ধীবাদৰ প্ৰতি কিছু পৰিমাণে দুৰ্বলতা আছিল। সেয়ে তেওঁ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক শাৰীৰিক পৰিশ্ৰম কৰোৱাৰ পক্ষপাতী আছিল। সেইবাবে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাৰ লগতে পাচলিৰ খেতিও কৰিবলগীয়া হৈছিল। কিন্তু ইয়াকে লৈ গাঁওবাসীয়ে বিৰোধিতা কৰি অভিযোগ কৰিছিল যে শিক্ষকে ল'ৰা-ছোৱালীবোৰক খটুৱাই ধন উপাৰ্জন কৰি নিজৰ পেট ভৰাইছে। বিদ্যালয়ত পাচলিৰ খেতি কৰাটো এক জীৱনমুখী গান্ধীবাদী চিন্তাধাৰা। সেয়ে এই কামত কুলমণি বিশ্বালৰ অকুণ্ঠ সমৰ্থন পাব বুলি প্ৰধান শিক্ষকে আশা কৰিছিল।

সেইবাৰ যেতিয়া স্বাধীনতা দিৱস পালনৰ সময় আহিল, প্ৰধান শিক্ষক লম্বোদৰ নন্দই গান্ধীবাদী কুলমণি বিশ্বালৰ ঘৰলৈ গ'ল তেওঁক নিমন্ত্ৰণ জনাবৰ বাবে। কিন্তু প্ৰতিবছৰে উৎসাহ দেখুৱাই অহা কুলমণি বিশ্বালে এইবাৰ আ(ৰ্যজনকভাৱে অনিচ্ছা  প্ৰকাশ কৰি ক'লে- মই ভাবিব লাগিব। এতিয়া আৰু ভাষণ দিয়াৰ ইচ্ছা নাই। আনকি ভৱিষ্যতলৈও।

আচৰিত হৈ পৰিল প্ৰধান শিক্ষক লম্বোদৰ নন্দ। তেওঁ ক'লে- আপুনি এয়া কি কথা কৈছে ?

নিজৰ ক্ষোভ ব্যক্ত কৰিলে কুলমণি বিশ্বালে। তেওঁ ক'লে- মই লক্ষ্য কৰিছোঁ, আজিকালিৰ ল'  ৰা-ছোৱালীবোৰে গান্ধীৰ কথা শুনিবলৈ আগ্ৰহী নহয়। সিহঁতে স্বাধীনতা উপভোগ কৰে কিন্তু এই স্বাধীনতা কেনেকৈ আহিল, কিমান সংগ্ৰামৰ পিছত এই দিন আহিল, সেইবোৰ জানিবলৈ সিহঁত মুঠেই আগ্ৰহী নহয়।

নিজৰ যুক্তি দাঙি ধৰিলে প্ৰধান শিক্ষকে- সিহঁত কেনেকৈ আগ্ৰহী হ'ব, আমি সেই ইতিহাস সিহঁতক জনাব লাগিব। বুজাব লাগিব যে যি স্বাধীনতা তোমালোকে উপভোগ কৰিছা, সেয়া নিজে নিজে অহা নাই। ইয়াৰ পাছত আছে হাজাৰ হাজাৰ লোকৰ বলিদান, স্বাৰ্থত্যাগ, আন্দোলন আৰু সংঘৰ্ষ। আমি নক'লে সিহঁতে বাৰু কেনেকৈ জানিব?

প্ৰধান শিক্ষকক বিস্মিত কৰি কুলমণি বিশ্বালে এইবাৰ তেওঁৰ কথাখিনি ঘূৰাই আনিলে নিজৰ ঘৰৰ ফালে৷ তেওঁ ক'লে, মই স্কুলৰ ল'ৰা-ছোৱালীবোৰতকৈ নিজৰ ঘৰৰ ল'ৰা-ছোৱালীকেইটাৰ কথাহে বেছিকৈ ভাৱিছোঁ৷

প্ৰধান শিক্ষকে সুধিলে- মানে?

ঃ মোৰ ল'ৰা-ছোৱালীকেইটাও মোৰ কথা নুশুনে৷ সকলো কথাতে মোৰ বিৰোধিতা কৰে৷ মইনো কি গান্ধীবাদী, যিয়ে নিজৰ ল' ৰা-ছোৱালীকেইটাকে ভালদৰে গঢ়িব নোৱাৰিলোঁ৷ আনৰ ল'ৰা-ছোৱালীবোৰক উপদেশ দিবলৈ মোৰ কি নৈতিক অধিকাৰ আছে?

: আপোনাৰ ল'ৰা-ছোৱালীয়ে কি আপোনাক নামানে?

শোকাকুল কণ্ঠেৰে কুলমণি বিশ্বালে ক'লে- সিহঁতৰ কাম-কাজ মোৰ পচন্দ নহয়৷ ডাঙৰটোৱে নিয়মিত মদ্যপান কৰে, বেশ্যালয়ত গৈ পৰি থাকে৷ সি তাৰ পত্নীক ঘৰৰপৰা খেদি পঠিয়াইছে৷ মাজুটোৱে ডকা-হকা দি মোৰ নামত বজাৰত চান্দা তোলে৷ ব্লক অফিচত গুণ্ডাগিৰি কৰি ঠিকা-ঠুকুলি আদায় কৰে৷ সৰুটোৱে ভেজাল বস্তুৰ ব্যৱসায় কৰে৷ নিজৰ ল'ৰা-ছোৱালীৰ এনে নৈতিক অধঃপতন মই বাৰু কেনেকৈ সহ্য কৰোঁ? মোৰ নিজকে ধিক্কাৰ দিবৰ মন গৈছে৷

কুলমণি বিশ্বালক প্ৰবোধ দিবলৈ প্ৰধান শিক্ষক লম্বোদৰ নন্দই গান্ধীজীৰ জীৱনৰ পৰা কিছু কথা শুনালে৷ তেওঁ ক'লে- ইয়াকে লৈ মনোস্তাপ নকৰিব বিশ্বাল ডাঙৰীয়া৷ গান্ধীজীৰ জীৱনলৈও এনে সমস্যা আহিছিল৷ তেওঁৰ চাৰি পুত্ৰৰ আটাইকেইজন তেওঁৰ অনুগামী নাছিল৷ ডাঙৰ পুত্ৰ হৰিলালতো সম্পূৰ্ণ বিপৰীত আছিল৷

গান্ধীজীৰ জ্যেষ্ঠ পুত্ৰ হৰিলাল সম্পৰ্কে তেওঁ যিখিনি কথা ক'লে সেইখিনি হয়তো কুলমণি বিশ্বালৰো অজানা আছিল৷

প্ৰধান শিক্ষকে ক' লে- হৰিলাল আছিল মহাত্মা গান্ধীৰ বৰপুত্ৰ৷ তেওঁ নিয়মিত মদ্যপান কৰিছিল৷ নিয়মিত বেশ্যাগমন কৰিছিল৷ দুবাৰকৈ ধৰ্ম পৰিৱৰ্তন কৰিছিল৷ তেওঁ নিজৰ বিবাহিতা পত্নীক ত্যাগ কৰিছিল৷ বিভিন্ন ঠগ-প্ৰৱঞ্চনাত জড়িত আছিল আৰু জেললৈ গৈছিল৷ তেওঁ সম্পূৰ্ণ উচ্ছৃঙ্খল জীৱন যাপন কৰিছিল আৰু মহাত্মা গান্ধীয়ে বহু চেষ্টা কৰিও হৰিলালক সংশোধন কৰিব পৰা নাছিল৷

দীৰ্ঘশ্বাস পেলাই কুলমণি বিশ্বালে ক'লে, মই অৱশ্যে এই সম্পৰ্কে কিছু কথা জানো৷ কিন্তু এই সম্পৰ্কে গান্ধীজীৰ জীৱনীত একো বিচাৰি পোৱা নাযায়৷

প্ৰধান শিক্ষকে ক'লে- জীৱনীত এইবোৰ কথা নথকাই ভাল৷ আমি গান্ধীজীৰ জীৱনৰ উজ্জ্বল দিশবোৰতহে আলোকপাত কৰিব লাগে৷ কিন্তু সমালোচকসকলে কয় যে তেওঁ জাতিৰ পিতা হ'ব পাৰিলে যদিও সফল পিতৃ হ'ব নোৱাৰিলে৷ যিয়ে যিমানে মহাপুৰুষ নহওক কিয়, তেওঁলোকৰো কিছু কিছু বিফলতা থাকে৷

এইবাৰ কুলমণিয়ে সুধিলে- কিন্তু গান্ধীজীয়ে জীৱনৰ ইমান ডাঙৰ সমস্যা বাৰু কেনেদৰে অতিক্ৰম কৰিছিল?

লম্বোদৰে অলপ হাঁহিলে আৰু উত্তৰ দিলে- সেইবাবেইতো তেওঁ মহাত্মা৷ আপুনি এজন প্ৰকৃত গান্ধীবাদী, আপুনিও পাৰিব৷ আপুনি হতাশ নহ'ব৷

কুলমণিৰ মুখত এচেৰেঙা হাঁহি বিৰিঙি উঠিল। ঠিক আছে, কাইলৈ বাৰু মই স্কুললৈ যাম। আমাৰ ল'ৰা-ছোৱালীবোৰক আমি গঢ়িব লাগিব। ভৱিষ্যতৰ বংশধৰবোৰক আমি দেশপ্ৰেমিক হিচাপে গঢ়িব লাগিব।

লম্বোদৰ উভতি আহিল। বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীয়ে কৃষি-কৰ্ম কৰাটো গান্ধীবাদী নীতি বুলি ভাষণত উল্লেখ কৰিবলৈ তেওঁ কুলমণিক পৰামৰ্শ দিব বুলি ভাবিছিল যদিও তেওঁ সেই পৰিৱেশ নাপালে। 'হ' ব বাৰু, কাইলৈও ক' ব পৰা যাব' , তেওঁ ভাবিলে।

উভতি অহাৰ বাটত প্ৰধান শিক্ষক লম্বোদৰ অপ্ৰত্যাশিতভাৱে মুখামুখি হ'ল বীৰবৰৰ স'তে। বীৰবৰ গান্ধীবাদী কুলমণিৰ জ্যেষ্ঠ পুত্ৰ। গান্ধীবাদীৰ দৃষ্টিত এটা নষ্ট চৰিত্ৰ। বীৰবৰে চিধাচিধিকৈ লম্বোদৰক সুধিলে- 'মাষ্টৰ, আপুনি যে প্ৰতিবছৰে দেউতাক ভাষণ দিবলৈ মাতি নিয়ে, তাৰ বিনিময়ত তেওঁক কিবা দিয়ে নে বিনা পইচাত কাম আদায় কৰে?'

এনেধৰণৰ এটা অপ্ৰত্যাশিত প্ৰশ্নত বিমোৰত পৰি যায় লম্বোদৰ নন্দ। তেওঁ কয়- 'কি আৰু দিম? সন্মান সহকাৰে তেওঁক মাতি নিওঁ, আদৰ-সন্মান কৰোঁ, ল'ৰা-ছোৱালীবোৰক তেওঁ স্বাধীনতা সংগ্ৰামৰ কথা কয়।

বীৰবৰে পুনৰ সোধে- 'স্কুলৰ পুঁজিত টকা-পইচা নাই নেকি? ল'ৰা-ছোৱালীবোৰেতো অন্ততঃ বুন্দিয়া-বিস্কুট পায়। ভাষণটো তেনেহ'লে বিনা পইচাতে হৈ যায়?'

লম্বোদৰে নিজৰ অসহায়তা প্ৰকাশ কৰে- 'নাই, ভাষণৰ বাবে অৱশ্যে কোনো অৰ্থৰ ব্যৱস্থা নাই।'

বীৰবৰে তেওঁৰ ৰায় শুনাই দিয়ে- তেনেহ'লে তেওঁ এইবাৰ নোযোৱাটোৱেই উচিত।

পাছদিনা পোন্ধৰ আগষ্ট। স্বাধীনতা দিৱস পালিত হ'ল বিদ্যালয়ত। ল'ৰা-ছোৱালীবোৰে প্ৰভাত ফেৰি কৰিলে। জাতীয় পতাকা উত্তোলিত হ'ল। জাতীয় সংগীত পৰিৱেশিত হ'ল। মাথো গান্ধীবাদী কুলমণি বিশ্বালে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ নকৰিলে। তেওঁ আহি নোপোৱা বাবে প্ৰধান শিক্ষকে ছাত্ৰ এজনক কুলমণি বিশ্বালৰ ঘৰলৈ পঠিওৱাত জনা গ'ল, তেওঁ অসুস্থ।

সেইদিনাই আবেলি প্ৰধান শিক্ষকে কুলমণি বিশ্বালৰ ঘৰলৈ গ'ল তেওঁৰ অসুস্থতাৰ খবৰ ল'বলৈ। সন্দেহ এটা হৈছিল, জানোচা বীৰবৰে তেওঁক আহিবলৈ নিদিলে। কিন্তু ঘৰ পোৱাৰ পাছত তেওঁ দেখিলে কুলমণি সঁচাকৈয়ে অসুস্থ। দেহত তেওঁৰ বেণ্ডেজ।

প্ৰধান শিক্ষকে সুধিলে- 'হঠাতে আপোনাৰ কি হ'ল? ক'ৰবাত পৰিল নেকি?'

নিম্ন কণ্ঠস্বৰেৰে কুলমণিয়ে ক'লে- 'সঁচা কথাটো কমনে?'

প্ৰধান শিক্ষকে ক'লে- কওক, গান্ধীবাদীয়ে কেতিয়াও মিছা কথা নকয়।

কুলমণিয়ে ক'লে- সঁচা কথাটো কিন্তু বৰ মৰ্মন্তুদ।

: মানে?

: মোৰ এই অৱস্থা কৰিছে বীৰবৰে। প্ৰথমে সি মোক স্কুললৈ যাবলৈ মানা কৰিলে। ক'লে, বিনা পাৰিশ্ৰমিকত তুমি কিয় ভাষণ দিবলৈ যাবা? তোমাৰ নামত মাষ্টৰসকলে পইচা মাৰি খাই আছে। এই কথা হ' ব নোৱাৰিব। মই তাৰ কথা নুশুনিলোঁ। স্বাধীনতা দিৱসৰ উৎসৱক কোনোবা গান্ধীবাদীয়ে জানো

আওকাণ কৰিব পাৰে? মই যেতিয়া যাবলৈ ওলালোঁ, সি মোক মাৰধৰ কৰিলে৷ মই তললৈ পৰি গ'লোঁ৷ তাৰ পাছত মোৰ এই অৱস্থা৷

: কথাটো মুঠেই ভাল নহ'ল৷

:: কিন্তু মই কি কৰিব পাৰোঁ? হাজাৰ হওক, সি মোৰ পুত্ৰ৷

: পুত্ৰ হ'লে কি হ'ল? ইয়াৰ প্ৰতিবাদ হোৱা দৰকাৰ৷

: মাষ্টৰ, আপুনিতো গান্ধীৰ বিষয়ে বহুত পঢ়া-শুনা কৰিছে৷ মই মাথো তেওঁৰ পদাংকহে অনুসৰণ কৰিছোঁ৷ আপুনিয়েই বাৰু কওকচোন, গান্ধীজীয়ে এই পৰিস্থিতিত কি কৰিলেহেঁতেন?

: মই যিমানদূৰ জানোঁ, গান্ধীৰ জীৱনত এনে ঘটনা ঘটা নাছিল৷ গান্ধীৰ বৰপুত্ৰ হৰিলাল উশৃংখল আছিল সঁচা, কিন্তু তেওঁ কেতিয়াও গান্ধীজীৰ গাত হাত তোলা নাছিল৷ হৰিলালে গান্ধীজীক বৰ ভয় কৰিছিল৷

: মোৰ পুত্ৰইও মোক বৰ ভয় কৰে৷

: হৰিলালৰ অন্তৰত কি আছিল তাক হয়তো কোনেও নাজানিছিল৷ কিন্তু গান্ধীজীৰ গাত হাত তোলাৰ কথা তেওঁ হয়তো কেতিয়াও ভবা নাছিল৷

: কিন্তু বীৰবৰে আপোনাৰ গাত হাত দিলে৷

: বোধহয় মোৰ পুত্ৰ হৰিলালতকৈও অধিক নীচ, অধিক উচ্ছৃংখল৷

: কিন্তু হৰিলালৰ জীৱনলৈ মৃত্যুও আহিছিল অতি শোচনীয়ভাৱে৷ ভোক আৰু ৰোগত জৰ্জৰিত হৈ হৰিলালে বোম্বাইৰ এখন হস্পিতালত শেষ নিশ্বাস ত্যাগ কৰিছিল৷ তেওঁৰ যক্ষ্মা হৈছিল৷ গান্ধী হত্যাকাণ্ডৰ পাছত তেখেতৰ সৎকাৰত চামিল হ'বলৈ হৰিলালে বহু চেষ্টা কৰিছিল যদিও তেওঁক কিন্তু কোনেও নিচিনিলে৷ সেই অন্তিম শোভাযাত্ৰাত সমৱেত হাজাৰ হাজাৰ মানুহৰ কোলাহলৰ মাজত - 'মই গান্ধীৰ বৰপুত্ৰ, মোক মুখাগ্নি কৰিবলৈ দিয়া' - হৰিলালৰ এই চিঞৰ তল পৰি ৰৈছিল৷ গান্ধীজীৰ মুখাগ্নি কৰিছিল তেওঁৰ কণিষ্ঠ পুত্ৰইহে৷

বিচলিত হৈ কুলমণি বিশ্বালে প্ৰশ্ন কৰিলে- হৰিলালৰ কথা বাৰু এতিয়া বাদ দিয়ক, মোৰ কথা কওক৷ মই এতিয়া কি কৰা উচিত?

চিন্তামগ্ন হ'ল প্ৰধান শিক্ষক লম্বোদৰ নন্দ৷ ই এক দুৰূহ প্ৰশ্ন, ইয়াৰ উত্তৰ দিয়াতো ইমান সহজ নহয়৷ পিতৃসকলে পুত্ৰৰপৰা চিৰদিন আশা কৰে সেৱা-যত্ন-সন্মান, কিন্তু যেতিয়া সেই পুত্ৰই পিতৃৰ গাত হাত তোলে, অসহায় হৈ পৰে পিতৃ৷ এই পৰিস্থিতি বা সমস্যাৰ সমাধান কোনো শাস্ত্ৰ-পুৰাণতে নাই৷

লম্বোদৰ নন্দই শেষত ক্'লে- আপুনি গান্ধীয়ে এৰি থৈ যোৱা পথেৰে আগবাঢ়ক৷ মহাত্মা গান্ধীয়ে পুত্ৰ হৰিলালক ত্যাজ্যপুত্ৰ কৰিছিল৷ আপুনিও তাকেই কৰক৷

লম্বোদৰ নন্দ উভতি আহিছিল৷

বাহিৰত পুনৰবাৰ তেওঁ মুখামুখি হৈ গ'ল বীৰবৰৰ স'তে৷ বীৰবৰে সঁচাকৈয়ে যেন তেওঁকেই অপেক্ষা কৰি আছিল৷ বীৰবৰে এইবাৰ লম্বোদৰৰ চকুলৈ হিংস্ৰ পশুৰ দৰে চাইছিল৷ যি ল'ৰাই নিজৰ পিতৃৰ গাত হাত তুলিব পাৰে, সি হিংস্ৰ পশু নহৈ বাৰু কি?

বীৰবৰে সুধিলে- কেনে দেখিলে? বুঢ়াৰ মস্তিষ্কৰ বিকৃতি আৰম্ভ হৈছে৷

একো নজনাৰ অভিনয় কৰি লম্বোদৰে ক'লে, তেওঁৰ কি হৈছে? বৰ অসুস্থ যেন দেখা গৈছে৷

বয়স হ' ল নহয়, মূৰে আৰু কাম নকৰে৷ আদৰ্শৰ নামত কিছুমান অবাস্তৱ কথা কৈ থাকে৷ য'তে ত'তে পৰে, কষ্ট পায়৷ তথাপি আদৰ্শ নেৰে৷

লম্বোদৰে ক্ষীণ প্ৰতিবাদ কৰি ক'লে- আদৰ্শ কি কিবা বেয়া কথা? সকলো মানুহৰ একো একোটা মূল্যবোধ থকা উচিত৷ আদৰ্শ থকা উচিত৷ যদি আদৰ্শ বা মূল্যবোধেই নাথাকিল, তেনেহলে মানুহৰ আৰু থাকিল কি?

উদণ্ডভাৱে পুনৰ বীৰবৰে ক'লে, বুজিছেনে মাষ্টৰ, মোৰ কথা আপুনি ঠিক ধৰিব নোৱাৰিলে৷ স্বাধীনতাৰ পিছত গান্ধীবাদৰ আৰু কি অৰ্থ আছে? গান্ধীয়ে কৈছিল- ইংৰাজী শিক্ষা ভাল নহয়, দেশী শিক্ষাৰে পঢ়া-শুনা কৰা৷ দেশী শিক্ষা ল'লে আপুনি কি মাষ্টৰ হ'ব পাৰিলেহেঁতেন? দেশে আগুৱাব পাৰিলেহেঁতেন? গান্ধীয়ে কৈছিল- আমাক উদ্যোগ-কাৰখানা নালাগে, কুটীৰ শিল্প কৰা৷ বিদেশী বস্তু এৰা, দেশীৰে কাম চলোৱা৷ তেনেকুৱা হোৱা হ'লে আমাৰ দেশ আজি ক'ত পৰি থাকিলহেঁতেন৷ বুঢ়াই সেই পুৰণি সাঁচতে চলে৷ কেৱল উপদেশ দিয়ে- কাটি পিন্ধা, কুটি খোৱা৷ কি অবাস্তৱ পৰিকল্পনা !

নাই, আৰু বীৰবৰৰ স'তে যুক্তি কৰি লাভ নাই৷ কিন্তু বীৰবৰে যিবোৰ কৈছিল, সেইবোৰো একেবাৰে অযুক্তিকৰ নাছিল৷ গান্ধীয়ে যি কৈছিল, সেয়া হয়তো প্ৰাক স্বাধীনতা কালৰ বাবে ঠিক আছিল৷ কিন্তু স্বৰাজোত্তৰ ভাৰতৰ বাবে সেইবোৰ অচল মুদ্ৰাৰ দৰে৷ প্ৰগতি আৰু বিকাশৰ বাবে বিদেশী ভাষা, বিদেশী জ্ঞান-কৌশল নিতান্তই প্ৰয়োজন৷

কথাৰ গতি সলনি কৰিবৰ বাবে লম্বোদৰে বীৰবৰক সুধিলে- এতিয়া আপুনি কি কৰি আছে?

বীৰবৰে নিজৰ কৰ্মসূচীৰ ব্যাখ্যা আৰম্ভ কৰিলে৷ তেওঁ ক'লে- মই এতিয়া স্বাধীনতা সংগ্ৰামী গান্ধীবাদীসকলৰ উত্তৰাধিকাৰীসকলক সংগঠিত কৰাৰ কাম আৰম্ভ কৰিছোঁ৷ আমাৰ দেশৰ আটাইতকৈ নিৰ্যাতিত কোন বুলি যদি প্ৰশ্ন কৰা হয়, সেয়া হ'ল আমাৰ দেশৰ গান্ধীবাদীৰ পুত্ৰ-কন্যাসকল৷ বাপেকসকল গ'ল স্বাধীনতাৰ ৰণলৈ৷ জেলত সোমাল৷ তেওঁলোকৰ পৰিয়ালৰ ওপৰত পুলিচৰ নিৰ্যাতন বাঢ়িল৷ ল' ৰা-ছোৱালীবোৰৰ অৱস্থা দলনিত পোনা মেলাৰ লেখীয়া হ'ল৷ তেওঁলোকে ভালদৰে পঢ়া-শুনা কৰিবলৈ, জীৱন গঢ়িবলৈ সুবিধাই নাপালে৷ প্ৰকৃত মাৰ্গদৰ্শনৰ পৰা তেওঁলোক বঞ্চিত হ'ল৷ সেয়ে এই অৱহেলিত, বঞ্চিত, প্ৰতাৰিত মানুহখিনিক মই সংগঠিত কৰিব খুজিছোঁ৷ আমি চৰকাৰৰপৰা আমাৰ জীৱন-যৌৱনৰ অপচয়ৰ ক্ষতিপূৰণ বিচাৰোঁ৷ আমাকো ভাট্টা লাগে৷ স্বাধীনতা সংগ্ৰামীসকলে যেনেদৰে ভাট্টা পায়, তেওঁলোকৰ উত্তৰ পুৰুষেও ভাট্টা পাব লাগিব৷ তেওঁলোকক সন্মানিত কৰিব লাগিব; কাৰণ, এই স্বাধীনতা সংগ্ৰামৰ বাবেই তেওঁলোকৰ শৈশৱ নষ্ট হৈছে৷

নিৰুপায় হৈ লম্বোদৰ নন্দই ক'লে- উত্তম প্ৰস্তাৱ৷ অতি অভিনৱ আৰু যুগোপযোগী প্ৰস্তাৱ৷ নিৰ্যাতিত, নিষ্পেষিত, অৱহেলিতৰ বাবে সংগ্ৰাম কৰাটোৱেইতো হ'ল প্ৰকৃত মানৱতা৷

বীৰবৰৰ মুখখন উজলি উঠিল৷

লম্বোদৰ উভতি আহিল৷

ইয়াৰ ভিতৰতে গান্ধীবাদী কুলমণি আৰু পুত্ৰ বীৰবৰৰ মাজত পুনৰ এবাৰ তৰ্কযুদ্ধ হৈছিল৷ বীৰবৰে সুধিছিল- দেউতা, মই শুনিলোঁ, তুমি হেনো স্বাধীনতা সংগ্ৰামীৰ ভাট্টা ঘূৰাই দিব বিচাৰি চৰকাৰলৈ চিঠি

লিখিছা?কুলমণি বিশ্বালে কৈছিল- তুমি ঠিকেই শুনিছা। এই ভাট্টা ঘূৰাই দিয়া উচিত বুলি মই বিবেচনা কৰিছোঁ।

: কিয়? কাৰণটো মই জানিব বিচাৰোঁ।

: আমি কি এই ভাট্টাৰ বাবে স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিছিলোঁ?

: ভাট্টাৰ বাবে সংগ্ৰাম কৰা নাছিলা ঠিক, কিন্তু এই ত্যাগৰ বাবে দেশে তোমাক ভাট্টা দি সন্মান যাচিছে৷ ইয়াত অসুবিধা ক'ত?

এই স্বাধীনতাতো সেই স্বাধীনতা নহয়, যিটো আমি বিচাৰিছিলোঁ৷ এতিয়া দেশ চোৰেৰে ভৰি পৰিছে, যুৱচাম মদ-ড্ৰাগছৰ জালত বন্দী৷ নেতাসকলে ক' লাধনৰ ওখ ওখ পাহাৰ গঢ়িছে, হিংসা আৰু ঘৃণাৰ বীজ ৰোপিত হৈছে৷ এয়াই কি স্বাধীনতা?

: ময়ো আচৰিত হৈছোঁ অহিংসাৰ বলেৰে কেনেকৈ স্বাধীনতা আহিব পাৰে? হিংসাৰ বলেৰে ৰামায়ণ লেখা হ' ল, হিংসাৰ বলেৰে মহাভাৰত লেখা হ'ল, কিন্তু ভাৰতৰ স্বাধীনতা আহিল অহিংসাৰ বলত৷ আশ্বৰ্যৰ কথা নহয়নে?

: বাবু, তুমি মহাত্মা গান্ধীক দেখা নাই৷ মই দেখিছোঁ৷ দেখা হ'লে হয়তো তুমিও বুজিব পাৰিলাহেঁতেন, কেনেদৰে মাত্ৰ এজন মানুহে সমগ্ৰ দেশখনক জাগ্ৰত কৰিছিল৷ অহিংসাক তেওঁ মন্ত্ৰ কৰি লৈছিল, সত্যবচন আছিল তেওঁৰ অস্ত্ৰ৷

পুত্ৰই এইবাৰ তাচ্ছিল্য কৰি ক'লে- বাঘ যদি দেখা নাই, মেকুৰীকে চোৱা৷ গান্ধীক নেদেখিলে কি হ'ল, গান্ধীবাদীকতো দেখিছোঁ৷ ক'ত, তোমালোকে দেখো অহিংসা বা সত্যবাদিতাৰ বলেৰে একো কৰিব পৰা নাই? কি গান্ধীবাদী হ'লা তোমালোক?

গান্ধীবাদী কুলমণিয়ে ক'লে- গান্ধীবাদী হ'লো বুলিয়েইতো তোমালোকক এনেদৰে সহ্য কৰি থাকিব পাৰিছোঁ৷ তোমালোকে জানো মোৰ আদৰ্শৰে মানুহ হ'ব পাৰিছা? তোমালোকক মোৰ সন্তান বুলি ক'বলৈও এতিয়া লাজ লাগে৷ এজন গান্ধীবাদীৰ সন্তান কেনেদৰে এনে মদপী-ভাঙুৰা গুণ্ডা-বদমাচ হ'ব পাৰে?

পুতেকে ক'লে- এৰা, আমি মদপী-ভাঙুৰা গুণ্ডা-বদমাচ৷ তোমাৰ শক্তি আছে যদি আমাক ভাল কৰা, আমাক আদৰ্শ মানুহ কৰা৷ কেৱল গান্ধীয়ে অমুক কৰিছিল, গান্ধীয়ে তমুক কৰিছিল বুলি ভাষণ দি থাকি লাভ নাই৷ আমি যদি ভুল পথেৰে গৈছোঁ, আমাক সংশোধন কৰা৷ পাৰিবা?

তোমালোকে যদি নিজে ভুল পথে বাট বুলা, মই কি কৰিব পাৰিম? তোমালোক আটাইয়ে এতিয়া প্ৰাপ্তবয়স্ক, ভাল-বেয়া বুজাৰ জ্ঞান তোমালোকৰ হৈছে৷

: সেই জ্ঞানৰ পৰাইতো মই কৈছোঁ, আমি যি কৰিছোঁ, ঠিক কৰিছোঁ৷ আমিও এই সমাজৰে ফচল৷ আমাক সংস্থাপন দিয়া মদবেপাৰী-ক'লাবজাৰীয়ে কয়, তোমাৰ দেউতাই আমাৰ বিৰোধিতা কৰিছে৷ তুমি কেনেকুৱা পিতৃ, পুত্ৰৰ উন্নতিৰ পথতো বিধি-পথালি দিয়া?

ব্যথিত স্বৰেৰে কুলমণি বিশ্বালে ক' লে- তাৰ মানে তোমালোকৰ মনত মই এজন অযোগ্য পিতৃ?

:অযোগ্য মানে পৰিপূৰ্ণভাৱে অযোগ্য৷ স্বাধীনতা আন্দোলনত মতলীয়া হৈ তুমি শৈশৱ-কৈশোৰত আমাৰ যত্ন লবলৈ পাহৰিলা৷ অভিভাৱকহীনভাৱে আমাৰ পঢ়া-শুনা চলিল৷ আমি একো একোটা অমানুহ হ' লোঁ৷ এতিয়া মদপী-ভাঙুৰা গুণ্ডা-বদমাচ হৈ যেতিয়া দুপইচা উপাৰ্জন কৰিছোঁ, তাতো গৈ তুমি বিৰোধিতা

কৰিছা। তোমাৰ গান্ধীবাদী হোৱাটো ঠিক, বাকী সকলো ভুল। ইমান দিনে তুমি কেৱল নিজৰ কথাই ভাবি আহিছা- তোমাৰ আদৰ্শ, তোমাৰ গান্ধীবাদী চেহেৰা, তোমাৰ সন্মান। তাৰ বাদেও যে আমি মানুহবোৰ আছোঁ, তুমি তাক নাজানা।

গান্ধীবাদী কুলমণি বিশ্বাল নীৰব হৈ পৰে। যেন আৰু কিবা ক'বলৈ তেওঁৰ মুখত শব্দ নাই। তেওঁ বাৰে বাৰে মনত পেলাইছিল গান্ধীক। কেনেদৰে গান্ধী নামৰ মানুহজনে অতিক্ৰম কৰিব পাৰিছিল এনে সংকটক, যি সংকটত তেওঁ কোনো উৱাদিহ নোপোৱা হৈছে।

তেওঁ শেষত ক'লে- মই মোৰ আদৰ্শৰ স'তে সন্ধি কৰিব নোৱাৰিম, মই তোমালোকৰ অসৎ কাৰ্যৰ নীৰৱ সাক্ষী হৈ থাকিবও নোৱাৰিম। মই তোমালোকক তাকেই কৰিম, যিটো গান্ধীয়ে কৰিছিল। মই তোমাক ত্যাজ্যপুত্ৰ কৰিম।

বীৰবৰে হাঁহিলে। আৰু ক'লে- তুমি মোক কি ত্যাজ্যপুত্ৰ কৰিবা, আমিতো তোমাক কেতিয়াবাই ত্যাজ্যপিতা কৰি পেলাইছোঁ।

সেইদিনা ৰাতি ৰহস্যজনকভাৱে গান্ধীবাদী কুলমণি বিশ্বালৰ মৃত্যু হ'ল। তেওঁ আত্মহত্যা কৰিছিল বুলি পাৰিপাৰ্শ্বিক অৱস্থাৰপৰা ইংগিত পোৱা গৈছিল। পুলিচ আহিল আৰু পুলিচেও ইয়াক আত্মহত্যা বুলিয়েই ঠাৱৰ কৰিলে। কিন্তু এই আত্মহত্যাৰ কোনো কাৰণ বিচাৰি পোৱা নগ'ল।

যথাৰীতি তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হ'ল, শোকসভা অনুষ্ঠিত হ'ল। গাঁৱত অনুষ্ঠিত শোকসভাত বিভিন্ন প্ৰান্তৰ স্বাধীনতা সংগ্ৰামীসকল সমৱেত হ'ল আৰু তেওঁলোকে সতীৰ্থৰ স্মৃতিচাৰণ কৰিলে। আটাইয়ে একেমুখে স্বীকাৰ কৰিলে যে কুলমণি বিশ্বাল আছিল এজন প্ৰকৃত গান্ধীবাদী। গান্ধীবাদৰ জ্বলন্ত উদাহৰণ। এজন প্ৰকৃত মানুহ।

ঘটনাৰ প্ৰায় দুসপ্তাহ পিছত বীৰবৰে লগ ধৰিছিল গাঁৱৰ উচ্চ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক লম্বোদৰ নন্দক। প্ৰস্তাৱ দিছিল বিদ্যালয়ৰ খেলপথাৰত গান্ধীবাদী কুলমণি বিশ্বালৰ এক প্ৰতিমূৰ্তি প্ৰতিষ্ঠা হওক। এই উপলক্ষে ৰাজ্যিক ভিত্তিত এখন স্মৃতিৰক্ষা সমিতি গঠন হৈছে আৰু দান-বৰঙণি সংগ্ৰহৰ কামো আৰম্ভ হৈছে। ইয়াৰ সমস্ত খৰচ এই সমিতিয়ে বহন কৰিব আৰু বিদ্যালয়খনকো কিছু অৰ্থসাহায্য দিয়া হ' বা প্ৰধান শিক্ষক লম্বোদৰ নন্দই কিন্তু এই প্ৰস্তাৱ বিনয়েৰে প্ৰত্যাখ্যান কৰিলে। তেওঁ ক'লে- আপোনাৰ প্ৰস্তাৱ স্বাগতযোগ্য। নিঃসন্দেহে কুলমণি বিশ্বাল আছিল এজন প্ৰকৃত গান্ধীবাদী। কিন্তু তেওঁ আত্মহত্যা কৰাৰ পিছত আমাৰ মনত সন্দেহ জাগিছে। কাৰণ মহাত্মা গান্ধীয়ে আত্মহত্যাৰ বিৰোধিতা কৰিছিল। বৰং তেওঁৰ হস্তক্ষেপত কেবাজনেও মৰণৰ পথ ত্যাগ কৰি জীৱনৰ পথ বাছি লৈছিল। কোনো গান্ধীবাদীয়ে আত্মহত্যা কৰিব নোৱাৰে। তেওঁৰ প্ৰতিমূৰ্তি বিদ্যালয় প্ৰাংগণত থাকিলে সমাজলৈ, শিক্ষাৰ্থীলৈ এটা ভুল শিক্ষা যাব পাৰে।

লম্বোদৰৰ এই প্ৰত্যাখ্যানত বীৰবৰ আহত বা অপমানিত হোৱা নাছিল। তেওঁ বৰং ক'লে- ইতিমধ্যে অৰ্থসংগ্ৰহ বহুদূৰ আগবাঢ়িলে। এতিয়া পিছ হুহকিলে বহু আৰ্থিক ক্ষতিৰ সম্ভাৱনা। তেনেকুৱা হ'ব নোৱাৰে। আমি আত্মহত্যাক হত্যাৰ ৰূপ দি দিম। মই সঁচা কথা কৈছোঁ। গান্ধীবাদীসকলে গুলী খাই মৰাই উচিত। আপুনি চিন্তা নকৰিব, আমি ইয়াক হত্যা বুলি প্ৰমাণ কৰিম।

লম্বোদৰে সুধিব খুজিছিল- তেওঁক হত্যা কৰিলে কোনে? কিন্তু তাৰ আগতে কোঠাটোৰ পৰা ওলাই গুচি গ'ল বীৰবৰ। সি এতিয়া প্ৰমাণ সংগ্ৰহত ব্যস্ত হৈ পৰিছে। শ

লেখকৰ পৰিচয় :  তিনি দশকৰো সৰহ কাল ধৰি উড়িয়া গল্প-সাহিত্যত নিজৰ পৰীক্ষা-নিৰীক্ষা অব্যাহত ৰখা পৰেশ কুমাৰ পাটনায়ক (১৯৬০) নিজৰ স্বকীয় ৰচনাশৈলীৰ বাবে পাঠক সমাজত স্বীকৃত আৰু চৰ্চিত হৈ আহিছে৷ গাঁৱৰপৰা চহৰ পৰ্যন্ত বিস্তৃত তেওঁৰ গল্পৰ পটভূমি৷ শৈশৱ-কৈশোৰৰ সৰল বিশ্বাসৰপৰা যৌৱন আৰু প্ৰৌঢ়ত্বৰ স্বপ্নভংগৰ বেদনা তেওঁৰ গল্পৰ পৰিমণ্ডল৷ তেওঁৰ যৌক্তিক বিচাৰ ধাৰাৰে পুনৰ মূল্যায়ন হয় পৌৰাণিক চৰিত্ৰ আৰু কিম্বদন্তীৰ৷ জীৱনৰ বৈচিত্ৰ্যৰ সন্মুখত বাৰম্বাৰ চমৎকৃত, উল্লসিত, পীড়িত, বিৰম্বিত অসহায় মানুহৰ আত্মলিপিয়েই তেওঁৰ গল্পৰ উপজীব্য৷

মুঠ ১৫ খন গল্প সংকলন,  ৩ খন উপন্যাস তেওঁৰ সাৰস্বত কীৰ্তি৷ পত্নী তাপসী আৰু পুত্ৰ প্ৰিয়মৰ স’ তে তেওঁ ভূৱনেশ্বৰত বাস কৰে৷ সাহিত্য সাধনাৰ স্বীকৃতি স্বৰূপে তেওঁ লাভ কৰিছে উৰিষ্যা সাহিত্য অকাডেমী বঁটা৷

এই সংকলনত প্ৰকাশিত “এটা জাপানী গল্প আৰু শ্ৰীৰাধা’ ’ গল্পটো লেখকৰ একে নামৰ ওড়িয়া গল্প এটাৰ অসমীয়া অনুবাদ৷ মূল গল্পটো লেখকৰ ২০১৭ চনত প্ৰকাশিত ‘হৃদয়হীন’ সংকলনত সন্নিৱিষ্ট হৈছিল৷

এই সংকলনত প্ৰকাশিত দ্বিতীয়টো গল্প “গান্ধীবাদী’ ’ তেখেতৰ একে নামৰ ওড়িয়া গল্প এটাৰ অসমীয়া অনুবাদ৷ মূল গল্পটো ওড়িয়া সাহিত্য আলোচনী ‘কথা’ ৰ ফেব্ৰুৱাৰী ২০২১ সংখ্যাত প্ৰকাশ পাইছিল৷

এই সংকলনত প্ৰকাশিত তৃতীয়টো গল্প “প্ৰেমৰ সুবাস’ ’ তেখেতৰ “বাস্না’ ’ নামৰ ওড়িয়া গল্প এটাৰ অসমীয়া অনুবাদ৷ মূল গল্পটো ওড়িয়া সাহিত্য আলোচনী ‘কথা’ ৰ জুন ২০২১ সংখ্যাত প্ৰকাশ পাইছিল৷

অনুবাদকৰ ঠিকনা ঃ শ্ৰীনৰকুমাৰ মিশ্ৰ, ধূপধৰা, ডাক- ধূপধৰা, পিন- ৭৮৩১২৩, জিলা- গোৱালপাৰা, অসম, ফোন-৯৪৩৫০১২১৪৬, ৭০০২০৮৯০৬৬

# আফটাৰ দ্য কুৱেক

মূল : হাৰুকি মুৰাকামি

অনুবাদঃ কৰুণাকান্ত ৰায়

কাটাগিৰিয়ে এপাৰ্টমেণ্টটোত প্ৰৱেশ কৰি দেখিলে যে এটা দানবীয় বেঙে তেওঁৰ বাবে অপেক্ষা কৰি আছে৷ মাৰপিট কৰিব পৰা তেওঁৰ কঠিন শৰীৰ৷ পিছফালৰ ঠেং দুখত ভৰ দি থিয় হ' লে তাৰ উচ্ছতা ছয় ফুটতকৈও অধিক হ'ব৷ পাঁচ ফুট তিনি ইঞ্চি ওখ চিকন কাটাগিৰিয়ে তেওঁৰ সন্মুখত এই শক্তিশালী বেংটোক দেখি অবাক হৈ পৰিল৷

''আপুনি মোক 'বেং' বুলি ক' ব পাৰে৷' ' - বেংটোৱে স্পষ্ট, শক্তিশালী মাতেৰে ক' লে৷ কিন্তু কাটাগিৰিৰ ভৰি দুখন কোঠাটোৰ দুৱাৰডলিতে নিথৰ হৈ পৰা যেন লাগিল৷ তেওঁ ক' বলগীয়া একো বিচাৰি নাপালে৷

–''ভয় নকৰিবা, মই তোমাৰ একো ক্ষতি কৰিবলৈ অহা নাই৷ অনুগ্ৰহ কৰি দুৱাৰখন জপাই কোঠাটোৰ ভিতৰলৈ সোমাই আহকা' ' সোঁহাতে ব্ৰিফকেছ, বাওঁহাতে বজাৰৰ মোনাত সেউজীয়া শাক-পাচলি আৰু টিনৰ কেনত দোল খাই থকা ছালমন মাছেৰে কটাগিৰীয়ে এফুট আগুৱাই যোৱাৰো সাহস গোটাব নোৱাৰিলে৷

''মিঃ কাটাগিৰি, খৰধৰকৈ দুৱাৰখন বন্ধ কৰি কোঠাটোত সোমাই জোতাযোৰ খুলি লওকা' ' হঠাৎ নিজৰ নামটো শুনি কটাগিৰীক স্তম্ভিত হৈ পৰিল৷ দুৱাৰখন বন্ধ কৰি দিলে– বেংটোৱে কোৱাৰ দৰে ওখ কাঠৰ পীৰাখনত বজাৰৰ মোনাটো থৈ বাহুৰ মাজত ব্ৰীফকেছটো হেঁচি ধৰি ৰাখি তেওঁ জোতাৰ ফিতা দুড়াল খুলিলে৷ বেঙটোৱে তেওঁক পাকঘৰৰ টেবুলত বহিবলৈ ইংগিত দিলে৷ সি গৈ তাতেই গৈ বহিল৷

''তোমাৰ অনুপস্থিতিত, তোমাৰ অনুমতি অবিহনে তোমাৰ কোঠাত প্ৰৱেশ কৰা বাবে প্ৰথমতেই ক্ষমা িুবচাৰিছোঁ মিঃ কাটাগিৰি৷' ' বেঙটোৱে ক' লে৷ ''মই জানিছিলোঁ মোৰ উপস্থিতিয়ে তোমাক আচৰিত কৰি তুলিব৷ কিন্তু মোৰ আৰু একো কাম নাছিল৷ মই ভাবিছিলোঁ তুমি সোনকালে ঘৰলৈ উভতিবা, সেয়ে আগতে পানী অলপ তপতাই থৈছোঁ৷ চাহ একাপকে খাই লওকা' '

কটাগিৰীয়ে এতিয়াও অফিচৰ ব্ৰিফকেছটো খামুচি ধৰি আছে৷ 'কোনোবাই মোক ধেমালি কৰিছে' , সি ভাবিলে৷ 'এই বিশাল বেঙটোৰ সাজ-পোছাকৰ ভিতৰত সোমাই কোনোবাই নি(য় মোক হাঁহিবলৈ বাধ্য কৰাইছে৷ কিন্তু চাহ বনাই থাকোঁতে বেংটোৱে তেওঁৰ সন্মুখত ইফাল-সিফাল কৰি থকাৰ সময়তে কাটাগিৰীয়ে উপলব্ধি কৰিলে যে তেওঁৰ সন্মুখৰ দৃশ্যবোৰ যেন আক্ষৰিক অৰ্থত এটা প্ৰাণীৰ পেশীৰ গতিবিধিৰ উৎপাদন৷ বেংটোৱে তাৰ সন্মুখত সেউজীয়া চাহ একাপ থৈ নিজৰ বাবে আন একাপ চাহ ঢালি ললে৷

চাহকাপটোত শোহা মাৰি বেঙটোৱে তাক সুধিলে, 'অলপ বিশ্ৰাম লব পাৰিছেনে?' উত্তৰত কটাগিৰীয়ে পিছে একো ক' ব নোৱাৰিলে৷

–''মই জানো মিষ্টাৰ কাটাগিৰি, মই আপোনাক লগ পাবলৈ এপইণ্টমেণ্ট এটা আগতীয়াকৈ লৈ থব লাগিছিল৷ সামাজিক নিয়ম-কানুন মই নজনা নহয়৷ নিজৰ ফ্লেটত সোমায়েই যিকোনো মানুহে ইমান ডাঙৰ বেং এটা বহি থকা দেখিলে থতমত খাবই৷ কিন্তু অতি জৰুৰী বিষয় এটাৰ বাবে ইমান জৰুৰীভাৱে মই আপোনাৰ ওচৰলৈ এইদৰে আহিব লগা হ' ল৷ মোক ক্ষমা কৰিব৷' '

–'জৰুৰী কথা?' অৱশেষত কাটাগিৰীয়ে নিজৰ প্ৰথম বাক্যাংশটো উচ্ছাৰণ কৰিবলৈ সক্ষম হ' ল৷

'হয় অৱশ্যে' , বেঙে ক' লে৷ নহ' লে মই কিয় অসময়ত, বিনা অনুমতিচ আনৰ ঘৰত অনাধিকাৰ প্ৰৱেশ কৰিম? এনে অনৈতিক আচৰণ মোৰ স্বভাৱত একেবাৰেই নাই৷'

- এই জৰুৰী বিষয়টোৰ লগত মোৰ কিবা সম্পৰ্ক আছেনে?

-আছে আৰু নাই৷- বেংটোৱে সামান্য মূৰ দুপিয়াই উত্তৰ দিলে৷ নাই আৰু আছে৷

'এই পৰিস্থিতিৰ সৈতে মই সোনকালে মোকাবিলা কৰিব লাগিব' - কটাগিৰীয়ে মনতে ভাবিলে৷ চিগাৰেট এটা জ্বলাবলৈ কাটাগিৰিৰ তীব্ৰ হেঁপাহ জাগিছে৷

কোনো সমস্যা নাই, কোনো সমস্যা নাই৷ বেংটোৱে হাঁহি এটা মাৰি ক' লে৷ এইখন তোমাৰ ঘৰ৷ ইয়াত মোৰ অনুমতিৰ কোনো প্ৰয়োজন নাই×। যিমান বিচাৰে চিগাৰেট হোপক বা ডিঙিত পানীয় ঢালি দিয়ক৷ যদিও মই ধূমপায়ী নহয়, তথাপিও আন কাৰোবাৰ ঘৰলৈ আহি তেওঁৰ ধঁপাতৰ আসক্তিক লৈ মোৰ অসন্তুষ্টি প্ৰকাশ কৰিব নোৱাৰোঁ৷

কটাগিৰীয়ে কোটৰ পকেটৰ পৰা চিগাৰেট এটা উলিয়াই দিয়াছলাইৰ কাঠি এডাল মাৰি তাক জ্বলাই দিলে৷ চিগাৰেটটো জ্বলাই থাকোঁতে সি লক্ষ্য কৰিলে যে তাৰ হাত দুখন লৰচৰ কৰি আছে৷ বিপৰীত ফালে বহি বেংটোৱে তাৰ প্ৰতিটো কাম-কাজ নিবিড়ভাৱে নিৰীক্ষণ কৰি আছে৷

'তুমি কোনো গেঙৰ লগত জড়িত নহয়তো?' কাটাগিৰীয়ে কথাষাৰ ক' বলৈ সাহস গোটাবলৈ সক্ষম হ' ল৷

হা হা হা হা হা, 'আপোনাৰ হাস্যৰস আচৰিত, মিঃ কাটিগিৰি৷' বেংটোৱে নিজৰ উৰুত হাত এখনেৰে চাপৰ এটা ক' লে- 'নিঃসন্দেহে আজিকালি সকলো ক্ষেত্ৰতে দক্ষ শ্ৰমিকৰ নাটনি হৈছে, কিন্তু কোনো ডকাইতৰ দলে বেং এটাক নিজৰ গেঙত ঠাই দিবþ? তেতিয়া সিহঁতক লৈ সকলোৱে হাঁহি-তামাচা নকৰিবনে?

'এতিয়া যদি আপুনি ইয়াত কোনো ঋণ পৰিশোধৰ কথা পাতিবলৈ আহিছে, তেন্তে মই কওঁ যে আপুনি আপোনাৰ সময় নষ্ট কৰি আছে৷ এইবোৰ বিষয়ত কোনো সিদ্ধান্ত লোৱাৰ ক্ষমতা মোৰ নাই৷ এই সকলোবোৰ বিষয়ে মোৰ ব' ছসকলেহে সিদ্ধান্ত লয়৷'

'মিঃ কাটাগিৰি,' বেংটোৱেþ নিজৰ তৰ্জনী আঙুলিটো জোকাৰি ক' লে৷ 'মই ইয়াত এই ক্ষুদ্ৰ ক্ষুদ্ৰ বিষয়বোৰ আলোচনা কৰিবলৈ অহা নাই৷' মই ভালদৰে জানো যে আপুনি টকিঅ' ছিকিউৰিটি ট্ৰাষ্ট বেংকৰ শ্বিনজকু শাখাৰ ঋণ বিভাগৰ সহকাৰী মূৰব্বী৷ কিন্তু আজি মই ইয়ালৈ অহাৰ লগত বেংকৰ ঋণ পৰিশোধৰ কোনো সম্পৰ্ক নাই৷ মই ইয়াত টকিঅ' চহৰখনক ধ্বংসৰ পৰা ৰক্ষা কৰিবলৈহে আহিছোঁ৷'

কাটিগিৰীয়ে মনোযোগেৰে কোঠাটোৰ চাৰিওফালে এবাৰ চকু ফুৰালে৷ তেওঁ নিশ্চিত হ' ল যে কোঠাটোৰ ক' তো চিচি কেমেৰা লুকুৱাই ৰখা নাই৷ কোনো সুপৰিকল্পিত আৰু ভয়ানক ষড়যন্ত্ৰৰ বলি হ' ব

নেকি সি? কিন্তু কোনো কেমেৰা কাটাগিৰিৰ চকুত ধৰাত পৰা নাই৷ এটা সৰু এপাৰ্টমেণ্ট৷ ইয়াৰ পৰা কোনেও লুকাই থাকিব নোৱাৰে৷

-'নাই' বেংটোৱে ক' লে, 'ইয়াত তৃতীয় আন কোনো এজন নাই, কেৱল আমি দুজনহে আছোঁ৷ মই জানো তুমি ভাবিছা যে মই হয়তো পাগল অথবা হয়তো তুমি সপোন দেখিছা৷ কিন্তু দুয়োটাৰ কোনোটোৱেই সঁচা নহয়৷'

সঁচা কথা ক' বলৈ গ' লে মিষ্টাৰ ফ্ৰগ...'

প্লিজ, বেংটোৱে আকৌ আঙুলি এটা ওপৰলৈ তুলি মাজতে ক' লে, 'মোক কেৱল বেং বুলি মাতিবা৷'

'সঁচা কথা ক' বলৈ গ' লে বেং,' কাটাগিৰিয়ে ক' লে, 'সঁচাকৈয়ে ইয়াত কি হৈছে মই একো বুজি পোৱা নাই৷ এনে নহয় যে মই তোমাক বিশ্বাস কৰিব নোৱাৰোঁ৷ সঁচা কথা ক' বলৈ গ' লে চকুৰ সন্মুখত ইয়াত যিবোৰ ঘটি আছে সেয়া মই সম্পূৰ্ণৰূপে হজম কৰিব পৰা নাই৷ মোৰ দুটামান প্ৰশ্নৰ উত্তৰ দিবানে?'

'অৱশ্যেই দিম' বেঙে ক' লে, 'পাৰস্পৰিক বুজাবুজিৰ যথেষ্ট গুৰুত্ব আছে৷ মানুহে 'বুজাবুজি সকলো ভুল বুজাবুজিৰ যোগফল' বুলি নকয়নে? আমি পাৰস্পৰিক বুজাবুজিত উপনীত হ' বলৈ আটাইতকৈ চুটি পথটো বাছি ল' ব লাগিব৷ আৰু সেইবাবেই আপোনাৰ মনত যিমানেই প্ৰশ্ন আছে, আপুনি মোক এটা এটাকৈ সুধি থাকিব পাৰে৷

'এতিয়া, তুমি সঁচাকৈয়ে এটা বেং নহয়নে?'

'হয় অৱশ্যে মোক চকুৰ সন্মুখতে দেখা পাব পাৰি৷ মই সম্পূৰ্ণ বেং, সেয়াই মোৰ পৰিচয়৷ মই কোনো সাহিত্যিক উপমা নহয়, কোনো ইংগিত নহয়, বিগঠন, নমুনা সংগ্ৰহ বা আন কোনো তাত্ত্বিক জটিলতাৰ বৰ্ণনাও নহয়৷ মই মাত্ৰ এটা বেং৷ মই তোমাক বেংৰ দৰে মাতিম নেকি?'

বেংটোৱে মূৰটো অলপ লৰচৰ কৰিলে আৰু প্ৰথমে ডিঙিৰ দীঘল পেশীবোৰ মোচোকা খুৱালে৷ তাৰ পাছত আৰম্ভ হ' ল তাৰ টোৰটোৰণি৷ তাৰ দানৱীয় কণ্ঠস্বৰে কোঠাটোৰ বেৰত ওলমি থকা ছবিবোৰক জোকাৰি গ' ল৷

'বাৰু, পাইছোঁ, পাইছোঁ' সন্তীয়া এপাৰ্টমেণ্টটোৰ কাঠৰ বেৰবোৰ ভাঙি যাব বুলি ভয় কৰি× কটাগিৰীয়ে প্ৰায় জপিয়াই উঠিল৷ অসাধাৰণ৷ তুমি নিঃসন্দেহে এটা বেং৷'

'কোনোবাই হয়তো ক' ব, মই পৃথিৱীৰ সকলো বেঙৰ যোগফল৷ অৱশ্যে ইয়াৰ দ্বাৰা মোৰ নিজস্ব বেং পৰিচয়টো নোহোৱা হৈ নাযায়৷ কিন্তু মই বেং নহয় বুলি যিসকলে দাবী কৰে– তেওঁলোক একোজন ভয়ংকৰ মিছলীয়া! প্ৰথম সুযোগতে তেওঁক সম্পূৰ্ণ ধ্বংস কৰি দিম৷'

নিজকে শান্ত কৰাৰ আশাত কাটাগিৰিয়ে চাহকাপটো তুলি ডাঙৰকৈ শোহা এটা মাৰিলে৷ তাৰ পিছত তেওঁ মাত লগালে- "আপুনি কৈছিল যে আপুনি ইয়ালৈ আহিছিল টকিঅ' চহৰখনক ধ্বংসৰ পৰা বচাবলৈ..."

'হয়, মই কৈছিলোঁ৷'

'কেনেকুৱা ধ্বংস?'

'ভূমিকম্প' - বেংটোৱে যিমান পাৰে ডাঙৰ মাতেৰে উত্তৰ দিলে।

কাটাগিৰীয়ে হাঁহি এটা মাৰি বেংটোৰ ফালে চালে। বেঙে উত্তৰত একো নোকোৱাকৈ কটাগিৰিলৈ চালে। এনেকৈ সিহঁতে একো নোকোৱাকৈয়ে অলপ সময় ইজনে সিজনৰ ফালে চাই থাকিল। তাৰ পিছত প্ৰথমে বেঙে মুখ মেলিলে।

'অতি ভয়ংকৰ ভূমিকম্প। ১৮ ফেব্ৰুৱাৰীত, পুৱা জ্জ্ব-৩০ বজাত টকিঅ' ত ভূমিকম্পৰ সৃষ্টি হ' ব। অৰ্থাৎ আজিৰপৰা তিনিদিন পিছত। যোৱা মাহত কোবেক জোকাৰি যোৱা ভূমিকম্পতকৈ বহুত বেছি প্ৰাৱল্যৰ আৰু শক্তিশালী। এনে ভূমিকম্পত মৃত্যুৰ সংখ্যা ডেৰ লাখতকৈ অধিক হ' ব। মূলতঃ যোগাযোগ ব্যৱস্থাত হোৱা দুৰ্ঘটনাৰ ফলত হতাহতৰ সংখ্যা বৃদ্ধি পাব– ৰে' লগাড়ী লাইনচ্যুত হোৱা, ঘোঁৰাগাড়ী ওলোটা হোৱা, ঘাইপথ, ৰে' লপথ, ছাবমেট্ৰ' ৰ ভাঙি পৰা–সকলো, টেংকাৰ ট্ৰাকৰ বিস্ফোৰণ।

অট্টালিকাবোৰ ইটা-শিলৰ বিশাল স্তূপ হৈ পৰিব। ভিতৰত থকা লোকসকলৰ কংক্ৰিটৰ তলত মৃত্যু হ' ব। ঠায়ে ঠায়ে অগ্নিকাণ্ড দেখা যাব, পৰিবহণ ব্যৱস্থা সম্পূৰ্ণৰূপে বিকল হ' ব। এম্বুলেন্স আৰু অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ীবোৰ অসাৰ হৈ থিয় দি থাকিব। গোটেই ৰাস্তাটোতে ইফালে-সিফালে সিঁচৰতি হৈ থাকিব ছিন্ন-ভিন্ন মৃতদেহ। ডেৰ লাখ মৃতদেহ! গোটেইখন নৰকসদৃশ হৈ পৰিব! মানুহে উপলব্ধি কৰিব যে তেওঁলোকৰ দীৰ্ঘম্যাদী পৰিকল্পনাৰদ্বাৰা তিল তিলকৈ নিৰ্মিত এই চহৰখন কেনে ভংগুৰ।' বেংটোৱে ভদ্ৰভাৱে মূৰ দুপিয়াই নিজৰ বাক্যটো শেষ কৰিলে। 'ভূমিকম্পৰ কেন্দ্ৰবিন্দু হ' ব শ্বিনজুকু ৱাৰ্ডৰ কাৰ্যালয়ৰ ওচৰত।'

'শ্বিনজুকু ৱাৰ্ড অফিচৰ ওচৰত?'

মুঠতে সেয়াই হ' ল। ই পোনে পোনে টকিঅ' ছিকিউৰিটি ট্ৰাষ্ট বেংকৰ শ্বিনজুকু শাখাৰ তলত আঘাত কৰিব।' ইয়াৰ পিছত কিছু সময় ধৰি কোঠাটোত নিস্তব্ধতাই বিৰাজ কৰিছিল।

'আৰু তুমি?' কটাগিৰীয়ে ক' লে, 'এই ভূমিকম্প ৰোধ কৰাৰ কিবা পৰিকল্পনা কৰিছানে?'

'ঠিকেই কৈছা,' বেঙে মাত দিলে, 'ঠিক সেইটোৱেই মোৰ পৰিকল্পনা। তুমি আৰু মই মাটিৰ তলত, টকিঅ' ছিকিউৰিটি ট্ৰাষ্ট বেংকৰ শ্বিনজুকু শাখাৰ তললৈ গৈ তাত থকা পোক-পৰুৱাবোৰৰ সৈতে আমাৰ জীৱন ৰক্ষাৰ বাবে যুঁজিম।'

কাটাগিৰীয়ে ট্ৰাষ্ট বেংকৰ ঋণ বিভাগৰ বিষয়া হিচাপে আজি য' ত আছে তাত উপনীত হ' বলৈ বহু যুঁজ দিছে। স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত তেওঁ এই বেংকত কৰ্মচাৰী হিচাপে যোগদান কৰে আৰু ষোল্ল বছৰ ধৰি তেওঁ নিজৰ দৈনন্দিন জীৱনৰ বাবে যুঁজিছিল। তেওঁৰ কৰ্তব্য আছিল সংগ্ৰহ বিষয়াৰ, ঋণ আদায় কৰা। এই পদত কাম কৰাৰ ফলত তেওঁ অতি কম সংখ্যক লোকৰহে প্ৰিয় হৈ পৰিছে।

তেওঁৰ বিভাগত কাম কৰা প্ৰতিজন ব্যক্তিৰ ঋণ দিয়াৰ প্ৰতি তীব্ৰ আগ্ৰহ আছিল– বিশেষকৈ বুদবুদৰ সময়ত। তেতিয়া বেংকত ইমানেই টকা আছিল যে ঋণ বিষয়াসকলে বিনিময় কৰিব পৰা যিকোনো বস্তু দেখুৱাই ঋণ দিছিল, সেয়া মাটিৰ ব্লক হওক বা শ্বেয়াৰ হওক। ঋণৰ পৰিমাণ যিমানেই ডাঙৰ হ' ব সিমানেই কোম্পানীটোৰ সুনাম বিয়পি পৰিব।

কিছুমান ঋণ এনেকুৱা আছিল যে বেংকে কোনোপধ্যেই সংগ্ৰহ কৰিব নোৱাৰিলে, ইংৰাজীত যিটোক কোৱা হয় - 'পাণৰ তলত আবদ্ধ হৈ পৰিল' । কাটাগিৰিৰ কাম আছিল সেই সকলোবোৰ ঋণ উদ্ধাৰ কৰা। অৰ্থনৈতিক বিকাশৰ সেই বুদবুদটো যেতিয়া ফাটি গ' ল, তেতিয়া কাটাগিৰিৰ কান্ধত কামৰ পাহাৰ গোট খাই পৰিল। প্ৰথমে শ্বেয়াৰ মাৰ্কেট কমি গ' ল, তাৰ পিছত মাটিৰ মূল্য কমি গ' ল, সকলো সামগ্ৰীয়ে গুৰুত্ব হেৰুৱালে।

'ফিল্ডলৈ ওলাই যাওক,' তেওঁৰ বছে ক' লে, 'পৰিস্থিতিৰ পৰা যিখিনি চেপি আদায় কৰিব পাৰি, সেয়াই ভাল৷' শ্বিনজুকুৰ কাবুকিচো অঞ্চলত হিংসাৰ দৃশ্যঃ পুৰণি কালৰ গেংষ্টাৰ, কোৰিয়ান গুণ্ডা, চীনা মাফিয়া, বন্দুক আৰু ড্ৰাগছ, এটা লেতেৰা মহলাৰ পৰা আন এটা মহলালৈ ধন বৈ যোৱা, বতাহত কপূৰ্ৰৰ দৰে মানুহ নোহোৱা হৈ যোৱা৷ কাবুকিচু অঞ্চলত ঋণ আদায়ৰ কামত কাটাগিৰীয়ে এবাৰতকৈ অধিক এনে গুণ্ডাবাহিনীৰ সন্মুখীন হ' বলগীয়া হৈছিল৷ বহুবাৰ হত্যাৰ ভাবুকি দিছিল যদিও কাটাগিৰীয়ে কেতিয়াও ভয় কৰা নাছিল৷ সি ভাবিলে, বেংকত কাম কৰা মানুহক হত্যা কৰি কি লাভ? ইচ্ছা কৰিলে ছুৰীৰে আঘাত কৰিব পাৰে৷ তাক হত্যা কৰি ঋণমুক্ত হ' ব নোৱাৰে৷ এই বেংকৰ ঋণ সংগ্ৰহ কৰিবলৈ তেওঁ আটাইতকৈ যোগ্য ব্যক্তি৷ তেওঁৰ পত্নী নাই, সন্তান নাই, পিতৃ-মাতৃ দুয়োৰে মৃত্যু হৈছে, আনকি ভায়েক-ভনীয়েকহঁতেও বিয়া-বাৰু কৰাই নিজৰ নিজৰ সংসাৰক লৈ ব্যস্ত হৈ পৰিছে৷

এতিয়া যদি তেওঁক কোনোবাই হত্যা কৰে তেন্তে কি হ' ব? কোনেও তেওঁৰ মৃত্যুক গুৰুত্ব নিদিয়ে, অন্ততঃ কাটাগিৰীয়ে নিদিয়ে৷ গতিকে কাটাগিৰিক হত্যাৰ ভাবুকি দিবলৈ অহা গুণ্ডাবোৰে যেতিয়া তেওঁক শান্ত-সমাহিত হৈ থকা দেখিছিল তেতিয়া তেওঁলোকে কাটাগিৰিৰ পৰিৱৰ্তে নিজেই ভয়ত ত্ৰস্তমান হৈছিল৷ অতি সোনকালেই তেওঁ গেংলেগুত 'টাফ ল' ৰা' বুলি পৰিচিত হৈ পৰিছিল৷

এই বেংটোৱে এইবোৰ কি কথা কৈছে? কেনেধৰণৰ পোক? 'কোন, মানে কি বস্তু এই পোকটো?' কিছু দ্বিধাগ্ৰস্ত মাতেৰে সি সুধিলে৷

'সি এটা বিশাল কেটাৰপিলাৰ৷' মাটিৰ তলত থাকে৷ তাৰ খং উঠিলেই ভূমিকম্পৰ জন্ম হয়,' বেঙে ক' লেঢ, 'আৰু এই মুহূৰ্তত তেওঁৰ খং উঠিব৷ ভয়ংকৰভাৱে খং৷'

'কি কথাত খং উঠিছে?' কটাগিৰীয়ে সুধিলে৷

'নাজানো' , বেঙে উত্তৰ দিলে৷ 'এতিয়া তাৰ মুখ বন্ধা৷ মূৰৰ ভিতৰত কি চলি আছে কোনেও নাজানো৷' কোনেও তেওঁক বেছিকৈ দেখা নাপায়৷ সাধাৰণতে তেওঁ শুই থাকে৷ সেইটোৱেই তেওঁৰ প্ৰিয় কাম– দীঘলীয়া টোপনি মৰা৷ বছৰ বছৰ ধৰি, দশক দশক ধৰি, মাটিৰ তলৰ আন্ধাৰ আৰু উষ্ণতাত শুই থাকে৷ চকু–দীঘলীয়া সময় ধৰি বন্ধ কৰাৰ পিছত প্ৰায় দেহটো অসাৰ হৈ পৰে৷ মগজুটো জেলীৰ দৰে কুটিল হৈ পৰে৷'

আচলতে মই নাভাবো যে কোনোবাই সঁচাকৈয়ে তেওঁক বিৰক্ত কৰে৷ তেওঁ মাত্ৰ মৃতৱৎ হৈ পৰি থাকে আৰু মাটিৰ তলত তেওঁৰ শৰীৰৰ মাজেৰে অহা সকলো কম্পন আৰু ঢৌ তেওঁৰ শৰীৰৰ ভিতৰত জমা কৰি ৰাখে৷ এই সঞ্চিত শক্তিবোৰ কোনো ৰাসায়নিক প্ৰক্ৰিয়াৰ জৰিয়তে অন্ধ ক্ৰোধলৈ পৰিণত হয়৷ কিয় এনেকুৱা হয়– সেই সম্পৰ্কে মোৰ কোনো ধাৰণা নাই৷ মই বুজাব নোৱাৰোঁ৷'

সময়খিনি কটাগিৰিৰ কথাবোৰ হজম কৰিয়েই পাৰ হৈ গ' ল৷ তাৰ পিছত পুনৰ আৰম্ভ হয়- 'অনুগ্ৰহ কৰি মোক ভুল নুবুজিব৷ সেই ল' ৰাকেইটাৰ প্ৰতি মোৰ কোনো ব্যক্তিগত ক্ষোভ নাই৷ যদি কেতিয়াবা সুযোগ পাওঁ তেন্তে তোমাক যে মই বন্ধু বুলি ভাবিম- সেয়াও নহয়৷ কিন্তু আচল সত্যটো হ' ল পৃথিৱীৰ নিয়মবোৰ বুজিলে জানিব পাৰিব যে সেই স্তৰতো কোনো জীৱৰ অস্তিত্ব থাকিব পাৰে৷

পৃথিৱীখন অভাৰছাইজ অভাৰকোটৰ দৰে, ইয়াৰ পকেট থাকিব লাগিব সকলো আকাৰৰ৷ কিন্তু সমস্যাটো হ' ল, এই মুহূৰ্তত পোকটোৱে অতি বিপদজনক অৱস্থাত উপনীত হৈছে৷ তেওঁ ইমানেই বিপজ্জনক হৈ আছে যে তেওঁক উপেক্ষা কৰাটো বা তেওঁক যিদৰে আছে তেনেকৈয়ে এৰি দিয়াটো আৰু সম্ভৱ নহয়৷ বহুদিনৰপৰা তেওঁৰ দেহত ইমানবোৰ ভিন্ন ধৰণৰ ক্ৰোধ জমা হৈ আছে আৰু সেই খং ইমানেই বিশাল আকাৰ ধাৰণ কৰিছে যে ই অতীতৰ সকলো খঙৰ অভিলেখ ভংগ কৰিছে৷ যোৱা মাহত কোবেত

হোৱা ভূমিকম্পই তেওঁক জগাই তুলিছিল, মৃত্যুৰ আঘাতৰ দৰে৷ তাৰ ভিতৰত গঢ় লৈ উঠা খঙৰ আগ্নেয়গিৰিটোৱে তেওঁক ইংগিত দিলে যে তেওঁ নিজেও এটা বৃহৎ ভূমিকম্পৰ সৃষ্টি কৰি সকলো ধ্বংস কৰাৰ সময় আহি পৰিছে৷ আৰু সেই ঘটনাৰ কেন্দ্ৰবিন্দু হ' ব টকিঅ' । মই নিশ্চিতভাৱে মিষ্টাৰৰ কথা কৈছোঁ৷ কাটাগিৰি, ভূমিকম্পৰ আগতীয়া সময় আৰু তাৰ প্ৰাৱল্যৰ বিষয়ে মোৰ কিছুমান বন্ধু পোক-পৰুৱাৰপৰা সঠিক তথ্য পাইছোঁ৷'

বেংটোৱে হপ কৰি মুখখন পুনৰ বন্ধ কৰি দিয়ে আৰু দীঘলীয়া কথা-বাৰ্তাৰ ফলত হোৱা ক্লান্তিৰ ইংগিত দিবলৈ ঘূৰণীয়া চকু দুটা কিছু সময়ৰ বাবে মুদি দিয়ে৷

'তেন্তে তুমি কৈছা' - কাটাগিৰীয়ে মুখ মেলিলে, 'তুমি আৰু মই মাটিৰ শ শ ফুট তললৈ গৈ কেটাৰপিলাৰ এটাৰ লগত যুঁজ কৰিম যাতে ই ভূমিকম্পৰ সৃষ্টি কৰিব নোৱাৰে?'

'ঠিকেই কৈছো'

কাটাগিৰীয়ে হাতখন আগবঢ়াই চাহকাপটো তুলি লৈ এশোহা মাৰি আকৌ থৈ দিলে৷

তেওঁ কয় যে এতিয়াও গোটেই কথাটো বুজি পোৱা নাই৷ 'এইটো কামৰ বাবে তুমি মোক বাছি লোৱাৰ কাৰণ কি?'

কাটাগিৰিৰ চকুলৈ চাই বাঙে ক' লে, 'মই তোমাক বহুদিন ধৰি বৰ শ্ৰদ্ধাৰে চাই আছোঁ মিষ্টাৰ কটাগিৰি৷ যোৱা ১৬ বছৰ ধৰি আপুনি আপোনাৰ বেংকৰ বাবে অপ্ৰয়োজনীয়ভাৱে বিপদজনক অথচ অদৰ্শনীয় কাম কৰি আহিছে৷ আন কোনোবাই হোৱাহেঁতেন এই কামটো এৰি দিলেহেঁতেন, কিন্তু আপুনি বহুত নিয়াৰীকৈ কৰিলে৷ মই জানো যে আপোনাৰ বাবে এনেকৈ কাম কৰাটো কিমান বিপদজনক আছিল৷ এই চাকৰিটোত আপুনি কিমান ত্যাগ কৰিছিল; মই এইটোও জানো যে আপোনাৰ বছসকলে বা আপোনাৰ সহকৰ্মীসকলে সেই ত্যাগৰ বিনিময়ত প্ৰাপ্য সন্মান আপোনাক কেতিয়াও দিয়া নাছিল৷ অন্ধ, প্ৰত্যেকেই৷ কিন্তু আপুনি প্ৰতিদান হিচাবে একো নাপালেও কেতিয়াও সন্মান আৰু পদোন্নতি বিচাৰি অভিযোগ কৰা নাছিল৷

কেৱল কামৰ ক্ষেত্ৰখনেই নহয়৷ মাক-দেউতাকৰ মৃত্যুৰ পিছত আপুনি প্ৰায় এককভাৱে সৰু ভাই-ভনীক ডাঙৰ-দীঘল কৰিছিল৷ পঢ়া-শুনা কৰিবলৈ বাধ্য কৰাইছিল, বিয়া কৰাই পৰিয়ালৰ ব্যৱস্থা কৰিছিল৷ আপোনাৰ সময়, কষ্টোপাৰ্জিত ধন, আনকি নিজৰ পৃথিৱীৰ ইচ্ছাকো ত্যাগ কৰি এই সকলোবোৰ কৰিলে৷ বৰঞ্চ আপোনাৰ ভাই-ভনীসকলে এবাৰো আপোনাক মুঠেও ধন্যবাদ জনোৱা নাছিল, আপোনাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰা নাছিল৷ মোৰ মতে তেওঁলোকে অত্যন্ত অবিবেচক আচৰণ কৰিছে৷ কেতিয়াবা তোমাৰ বাবে সিহঁতক এশিকনি দিবলৈ মোৰ মন গৈছিল৷ কিন্তু চাওক, খঙৰ লেখ-জোখো আপোনাৰ মাজত হেৰাই গৈছে৷

সঁচা কথা ক' বলৈ গ' লে মিঃ কাটাগিৰি, তোমাক শক্তিশালী মানুহ যেন নালাগে, গতিকে তোমাৰ ওচৰ-চুবুৰীয়া সকলোৱে তোমাক হেয়জ্ঞান কৰে৷ তোমাক প্ৰাপ্য সন্মান নিদিয়ে৷ কিন্তু তুমি মোৰ চকুৰ পৰা সাৰি যাব পৰা নাছিলা৷ তুমি কিমান দায়িত্বশীল আৰু সাহসী মই সঠিকভাৱে জানো৷ টকিঅ' চহৰৰ লাখ লাখ মানুহৰ ভিৰৰ মাজত মই আপোনাৰ বাহিৰে আন কাকো বিচাৰি নাপালোঁ যাৰ লগত মই এই যুঁজখন আৰম্ভ কৰিব পাৰিম৷'

'শ্ৰীযুত. বেং, আৰু এটা কথা...' কটাগিৰীয়ে ক' লে৷

'প্লিজ,' বেংটোৱে আকৌ এবাৰ আঙুলি এটা ওপৰলৈ তুলি ঘোষণা কৰিলে 'নাই মোৰ নামৰ আগত শ্ৰীযুত নলগাব৷ মই কেৱল বেংহে৷ মোক কেৱল বেং বুলিহে মাতিব৷'

'বাৰু, আৰু এটা কথা বেং,' কটাগিৰীয়ে ক' লে, 'মোৰ বিষয়ে ইমানখিনি কথা কেনেকৈ জানিলে?'

'চাওক মিষ্টাৰ কটাগিৰি, ইমান দিন মই অকাৰণতে বেং মাৰি যোৱা নাছিলো৷ জীৱনৰ গুৰুত্বপূৰ্ণ দিশবোৰৰ প্ৰতি মোৰ সদায় তীক্ষ্ণ দৃষ্টি আছিল৷'

'তথাপিও বেং,' কটাগিৰীয়ে ক' লে, 'মই ইমান শক্তিশালী নহয় আৰু মাটিৰ তলত কি চলি থাকে সেই সম্পৰ্কেও মোৰ কোনো ধাৰণা নাই৷ মাটিৰ তলৰ আন্ধাৰত সেই দানৱীয় কেটাৰপিলাৰবোৰৰ লগত যুঁজিব পৰাকৈ মোৰ পেশীবোৰ শক্তিশালী নহয়৷ মই নিশ্চিত যে এইটো কাম কৰিবৰ বাবে মোতকৈ শক্তিশালী কোনোবা এজনক বিচাৰি পাব– কাৰাটে জনা কোনোবা অথবা 'আত্মৰক্ষা বাহিনী' ৰ কমাণ্ডোৰ কোনোবা এজন৷'

'সঁচা কথা ক' বলৈ গ' লে মিঃ কাটাগিৰি,' তেওঁ ক' লে, 'যুদ্ধৰ সমগ্ৰ দায়িত্ব অকল মোৰ কান্ধত৷ কিন্তু এই কামটো মই অকলে কৰিব নোৱাৰোঁ৷'

তোমালোকে বুজি পোৱাটো অতি প্ৰয়োজনীয় যে মোক তোমাৰ সাহস, ন্যায়ৰ প্ৰতি তোমাৰ আবেগ লাগে৷ তোমাৰ কাম হ' ব মোৰ পিছফালে থিয় মাথো হৈ কৈ থাকিবা– 'আগবাঢ়ক বেং! অসাধাৰণ হোৱা! অৱশ্যে তুমি জয়ী হ' বা! তুমি ন্যায়ৰ বাবে যুঁজিছা!' বেঙে হাত দুখন [বা আগফালৰ ভৰি দুখন] বাওঁ আৰু সোঁফালে মেলি উৰু দুটাত আকৌ জোৰেৰে দুটা চৰ মাৰিলে৷

সঁচা কথা ক' বলৈ গ' লে মিঃ কাটাগিৰি, মাটিৰ তলত, আন্ধাৰত আৰু সেই দানৱীয় কেটাৰপিলাৰবোৰৰ লগত যুঁজিবলৈ মোৰো ভয় লাগিছে৷ বছৰ বছৰ ধৰি মই নিস্তব্ধ, স্থবিৰ অৱস্থাত আছোঁ৷ মই শিল্পৰ অনুশীলনত ব্যস্ত আছিলোঁ, প্ৰকৃতিৰ সংস্পৰ্শত আছিলোঁ৷ যুঁজ দিয়াটো মোৰ কাম নহয়৷ কিন্তু এই কামটোকে মই কৰিব লাগিব কাৰণ তাৰ বাহিৰে মোৰ আন কোনো উপায় নাই৷ আৰু এইবাৰ যে যুঁজখন ভয়ংকৰ হ' বলৈ গৈ আছে, তাত কোনো সন্দেহ নাই৷ হয়তো মই জীৱিত অৱস্থাত উভতি নাহিবও পাৰোঁ৷'

ঘূৰি আহিলেও অংগ ক্ষয় হোৱাৰ আশংকা থাকিব৷ কিন্তু মই নোৱাৰোঁ, মোৰ বাবেও সম্ভৱ নহয়– এই যুদ্ধৰপৰা পলায়ন কৰা৷ নিচ্চে কোৱাৰ দৰে– প্ৰজ্ঞাৰ সৰ্বোচ্ছ স্তৰটো হ' ল নিৰ্ভীকতা৷ তোমাৰ পৰা মই মাথোঁ বিচাৰো যে তুমি তোমাৰ হৃদয়ত থকা উগ্ৰ সাহস মোৰ লগত ভাগ কৰি লোৱা৷ তুমি মোক সঁচা বন্ধুৰ দৰে অন্তৰেৰে সমৰ্থন কৰিবা৷ মই কি ক' ব বিচাৰিছোঁ বুজিছানে?'

সঁচাকৈয়ে কাটাগিৰিৰ বাবে একোৰেই যেন বিশেষ যুক্তিযুক্ততা নাছিল৷ তথাপিও অবিশ্বাস্য অথচ সত্য আছিল যে সি লাহে লাহে বেংটোৰ কথাবোৰ মানি ল' বলৈ আৰম্ভ কৰিছিল৷ এই বেংটোৰ কিবা এটা গুণ আছে৷ তেওঁৰ ভাষণত এটা সাধাৰণ সততা আছে– যিটোৱে প্ৰত্যক্ষভাৱে তেওঁৰ হৃদয় স্পৰ্শ কৰিছে৷ দীৰ্ঘদিন ধৰি ছিকিউৰিটি ট্ৰাষ্ট বেংকৰ আটাইতকৈ কঠিন শাখাটোত কাম কৰাৰ বাবে এনে× সুক্ষ্ম কথাবোৰ ধৰিব পৰা ক্ষমতা তেওঁ আয়ত্ব কৰিব পাৰিছিল৷ ই কাটাগিৰিৰ চৰিত্ৰৰ এক বিশেষ বৈশিষ্ট্য৷

'মই জানো তোমালোকৰ সকলোৰে বাবে কথাবোৰ মুঠতে কঠিন হৈ পৰিছে মিষ্টাৰ কটাগিৰি৷ যেন ক' ৰবাৰ পৰা অহা এটা প্ৰকাণ্ড বেঙে তোমাৰ ঘৰৰ তলা ভাঙি প্ৰৱেশ কৰাৰ পিছত তাৰ কেতবোৰ উন্মাদ কাহিনী বিশ্বাস কৰিবলৈ তোমাক বাধ্য কৰাইছে৷ সেইদৰে ভাবিলে তোমাৰ প্ৰতিক্ৰিয়া যথেষ্ট স্বাভাৱিক বুলিয়েই ধৰি লব লাগিব৷ গতিকে, মই ভাবো এই মুহূৰ্তটোৱেই হৈছে মই তোমালোকক এটা প্ৰমাণ দিয়া উচিত যে মই আচলতে কোনো কল্পনা নহয়, মই বাস্তৱ৷'

‘ঠিক কথা কৈছা,’ কাটাগিৰীয়ে উত্তৰ দিলে।

‘তোমালোকৰ মাজত কিছুমান বেয়া মানুহ আছে, যিসকল বিভিন্ন গেংষ্টাৰৰ লগত জড়িত।’ তেওঁলোকে কোম্পানীটোক দেউলীয়া কৰি তাৰ সকলো নগদ ধন দখল কৰিব বিচাৰে। তোমাৰ বেংকৰ ঋণ বিষয়াই কোম্পানীটোৰ অতীতৰ ইতিহাস সঠিকভাৱে পৰীক্ষা নকৰাকৈয়ে এটা বিশাল ঋণ দিছে আৰু পৰৱৰ্তী বিষয়া হিচাপে ঋণবোৰ আদায় কৰাৰ বিশাল দায়িত্বটো তোমাৰ ওপৰত জাপি দিছে। কিন্তু তুমি এই কামটো কৰিবলৈ যিদৰে সংগ্ৰাম কৰি আছা তাৰ বিপৰীতে গোচৰটো ইমান আগবাঢ়ি যোৱা নাই। হয়তো এজন অতি শক্তিশালী ৰাজনৈতিক ব্যক্তিয়ে তেওঁলোকক আশ্ৰয় দিছে। তেওঁলোকে তোমাৰ বেংকৰ ওচৰত ৭০ কোটি য়েন ঋণী। মুঠতে এইটোৱেই হৈছে পৰিস্থিতি!

‘ঠিকেই কৈছো।’

বেংটোৱে এঙামুৰি দিয়াদি হাত দুখন মেলিলে আৰু আঙুলিৰ মাজৰ সংযোগী ছালবোৰ শেঁতা ডেউকাৰ দৰে মেলি দিলে। ‘‘চিন্তা নকৰিবা মিষ্টাৰ কটাগিৰি, সকলো মোৰ ওপৰত এৰি দিয়া। এই বুঢ়া বেংটোৱে কাইলৈ পুৱালৈকে তোমাৰ সমস্যাৰ সমাধান কৰিব। এতিয়া জিৰণি লোৱা আৰু ভালকৈ এঘুমটি মাৰি লোৱা।’ ’

বেংটোৱে মুখত হাঁহি এটা লৈ থিয় হ’ ল। তাৰ পাছত বন্ধ দুৱাৰ আৰু আলমাৰীৰ মাজৰ সৰু ফাঁকটোৰ মাজেৰে সি কাটাগিৰিৰ এৰি কোঠাটোৰপৰা ওলাই গ’ ল। টেবুলৰ ওপৰত থকা কাপ দুটাহে মাত্ৰ কাটাগিৰিৰ এপাৰ্টমেণ্টলৈ বেংটো অহাৰ একমাত্ৰ সাক্ষী হৈ থাকিল।

পিছদিনা ৰাতিপুৱা জ্ঝ বজাত মোৰ অফিচৰ ডেস্কত বহাৰ লগে লগে সন্মুখৰ টেলিফোনটো বাজি উঠিল।

‘শ্ৰীযুত কাটাগিৰি,’ ফোনটোৰ সিটো মূৰত এক পুৰুষ কণ্ঠস্বৰ শুনা গ’ ল। শুকান, বৃত্তিসুলভ মাত। মোৰ নাম শিৰাওকা। মই বিগ বিয়াৰ কেছৰ এজন অধিবক্তা। আজি পুৱা মোৰ ক্লায়েণ্টৰপৰা আপোনাৰ ওচৰত থকা এটা ঋণৰ সন্দৰ্ভত মোলৈ ফোন এটা আহিল। তেওঁ আপোনাক জনাইছে যে যিকোনো প্ৰকাৰে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত তেওঁ আপোনাৰ সমগ্ৰ ঋণ পৰিশোধ কৰিব। লগতে লিখিত আৱেদনপত্ৰও অতি সোনকালে আপোনাৰ কাৰ্যালয়লৈ তেওঁ প্ৰেৰণ কৰিব। তেওঁৰ একমাত্ৰ অনুৰোধ যে আপুনি আৰু বেং তেওঁৰ ঘৰলৈ পঠিয়াব নালাগে। মই পুনৰবাৰ কওঁ যে তেওঁৰ একমাত্ৰ অনুৰোধ যে আপুনি আৰু বেং তেওঁৰ ঘৰলৈ পঠিয়াব নালাগে। আচলতে মই নিজেই নিশ্চিত নহয় যে তেওঁ তেনেকৈ কি বুজাব বিচাৰিছিল, কিন্তু মই ভাবো– তেওঁৰ কথাৰ অৰ্থ আপুনি হয়তো পাব। মোৰ অনুমান শুদ্ধ নে?’

‘অৱশ্যেই,’ কটাগিৰীয়ে উত্তৰ দিলে।

‘এতিয়ালৈকে যিটো বেঙৰ বিষয়ে আলোচনা কৰা হৈছে, আশাকৰোঁ এই বাৰ্তাটো অনুগ্ৰহ কৰি আপুনি সেই বেঙটোলৈ প্ৰেৰণ কৰিব।’

‘আপুনি নিশ্চিন্ত হৈ থাকিব পাৰে। আপোনাৰ ক্লায়েণ্টে সেই বেংটোক জীৱনত আৰু কেতিয়াও দেখা নাপাব।’

‘আপোনাক অশেষ ধন্যবাদ. কাইলৈৰ ভিতৰত আৱেদনপত্ৰখন নিশ্চিতভাৱে পাব।’

‘শুনি ভাল লাগিল,’ কটাগিৰীয়ে ক’ লে। ফোনটো কাটি দিলে।

দুপৰীয়াৰ আহাৰ গ্ৰহণৰ সময়ত কাটাগিৰীক লগ কৰিবলৈ ট্ৰাষ্ট বেংকৰ কাৰ্যালয়লৈ আহিছিল বেং।

‘আশাকৰোঁ দা বিগ বিয়াৰ কেছ্‌ৰ সমস্যা নিষ্পত্তি হ’ ব।’

উত্তৰ দিয়াৰ সলনি কটাগিৰীয়ে অস্বস্তিৰে ইফালে সিফালে চালে।

‘ভয় নকৰিবা’ , বেঙে ক’ লে। ‘মোৰ বাহিৰে এতিয়া তোমাক কোনেও দেখা নাপাব।’ যি নহওক, আশাকৰোঁ এতিয়া মোৰ অস্তিত্বক বিশ্বাস কৰিবা। মই যিকোনো কাম আৰম্ভ কৰিব পাৰোঁ আৰু শেষ কৰিব পাৰোঁ। মই এটা বাস্তৱিক, জীৱন্ত সত্ত্বা।

‘শ্ৰীযুত বেং, মোক বুজাই দিবা যে...’

‘প্লিজ,’ বেঙে তৰ্জনী আঙুলিটো জোকাৰি আকৌ ক’ লে, ‘বেং। মাত্ৰ বেংটোৱেই মোৰ নাম। মোৰ নামৰ আগত কোনো মিষ্টাৰ ফিষ্টাৰ নলগাব।’

‘চ’ ৰি’ , ‘কাটাগিৰীয়ে সুধিলে, ‘তুমি সিহঁতক কি কৰিলা?’

‘অ’ ইমান নহয়,’ বেঙে ক’ লে, ‘ব্ৰাছেলছ স্প্ৰাউট’ উতলাতকৈও সহজ আছিল। মই মাত্ৰ সিহঁতক অলপ ভয় দেখুৱাইছিলোঁ। অলপ মানসিক ট্ৰিটমেণ্ট। সেইটো জোচেফ কনৰাডে লিখাৰ দৰে প্ৰকৃত ভয় নহয়, যিয়ে মানুহৰ কল্পনাৰ জগতখনত আঘাত কৰে আৰু নিগাজীকৈ থিতাপি লয়। যিয়েই নহওক, এইবোৰ আলোচনা এতিয়া এৰক। আপুনি আপোনাৰ পৰিস্থিতিৰ বিষয়ে মোক কোৱাটোৱেই ভাল। আশাকৰোঁ, আপোনাৰ বিগ বিয়াৰৰ গোচৰটো সমাধান হ’ ল।’

কাটাগিৰীয়ে চিগাৰেট এটা জ্বলাই দিলে মাত দিলে, ‘এতিয়ালৈকে তেনেকুৱা যেনেই× লাগি আছে।’

‘তেন্তে যোৱা নিশা মই পোহৰলৈ অনা বিষয়টোৰ ওপৰত আপোনাৰ কিছু বিশ্বাস উপজিছে যেন লাগে।’

‘মাটিৰ তলত সেই কেটাৰপিলাৰটোৰে মোৰ লগত যুঁজিব নেকি?’

এটা হুমুনিয়াহ কাঢ়ি কাটাগিৰিয়ে চশমাযোৰ খুলি হাতেৰে চাফা কৰিবলৈ ধৰিলে। ‘সঁচা কথা ক’ বলৈ গ’ লে চাকৰিটোৰ প্ৰতি মোৰ কোনো প্ৰকাৰৰ আগ্ৰহ নাই। কিন্তু মোৰ আগ্ৰহ নাই বাবেই যে তাৰ পৰা মুক্তি পাম বুলিও মই× নাভাবো।’

‘ময়ো তেনেকৈ নাভাবোঁ’ , বেঙে ক’ লে। ‘কিয়নো ইয়াৰ সৈতে আপোনাৰ দায়িত্ববোধ আৰু সন্মানৰ কথা জড়িত হৈ আছে।’ আপুনি কামটোক লৈ ‘উৎসাহী’ নহ’ বও পাৰে, কিন্তু আমাৰ হাতত তাৰ বাহিৰে আন উপায় নাই– সেই কেটাৰপিলাৰবোৰৰ লগত যুঁজিবলৈ মই আপোনাক মাটিৰ তললৈ লৈ যাব লাগিব। আমি প্ৰাণ হেৰুৱালে আমাৰ প্ৰতি কোনেও সহানুভূতিশীল নহব। আনহাতে, পোকটোক পৰাস্ত কৰিবলৈ সক্ষম হ’ লেও আমি কাৰো পৰা কোনো প্ৰশংসা নাপাওঁ। কোনোৱে কেতিয়াও গম নাপাব যে মাটিৰ তলত এখন ভয়ানক যুদ্ধ হৈছিল। এই যুঁজখনৰ বিষয়ে কেৱল তুমি আৰু মইহে গম পাম। গতিকে, বৰ অকলশৰীয়া যুদ্ধ।”

কাটাগিৰিয়ে ক্ষন্তেক সময় তাৰ হাতখনলৈ চাই থাকিল, তাৰ পিছত তাৰ চিগাৰেটৰ ধোঁৱাৰ কুণ্ডলীৰ ফালে চাই চাই শেষত তেওঁ ক’ লে- ‘চোৱা মিষ্টাৰ বেং, মই এজন অতি সাধাৰণ মানুহ।’

‘খালি বেং, মিষ্টাৰৰ বাহিৰে’ , বেংটোৱে ক’ লে, কিন্তু কাটাগিৰীয়ে তেওঁৰ কথাত কোনো গুৰুত্ব নিদিলে।

'মই এজন সাধাৰণ মানুহতকৈও বেছি শক্তিশালী। মোৰ মূৰটো লোৰ দৰে টান হৈ গৈছে, মোৰ বেৰেলৰ দৰে বেৰেল আছে। মোৰ বয়স চল্লিশ, 'ফ্লেট ভৰি' – ভৰিৰ সমস্যা। এই দিনটোতে ডাক্তৰে কৈছিল যে মোৰ ডায়েবেটিছৰ লক্ষণ আছে। শেহতীয়া ̧ পত্নীগৰাকীৰ লগত শুই থকা তিনিমাহ হ' ল, দুখৰ বিষয় যে তাই মোক তাৰ বাবে ধন দিব লগা হ' ল।'

পৰিশোধ নকৰা ঋণ আদায়ৰ বাবে মোৰ এই বিভাগত কিছু যোগাযোগ আছে, কিন্তু সেইবুলি কাৰ্যালয়টোৰ কোনেও মোক সন্মান নকৰে। পৃথিৱীত, মোৰ অফিচত বা ব্যক্তিগত জীৱনত þ— মোক ভাল পোৱা এজনো মানুহ নাই। মানুহৰ লগত ভালকৈ কথা পাতিব নোৱাৰোঁ, অচিনাকি মানুহৰ লগত আৰু বেছি নাৰ্ভাছ ফিল কৰোঁ, গতিকে কেতিয়াও নতুন বন্ধু নাপাওঁ। মোৰ কোনো এথলেটিক দক্ষতা নাই, সংগীতৰ সংকেত বুজি নাপাওঁ, উচ্ছতাত চুটি, ফিমোটিক, সমস্যাৰ বাবে অদূৰদৰ্শী। মোৰ জীৱনটো ভয়ংকৰ। মাত্ৰ খাদ্য খোৱা, শুই থকা আৰু হাঁহি থকা জীৱন এইটো। মই কিয় জীয়াই আছো তাকো নাজানো। মোৰ দৰে মানুহে টকিঅ' চহৰখনক বচাবলৈ দায়িত্ব কিয় ল' ব?'

'কাৰণ, মিষ্টাৰ কাটাগিৰি, আপোনাৰ দৰে মানুহেহে টকিঅ' চহৰখনক বচাব পাৰিব আৰু আপোনাৰ দৰে মানুহৰ বাবেই মই টকিঅ' ক বচাবলৈ পৰিকল্পনা কৰিছোঁ।'

কটাগিৰিয়ে এটা দীঘলকৈ হুমুনিয়াহ এৰি দিলে। 'ঠিক আছে, মই কি কৰিম?'

বেংটোৱে নিজৰ পৰিকল্পনা কাটাগিৰিৰ লগত শ্বেয়াৰ কৰিলে। ১৭ ফেব্ৰুৱাৰীৰ নিশা [ভূমিকম্পৰ এদিন আগতে] দুয়োজনেই মাটিৰ তললৈ যাব। মাটিৰ তলৰ প্ৰৱেশ পথটো হ' ব টকিঅ' ছিকিউৰিটি বেংকৰ শ্বিনজুকু শাখাৰ বেছমেণ্টৰ বয়লাৰ ৰুম। সেই ঠাইতে ৰাতি দেৰিকৈ লগ হ' ব [অভাৰটাইম কাম কৰাৰ ভাও লৈ কাটাগিৰিয়ে ৰাতিটো বেংকতে থাকিব]।

তাৰ পৰা আপুনি মাটিৰ তলৰ এটা পথ, আৰু এটা ঠেক জখলা পাব। জখলাৰে নামিবলৈ হ' লে এটা পৰ্যায়ত জখলা ডাল শেষ হ' লে প্ৰায় ১৫০ ফুট দীঘল ৰছী জখলাৰে নামিব লাগে। তাৰ পিছত গৈ পোকটো পাব।

'যুঁজৰ কোনো কৌশল আপোনাৰ জনা আছে নেকি, নে যুদ্ধৰ কেৱল পৰিকল্পনাহে কৰিছে?' কাটাগিৰিয়ে সুধিলে।

'অৱশ্যেই আছে। কোনোধৰণৰ কৌশল অবিহনে এই কেটাৰপিলাৰৰ দৰে শক্তিশালী প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰাটো কেনেকৈ সম্ভৱ? ই অতি পাতল প্ৰাণী। গোটেই শৰীৰৰ কোনটো মুখ আৰু কোনটো গা-অংশ তাক বুজিবলৈ টান। লগতে, ইয়াৰ দৈৰ্ঘ্য যাত্ৰীবাহী ৰেলৰ সমান।'

'তেন্তে তোমাৰ কৌশল কি?'

'ক্ষন্তেক সময় চিন্তা কৰি বেঙে ক' লে– 'হুমমম, কথা এটা নাই নেকি– মৌনতা সোণালী, নে মৌনতা ধন, তেনেকুৱা কিবা এটা?'

'তুমি ইয়াকে ক' বলৈ বিচাৰিছা নেকে যে সেইবোৰ মই জনাৰ দৰকাৰ নাই?'

'মাচ লাইক দ্যাট।'

'শেষ মুহূৰ্তত ভয় খাই পলাই গ' লে কি হ' ব? সেই ক্ষেত্ৰত আপুনি কি কৰিব মিঃ ভেকুলী?'

'নট ভেকুলী। বেং, কেৱল বেংহে।'

'হয়, বেং, তেতিয়া কি কৰিবা?'

বেংটোৱে অলপ সময় ভাবি উত্তৰ দিলে, 'মই অকলে যুঁজিব লাগিব৷ তেনে ক্ষেত্ৰত আন্না কাৰেনিনাৰ চলি থকা ইঞ্জিনটোক পৰাস্ত কৰাৰ সম্ভাৱনাতকৈ মোৰ জয়ৰ সম্ভাৱনা অলপ বেছি হ' ব৷ আপুনি আন্না কাৰেনিনা পঢ়িছেনে মিষ্টাৰ কটাগিৰি?'

বেঙে যেতিয়া শুনিলে যে কাটাগিৰিয়ে আন্না কাৰেনিনাক পঢ়া নাই, তেতিয়া তেওঁ কাটাগিৰিক এনে এটা চাৱনি দেখুৱালে যাৰ আক্ষৰিক অৰ্থ হ' ল– 'চিঃ, তুমি লাজ পাব লাগে৷' দেখা গ' ল, বেংটোৱে আন্না কাৰেনিনাক বহুত ভাল পায়৷

'যিয়েই নহওক, এতিয়াও বিশ্বাস কৰোঁ মিষ্টাৰ কটাগিৰি, এই যুঁজত মোক অকলে এৰি নাযাবা৷ আচলতে ইয়াৰ সৈতে পুৰুষত্বৰ সম্পৰ্ক আছে৷'

বিচি প্ৰমাণৰ প্ৰশ্ন হয় নে নহয়৷ কোনো সমস্যা হ' লে যুঁজৰ পৰা পলাই নাযাব৷ আচহুৱা কথা, যুঁজিবলৈ এটা প্ৰস্তাৱ লৈ আপোনালোকৰ ওচৰলৈ আহিছোঁ, বিচিৰ স্বাৰ্থত যুঁজত অংশ ল' বলৈ অনুৰোধ কৰিছোঁ, কিন্তু মোৰ নিজৰো বিচি নাই৷ বেংবোৰ এলেহুৱা হোৱাৰ কথা নহয়৷ হা হা হা! বেংটোৱে যেতিয়া মুখখন মেলি হাঁহিবলৈ আৰম্ভ কৰে, তেতিয়া স্পষ্ট হৈ পৰে যে সেয়া কেৱল তাৰ জীৱনত বিচিৰ অভাৱ নহয়৷ এই বেংটোৰ দাঁত নাই৷ অৱশ্যে জীৱনত কেতিয়াবা অভাৱনীয় ঘটনাবোৰ ঘটে৷

১৭ ফেব্ৰুৱাৰীৰ সন্ধিয়া কাটাগিৰিৰ গুলীচালনা হৈছিল৷ গোটেই দিনটো ঋণগ্ৰহণকাৰীৰ কাৰ্যালয় আৰু ঘৰত ঘূৰি ফুৰাৰ পিছত শ্বিনজুকু পথৰ কাষৰ ট্ৰাষ্ট বেংকত থকা নিজৰ কাৰ্যালয়লৈ উভতি সি আহিছিল৷ সেই সময়ত চামৰাৰ জেকেট পিন্ধা এজন যুৱকে তেওঁৰ সন্মুখত জপিয়াই পৰিল৷ নিষ্ঠুৰ চেহেৰা মানুহজনে হাতত এটা সৰু ক' লা পিষ্টল লৈছিল৷ পিষ্টলটো ইমানেই সৰু আছিল আৰু ইমানেই ক' লা আছিল যে ইয়াক খেলনাতকৈ বেছি একো যেন নালাগিছিল৷ সকলোবোৰ ইমান খৰকৈ হৈ আছিল যে গোটেই ঘটনাটো এক কল্পনা যেনহে লাগিছিল৷ পিষ্টলৰ নলীৰ হুলস্থুলীয়া শব্দই কাটাগিৰিৰ চকুত ধৰিলে, কিয়নো তেওঁৰ কান্ধত কোনোবাই হাতুৰীৰে আঘাত কৰা যেন অনুভৱ কৰিলে৷ কোনো বিষ অনুভৱ কৰিব নোৱাৰিলেও গুলীৰ খুন্দাত তেওঁ পথত বাগৰি পৰে৷ তাৰ ব্ৰিফকেছটো উফৰি গৈ ৰাস্তাৰ সিটো পাৰে পৰিল৷ ল' ৰাটোৱে আকৌ বন্দুকটো তাৰ ফালে টোঁৱাই দিলে৷ তেতিয়া আন এটা বন্দুকৰ গুলীৰ শব্দ শুনা যায়৷ ৰাস্তাৰ দাঁতিত থকা ৰেষ্টুৰেণ্ট এখনৰ নাম ফলক কাটাগিৰিৰ চকুৰ সন্মুখেৰে উৰি গৈছে৷ কাটাগিৰিয়ে তেওঁৰ চাৰিওফালে মানুহৰ চিঞৰ-বাখৰ শুনিবলৈ পালে৷ তেতিয়ালৈকে তেওঁৰ চশমাযোৰ ক' ৰবালৈ উৰি গৈছিল৷ চৌপাশ মেঘাচ্ছন্ন৷ তেওঁ অস্পষ্টভাৱে অনুভৱ কৰিব পাৰিছিল যে ল' ৰাটোৱে বন্দুক এটা লৈ তেওঁৰ ফালে আহি আছে৷ মই মৰি পৰি আছোঁ, কটাগিৰিয়ে ভাবিলে৷ বেঙে তেওঁক ক' লে যে প্ৰকৃত ভয় হ' ল মানুহৰ কল্পনাৰ জগতখনত বিয়পি পৰাটোৱেই৷ কাটাগিৰিয়ে নিজৰ কল্পনাশক্তিৰ চুইচ অফ কৰি মৌনতাৰ পৃথিৱীখনত ডুব যায়৷ চকু মেলিলেই তেওঁ নিজকে বিচনাত আৱিষ্কাৰ কৰে৷ এটা চকু মেলি প্ৰথমে চৌপাশৰ পৰিৱেশটো চাই লয়, তাৰ পিছত আনটো চকু মেলে৷ প্ৰথমে তেওঁৰ চকুত পৰা বস্তুটো হ' ল তেওঁৰ মূৰৰ ওচৰৰ লোহাৰ বাৰী এডালত ওলমি থকা তৰল ঔষধেৰে ভৰা প্লাষ্টিকৰ বেগ এটা, য' ৰ পৰা জুলীয়া দৰৱ এবিধ এটোপ এটোপকৈ তেওঁৰ শৰীৰত প্ৰৱেশ কৰি আছে৷ কাষতে বগা কাপোৰ পিন্ধা এগৰাকী নাৰ্ছ৷ নিজকে এখন টান বিচনাত শুই থকা যেন অনুভৱ কৰিলে৷ দেহৰ ওপৰত এখন অদ্ভুত কাপোৰ– যাৰ তলত তেওঁৰ নিজকে প্ৰায় উলংগ যেন লাগিল৷ অ' হয়, সি ভাবিলে, মই ৰাস্তাৰে গৈ থাকোঁতে কোনোবাই মোক গুলীয়াই মাৰিলে৷ সম্ভৱতঃ গুলীটো কান্ধত লাগিছিল৷ সোঁফালে হয়তো৷ গোটেই ঘটনাটো সি আকৌ এবাৰ মনত পেলাবলৈ চেষ্টা কৰিলে৷ মানুহজনৰ হাতত থকা সৰু ক' লা বন্দুকটোৰ কথা ভাবিলেই তেওঁৰ হৃদয়ত এটা ডাঙৰ বেদনা থুপ খাই থকা যেন লাগিল৷ মাতৃদেৱীসকলে মোক হত্যা কৰিব বিচাৰিছে, তেওঁ ভাবিলে৷ কিন্তু এই যাত্ৰাত মই যেন বাচি গ' লোঁ৷ মোৰ স্মৃতিশক্তিও ঠিকেই আছে৷ শৰীৰত কোনো বিষ

অনুভৱ কৰা ̧ নাই৷ কেৱল বিষেই যে নাই নহয়– মই মোৰ শৰীৰত একো অনুভৱ কৰিব নোৱাৰোঁ৷ হাতখন লৰচৰ কৰিব নোৱাৰোঁ...।

হস্পিতালৰ এই সৰু কোঠাটোত কোনো খিৰিকী নথকা বাবে কাটাগিৰিয়ে তিতিয়া দিন নে ৰাতি তাক ধৰিব নোৱাৰিলে৷ ৫ বজাৰ কিছু সময়ৰ আগতে তেওঁক গুলীয়াই হত্যা কৰা হয়৷ তাৰ পিছত কিমান সময় পাৰ হৈ গ' ল জ্ঞানো? মাটিৰ তলত বেংটোৰ লগত তেওঁৰ যুঁজৰ সময় পাৰ হৈ গ' লনে? কটাগিৰিয়ে কোঠাটোৰ মাজত ঘড়ীটো বিচাৰিবলৈ চেষ্টা কৰিলে, কিন্তু চশমাযোৰ নোহোৱাকৈ সি একো দেখা নাপালে৷

'এক্সকিউজ মি' - তেওঁ নার্ছগৰাকীক মাতিলে৷

'ৱাঃ! অৱশেষত তোমাৰ চেতনা ঘূৰি আহিলা' নার্চে আনন্দতে ক' লেþ।

'এতিয়া কিমান বাজিছে?'

'ঘড়ীটোলৈ চায় সি৷'

'ন বাজি ত্ৰিশ মিনিট৷'

'নিশা?'

'কেনেধৰণৰ মূৰ্খৰ প্ৰশ্ন? দিনৰ সময়!'

'ৰাতিপুৱা জ্ঞ-৩০ বজাত?'

'ঠিক আছে,' নার্চে আকৌ ঘড়ীটোলৈ এবাৰ চকু ফুৰাই ক' লে, 'আজি ১৯৯৫ চনৰ ১৮ ফেব্ৰুৱাৰী৷'

'আজি পুৱা টকিঅ' ত ডাঙৰ ভূমিকম্প হোৱা নাছিল?'

'টকিঅ' ত?'

'টু টকিঅ' ।'

নার্চে মাত দিলে৷ 'মই যিমানদূৰ জ্ঞানো, নাই৷'

কাটাগিৰিয়ে সকাহৰ হুমুনিয়াহ এটা এৰি দিলে৷ যি নহওক, মাজতে অন্ততঃ ভূমিকম্পৰ পৰা হাত সাৰিব পৰা গ' ল৷

'মোৰ আঘাতৰ কথা কি ক' ব?'

'তোমাৰ আঘাত?' নার্চে সুধিলে৷ 'কি আঘাতৰ কথা কৈছা তুমি?'

'য' ত মোক গুলীয়াই হত্যা কৰা হৈছিল৷'

'শ্বুটছ?'

হয়, ট্ৰাষ্ট বেংকৰ প্ৰৱেশদ্বাৰৰ ওচৰত৷ এজন যুৱকে মোক গুলীয়াই মাৰিলে৷ বেছিভাগ গুলিয়েই মোৰ সোঁ কান্ধ বিদ্ধ কৰিছিল৷'

নাৰ্চজনীৰ মুখত এটা অস্বস্তিকৰ হাঁহি বিয়পি পৰিল৷ ‘ক্ষমা কৰিবা মিষ্টাৰ কাটাগিৰি, কিন্তু মই জনাত তোমাৰ শৰীৰত গুলীৰ ঘাঁ নাই৷’

‘নাই? তুমি নিশ্চিতনে?’

‘আজি পুৱা টকিঅ’ চহৰত ভূমিকম্পৰ জোকাৰণি অনুভূত নোহোৱাৰ দৰেই ই নিশ্চিত৷’

কাটাগিৰি পাগল হৈ গ’ ল৷ ‘তেন্তে মই এই হস্পিতালত কি কৰি আছোঁ?’

‘কোনোবাই তোমাক শ্বিনজুকুৰ কাবুকিচু অঞ্চলতৰ ৰাস্তাত অচেতন হৈ পৰি থকা দেখি ইয়ালৈ লৈ আহিছো৷ তোমাৰ শৰীৰৰ বাহিৰত আঘাতৰ কোনো চিন নাছিল৷ তুমি মাত্ৰ বৰফৰ দৰে ঠাণ্ডা হৈ পৰি আছিলা৷ কিয়, কেনেকৈ হ’ ল, সেই বিষয়ে আমাৰ এতিয়াও কোনো ধাৰণা নাই৷ ডাক্তৰ সোনকালে আহিব৷ তেওঁৰ লগত কথা তুমি কথা পাতিব পাৰিবা৷

ৰাস্তাত তেওঁ অচেতন হৈ আছিল? কাটাগিৰি এতিয়াও নিশ্চিত যে তেওঁ বন্দুকটো তেওঁৰ ফালেই টোঁৱাই× দিয়া তেওঁ দেখিছিল৷ কাটাগিৰিয়ে দীঘলকৈ উশাহ এটা লৈ মনটো ফৰকাল কৰিবলৈ যত্ন ধৰিলে৷ সকলো ঘটনাক এটা ক্ৰমত আনিব লাগিব৷ ‘আপুনি কৈছে যে মই কালি সন্ধিয়াৰ পৰা এই হস্পিতালৰ বিচনাত অচেতন হৈ পৰি আছোঁ নহয়নে?’

‘হয়, তুমি ঠিকেই কৈছা’ , নাৰ্চে উত্তৰ দিলে৷ ‘কিন্তু তোমাৰ ৰাতিটো বেয়া আছিল মিষ্টাৰ কাটাগিৰি৷ তুমি অহৰহ দুঃস্বপ্ন দেখা৷ তোমাৰ চিঞৰ শুনিলোঁ– ‘বেং! এইজনেই বেণ্টো!’ প্ৰায় গোটেই ৰাতি চিৰি চিৰি চিৰি৷ বেং নামৰ কোনো বন্ধু আছে নেকি তোমাৰ?’

যি ঘটিছিল তাৰ কিমানখিনি বাস্তৱ, আৰু কিমান তেওঁৰ ভ্ৰম? সঁচাকৈয়ে এই বেংটোৱে তাক কিবা ক’ বলগীয়া আছিল নেকি? সঁচাকৈয়ে তেওঁলোকে মাটিৰ তলত থকা দানৱীয় কেটাৰপিলাৰটোক পৰাস্ত কৰি ভূমিকম্প বন্ধ কৰিলেনে? নে এই সকলোবোৰ তেওঁৰ দীঘলীয়া সপোনৰ অংশ? কাটাগিৰিয়ে তেতিয়ালৈকে সঁচা আৰু মিছাৰ স্বাভাৱিক জ্ঞান হেৰুৱাই পেলাইছিল৷ আকৌ এবাৰ বেংটো আহিল তাৰ হস্পিতালৰ কোঠালৈ৷ কাটাগিৰি সাৰ পোৱাত সি দেখিলে ছিৰামৰ ম্লান পোহৰত, বেংটো বহি আছে নিজৰ কোঠাত, কোঠাটোত ৰখা ষ্টীলৰ চকীখনত, পিঠিখন বেৰত আউজি৷ বেংটোৰ ডাঙৰ ডাঙৰ ওলাই থকা চকু দুটা× তাৰ বন্ধ পাহিৰ তলৰ পৰা মাজে মাজে উঁকি মাৰি ওলাই আহে৷

‘বেং!’ কাটাগিৰিয়ে মাত দিলে৷ বেংটোৱে চকুৰ পতাযোৰ অতি লাহে লাহে মেলি দিলে, উশাহৰ লগে লগে তাৰ বিশাল বগা ঠোঁটটো হেঁচা মাৰি ধৰিলে৷

‘মই প্ৰতিশ্ৰুতি অনুসৰি সেই নিশা বয়লাৰ ৰুমত তোমাক লগ কৰিবলৈ সম্পূৰ্ণ সাজু হৈ আছিলোঁ’ , কাটাগিৰিয়ে ক’ লে, ‘কিন্তু সন্ধিয়া মোৰ এটা দুৰ্ভাগ্যজনক ঘটনা ঘটিছিল আৰু তেওঁলোকে মোক ইয়ালৈ লৈ আহিছিল৷’

বেঙে খুব লাহেকৈ মূৰটো জোকাৰিলে৷ মই জানো, কোনো সমস্যা নাই চিন্তা নকৰিবা৷ যোৱা নিশাৰ যুঁজখনত তুমি মোক বহুত সহায় কৰিলা মিঃ কাটাগিৰি৷’

‘মই সহায় কৰিলোঁ নেকি?’

হয়৷ সপোনত তুমি মোক সহায় কৰিলা৷ আৰু সেইবাবেই অৱশেষত মই দানৱটোক হত্যা কৰিবলৈ সক্ষম হ’ লোঁ৷ মই আপোনাক বহুত বহুত ধন্যবাদ জনালোঁ৷’

'মই একো বুজিব পৰা নাই' , কাটাগিৰিয়ে ক' লে। 'গোটেই সময়খিনি মই অচেতন হৈ আছিলোঁ।' মোক ঔষধ দিয়া হ' ল। সপোনত কোনো কাম কৰাৰ স্মৃতি মোৰ নাই।'

'বাৰু মিষ্টাৰ কটাগিৰি, ভাল কথা তোমাৰ মনত নাই।'

এই ভয়ংকৰ যুঁজখন কেৱল কল্পনাৰ জগতখনত সংঘটিত হয়। এককথাত সেইটোৱেই যুদ্ধক্ষেত্ৰৰ ঠিকনা। এইখিনিতে আমি আমাৰ জয়-পৰাজয় উপলব্ধি কৰোঁ। আমাৰ সকলোৰে হাতত সময় অতি কম, আমি সকলোৱে এটা সময়ত হাৰ মানিবলগীয়া হয়। কিন্তু, আৰ্নেষ্ট হেমিংৱেই ইমান স্পষ্টকৈ কোৱাৰ দৰে– মানৱ জীৱনৰ মূল্য নিৰ্ভৰ নকৰে যে ই কেনেকৈ জয়ী হয়। নিৰ্ভৰ কৰে তেওঁ কেনেকৈ পৰাজিত হয় তাৰ ওপৰত। তুমি মোৰ লগত একমতনে মিষ্টাৰ কাটাগিৰি, আমি টকিঅ' চহৰৰ ধ্বংসলীলা ৰোধ কৰিবলৈ সক্ষম হলোঁ। আমি প্ৰায় ডেৰ লাখ লোকৰ জীৱন ৰক্ষা কৰিছোঁ।

'সেই পোকটোক কেনেকৈ হৰুৱালে? তেতিয়া মই কি কৰি আছিলোঁ?'

'আমি সকলোৰে সৈতে, একেবাৰে শেষলৈকে যুঁজিলোঁ।' আমি– বেঙে কথা বাদ দি দীঘলকৈ উশাহ এটা লয়। 'আমি হাতত পোৱা সকলো অস্ত্ৰ ব্যৱহাৰ কৰিলোঁ। আভ্যন্তৰীণ সকলো সাহস যুদ্ধক্ষেত্ৰত ঢালি দিলোঁ। আমাৰ শত্ৰুৰ প্ৰধান সংগী আছিল আন্ধাৰ। আপুনি ফুট চালিত জেনেৰেটৰ লৈ খেলপথাৰত প্ৰৱেশ কৰে আৰু ঠাইখন পোহৰাই ৰখাৰ বাবে আপোনাৰ সকলো শক্তি ব্যৱহাৰ কৰে। সেই বিশাল পোকটোৱে তোমাক বাৰে বাৰে ভয় খুৱাবলৈ চেষ্টা কৰিছিল, আন্ধাৰৰ দানৱ পঠিয়াইছিল। কিন্তু আপুনি দৌৰি মাটিত খুন্দা মাৰিলে। পোহৰ আৰু আন্ধাৰৰ মাজত তীব্ৰ সংগ্ৰাম চলিছিল আৰু সেই পোহৰতে মই দানৱীয় পোক-পৰুৱাৰ সৈতে মল্লযুঁজ কৰিছিলোঁ। তেওঁ মোক বাৰে বাৰে নিজৰ সৰীসৃপৰ শৰীৰেৰে পেচাই আছিল, মোৰ গোটেই শৰীৰটো তেওঁৰ শৰীৰৰ পৰা ওলাই অহা লেতেৰা তৰল পদাৰ্থৰে ভৰি পৰিছিল। মই তাক টুকুৰা-টুকুৰ কৰি পেলালোঁ, তথাপিও সি মৰি থকা নাছিল।

'পিছলৈ তেওঁ নিজকে অসংখ্য সৰু সৰু পোকলৈ ৰূপান্তৰিত কৰে। আৰু তাৰ পিছত...'

বেংটো নিমাত হৈ পৰিল যদিও অলপ পিছতে তাৰ শৰীৰৰ শেষ শক্তিখিনিৰে সি আকৌ কথা ক' বলৈ ধৰিলে। ফ্যোডৰ দস্তয়েভস্কিয়ে অতুলনীয় মৰ্মস্পৰ্শীতাৰে নিজৰ লেখাত পৃথিৱীত ঈশ্বৰৰ কৃপাত ব্যৰ্থ হোৱাসকলৰ কাহিনী উলিয়াই আনিছে। কিম্ভুটকীমক বিৰোধত তেওঁ মানুহৰ অস্তিত্ব বিচাৰি পায় যে - যিজন মানুহে ঈশ্বৰৰ ধাৰণা আৱিষ্কাৰ কৰিলে, সেই মানুহে এদিন পাহৰি নিজৰ ঈশ্বৰক পৰিত্যাগ কৰে। বাঘটোৰ লগত যুঁজি থাকোঁতে দস্তয়েভস্কিৰ 'হোৱাইট নাইটছ' ৰ কথা ভাবি থাকিলোঁ। 'মই...' বেংটোৱে আৰু কথা ক' ব নোৱাৰিলে। শ্ৰীযুত কাটাগিৰি, অলপ চকু টিপিয়ালে তোমাৰ খং উঠিবনে? মই বৰ ভাগৰি পৰিছোঁ।'

'অৱশ্যেই' , কাটাগিৰিয়ে ক' লে, 'তোমাৰ এতিয়া বৰ ভাল আৰু গভীৰ টোপনিৰ দৰকাৰ।'

'অৱশেষত মই পোকটোক পৰাস্ত কৰিব নোৱাৰিলোঁ' - চকু দুটা মুদি বেংটোৱে ক' লে। 'ভূমিকম্প বন্ধ কৰিলেও পোকটোৰ সৈতে মোৰ যুঁজখন ড্ৰ' ত শেষ হৈছিল।' আমি কাকো হেৰুৱাব পৰা নাছিলোঁ। মই তেওঁক আঘাত দিলোঁ, তেওঁ মোক আঘাত দিলে। কিন্তু মই আপোনাক এটা সঁচা কথা ক' ব বিচাৰিছো মিষ্টাৰ কাটাগিৰি...'

'সেইটো কি বেং?'

'মই নিঃসন্দেহে বেং।' কিন্তু একে সময়তে মই 'নাই বেং' বা 'নন-বেঙ' ৰ জগতখনকো প্ৰতিনিধিত্ব কৰোঁ।

'হুমমম, মই একো বুজি পোৱা নাই৷'

'মই নেইদাৰ' , চকু দুটা এতিয়াও বন্ধ হৈ থকা বেঙটোৱে ক' লে৷ 'এইটো এটা অনুভৱ মাথোঁ যি মোৰ ভিতৰত কাম কৰি আছো৷'

চকুৰে যি দেখিছা সেয়া সদায় সঁচা নহ' বও৷ মোৰ শত্ৰু আন আন কথাৰ লগতে মোৰ ভিতৰৰ মই–মই৷ এই মোৰ ভিতৰত এটা নন-মই আছে... মোৰ মগজুটো অজ্ঞান হৈ গৈ আছে... ৰে' লৰ ইঞ্জিনটো মোৰ ফালে লৰালৰিকৈ আহি আছে... কিন্তু মই সঁচাকৈয়ে বিচাৰোঁ যে তুমি বুজিব মই কি ক' ব বিচাৰিছোঁ, মিষ্টাৰ কাটাগিৰি৷'

'তুমি ভাগৰি পৰিছা বেং৷ শুবলৈ চেষ্টা কৰাটো ভাল হ' ব৷'

'মই আকৌ লাহে লাহে বোকালৈ পৰিণত হৈছোঁ মিষ্টাৰ কাটাগিৰি৷ কিন্তু তথাপিও... মই...'

কথাৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই বেংটো ক' মাত পৰিল৷ তাৰ ওলমি থকা হাত দুখনে কাষৰ মজিয়াখন প্ৰায় স্পৰ্শ কৰিলে আৰু বিশাল মুখখন ফাটি গ' ল৷ যদিও ওচৰৰ পৰা চাবলৈ টান আছিল, তথাপিও কাটাগিৰিয়ে লক্ষ্য কৰিলে যে বেংটোৰ গোটেই শৰীৰত ক্ষতৰ চিহ্ন৷ শৰীৰত দীঘলীয়া কটা দাগ, মূৰত আন এটা আঘাত– য' ত তেওঁৰ মাংস ফাটি গ' ল৷

কাটাগিৰিয়ে বহু সময় ধৰি বেংটোলৈ চাই থাকিল৷ সি এতিয়া গভীৰ টোপনিৰ মাজত চকীখনত কুটিল হৈ পৰিল৷ হস্পিতালৰ পৰা ডিচচাৰ্জ হোৱাৰ লগে লগে 'আন্না কাৰেনিনা' আৰু 'হোৱাইট নাইটছ' কিতাপ কিনি ভালদৰে পঢ়িলোঁ৷ ইয়াৰ পিছত বেংটোৰ লগত সাহিত্যৰ বিষয়ে বহু সময় আড্ডা মাৰিব পাৰিম৷

অলপ সময়ৰ ভিতৰতে বেংটোৰ গোটেই শৰীৰটো টুকুৰিয়াবলৈ ধৰিলে৷ প্ৰথমতে কাটাগিৰিয়ে ভাবিছিল যে সেয়া হয়তো টোপনিৰ সময়ৰ শৰীৰৰ স্বাভাৱিক বেঁকা হ' ব পাৰে, কিন্তু অতি সোনকালেই তেওঁ নিজৰ ভুলটো উপলব্ধি কৰিলে৷ বেংটোৰ শৰীৰৰ থৰক-বৰকত এটা অস্বাভাৱিক–অস্বাভাৱিকতা৷ যেন পিছফালৰ পৰা কোনোবাই ডাঙৰ পুতলা এটা জোকাৰিছে৷ কাটাগিৰিয়ে উশাহ বন্ধ কৰি চাই থাকিল৷ পাৰিলে বেংটোৰ ওচৰলৈ দৌৰি গ' লহেঁতেন, কিন্তু শৰীৰটো লৰচৰ কৰিব নোৱাৰাকৈ সি বিচনাত পৰি থাকিল৷

অলপ পিছত বেংটোৰ সোঁ চকুটো ঘূৰণীয়া হৈ ফুলিবলৈ ধৰিলে৷ বেংটোৰ কান্ধ, কাষ আৰু শৰীৰৰ অন্যান্য অংশতো একেধৰণৰ জঘন্য আকৃতি গজি উঠিছিল৷ কাটাগিৰিয়ে একো ভাবিব নোৱাৰিলে– এই বেংটোৰ কি হৈছে? উশাহ বন্ধ কৰি সি ৰৈ থাকিল৷

তাৰ পাছত হঠাৎ বেংটোৰ দেহৰ ফুলা টিউমাৰটো এটা বিকট শব্দ কৰি ফাটি গ' ল৷ ছালখন উৰলি গ' ল আৰু এটা আঠাযুক্ত তৰল পদাৰ্থ দেহৰ ভিতৰৰপৰা ওলাই আহিল যিয়ে কোঠাটো এটা দুৰ্গন্ধেৰে ভৰাই পেলালে৷ বাকী ফুলা অংশবোৰো এটা এটাকৈ ফাটিবলৈ ধৰিলে, সংখ্যাত প্ৰায় ২০-৩০৷ ফলত বেংটোৰ শৰীৰৰ ছালখন আৰু তৰল পদাৰ্থখিনি উৰিবলৈ ধৰিলে আৰু কোঠাটোৰ গোটেই বেৰখনত ৰং কৰিবলৈ ধৰিলে৷

এটা বেয়া, অসহ্যকৰ গোন্ধে গোটেই চিকিৎসালয়ৰ কোঠাটো ভৰি পৰিল৷ ইফালে বেংটোৰ শৰীৰৰ ফুটাবোৰৰ মাজেৰে বিভিন্ন আকৃতি আৰু আকৃতিৰ সৰু সৰু পোকবোৰ ওলাই আহিবলৈ ধৰিলে৷ ফুলি উঠা বগা কিলবিলযুক্ত পোক৷ সিহঁতৰ পিছফালে ওলাই আহিল কেইশমান ভৰিৰ কিলবিল৷ শ শ ভৰিৰ গতিবিধিৰ ফলত গোটেই কোঠাটোত এটা ডাঙৰ, অস্বস্তিকৰ, ৰাস্পিং শব্দৰ সৃষ্টি হ' ল৷ যেন অনন্তকাললৈকে এই

সকলোবোৰ পোক-পৰুৱা বেংটোৰ শৰীৰৰ পৰা ওলাই আহি থাকিল। এটা বেঙৰ শৰীৰ, বা যিটো এসময়ত বেঙৰ শৰীৰ আছিল– সেই বস্তুটো তেতিয়ালৈকে আন্ধাৰৰ জীৱবোৰে সম্পূৰ্ণৰূপে আৱৰি ধৰিছিল। তেওঁৰ ডাঙৰ ডাঙৰ চকু দুটা চকুৰ গুৰিৰ পৰা জপিয়াই ওলাই আহিল আৰু মজিয়াত পৰি যোৱাৰ লগে লগে শক্তিশালী চোলা থকা কিছুমান ক' লা পোকে খালে। সৰু সৰু কিলবিলত পোক-পৰুৱাবোৰে বেৰৰ ওপৰলৈ আৰু চিলিংলৈকে লৰালৰিকৈ গৈ ফ্লু' ৰেচেণ্ট পোহৰটো ঢাকি ৰাখিছিল। তেওঁলোকৰ এটা দলে ধোঁৱাৰ এলাৰ্ম মেচিন ভাঙি ভিতৰলৈ সোমাই গ' ল।

গোটেই মজিয়াত তেতিয়া সেই কিলবিল কৰি থকা পোকবোৰৰ ৰাজত্ব। কাটাগিৰিৰ বিচনাৰ কাষত ৰখা লেম্পটোত বহি ঢাকি থোৱাত সিহঁতৰ বৃহৎ সংখ্যকে কাটাগিৰিৰ বিচনাখনৰ ওচৰলৈ উঠি আহিবলৈ ধৰিলে। শ শ পোকে কাটাগিৰিক ঢাকি ৰখা চাদৰখন বিন্ধি ছিঙি কাটাগিৰিৰ শৰীৰৰ ওপৰলৈ উঠি আহিল। বেডগাউনৰ তলত কাটাগিৰিৰ ভৰি দুখন ওপৰলৈ দৌৰি আহিল আৰু তাৰ উৰুৰ ওপৰলৈ।

তাৰে সৰুটো কাটাগিৰিৰ মলদ্বাৰ, নাক, কাণেৰে শৰীৰত প্ৰৱেশ কৰিছিল। আৰু ডাঙৰ আকাৰৰ টুকুৰাবোৰ জাকে জাকে কাটাগিৰিৰ মুখত সোমাবলৈ ধৰিলে। হতাশা আৰু ভয়তে চিঞৰি উঠিল কটাগিৰিয়ে। কোনোবাই শব্দ কৰি চুইচটো অন কৰাৰ লগে লগে কোঠাটো পোহৰেৰে ভৰি পৰিল। 'শ্ৰীযুত কটাগিৰি!' নাৰ্চে চিঞৰি উঠিল। কাটাগিৰিয়ে চকু মেলি পোহৰৰ ফালে একেথৰে চাই ৰ' ল। গোটেই শৰীৰটো ঘামত তিতি গৈছে। পোক-পৰুৱাবোৰ নাইকিয়া হৈ গৈছে। কটাগিৰিৰ শৰীৰত তেতিয়াও কেৱল সেই ঠাণ্ডা অনুভৱটোহে আছিল।

'আকৌ এটা দুঃস্বপ্ন নহয়তো? আহাৰে বেচাৰা।' নাৰ্চে খৰধৰকৈ বেজী এটা সাজু কৰি কটাগিৰিৰ বাহুত বেজীটো সুমুৱাই× দি ক' লে। কাটাগিৰিয়ে দীঘলীয়াকৈ উশাহ এটা লৈ লাহেকৈ এৰি দিলে। তেওঁৰ হৃদস্পন্দন লাহে লাহে স্বাভাৱিক হৈ আহিল।

'কি সপোন দেখি আছিলা?'

কাটাগিৰিৰ বাবে সপোনক বাস্তৱৰ পৰা পৃথক কৰাটো অসম্ভৱ যেন লাগিছিল।

'চকুৰে দেখা সকলো কথা সঁচা নহয়' - নিজকে জ্ঞান দিবলৈ যেন তেওঁ জোৰেৰে ক' লে।

'বহু পৰিমাণে সঁচা' , নাৰ্ছগৰাকীয়ে মিঠা হাঁহি এটা মাৰি ক' লে, 'বিশেষকৈ সপোনত।'

'বেং...' কাটাগিৰিয়ে ফুচফুচাই ক' লে।

'বেংটোৰ কি হ' ল?' নাৰ্চে সুধিছে।

'তেওঁ টকিঅ' চহৰখনক ভূমিকম্পৰ ফলত ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰিছিল। এই সকলোবোৰ তেওঁ নিজেই কৰিছিল- একক প্ৰচেষ্টাৰে।'

'ভাল,' নাৰ্চে শিৰাত দিয়া তৰল পদাৰ্থৰ খালী বেগটোৰ ঠাইত ড্ৰাগছ ভৰ্তি নতুন বেগ এটা দি ক' লে, 'মই টকিঅ' ত আৰু কোনো সমস্যা চাব নিবিচাৰোঁ। তথাপিও ইয়াত সমস্যাৰ অভাৱ নাই।'

হাঁহি হাঁহি কাটাগিৰিৰ কপালৰ ঘাম মচি নাৰ্চে সুধিলে, 'আপুনি সেই বেংটোক ভাল পাইছিল, নহয়নে মিষ্টাৰ কটাগিৰি?'

'ট্ৰ' লৰ ইঞ্জিন,' কাটাগিৰিয়ে মনতে বিৰবিৰাই কয়, 'বাকী সকলোৰে।' তাৰ পিছত চকু দুটা মুদি দিয়ে আৰু এটা গভীৰ, নিস্তব্ধ আৰু সপোনহীন টোপনিত ডুব যায়।

চিত্রঃ ভিনটেজ পাব্লিকেচনৰ বেটুপাতৰপৰা হাৰুকি মুৰাকামিৰ ‘আফটাৰ দ্য কুৱেক’ নামৰ কিতাপখনৰ ইংৰাজী অনুবাদৰ অসমীয়া তৰ্জমা।

(গল্প)

# শেষ নোহোৱা সাধুটো

**ৰমেশ চন্দ্ৰ ৰায়**

- এখন গাঁওত এহাল বুঢ়া-বুঢ়ী আছিল। এদিন দুয়ো খৰি কাটিবলৈ ওলাল। হাবিলৈ বুলি লাহে লাহে দুয়ো খোজ কাঢ়ি কাঢ়ি গৈ থাকিল। গৈ থাকিল। গৈ থাকিল...

- কিমান আৰু গৈ থাকে? তাৰ পাছত কি হ'ল কোৱা।

- ৰ'বা অধৈৰ্য হ'লে কেনেকৈ শুনিবা মোৰ সাধু। ইমান সোনকালে হাবিখন পাব নেকি? তাতে সিহঁত হ'ল দুয়ো বুঢ়া মানুহ।

- তেন্তে মই তোমাৰ সাধু নুশুনো, তুমি সাধু বন্ধ কৰা, নহ'লে মই এতিয়াই ইয়াৰপৰা আঁতৰি যাম।

- তুমি যাব নালাগে, ময়েই যাওঁ , মোৰ সাধু শুনা মানুহৰ আকাল নাই বুজিছা? খঙ আৰু বিৰক্তি প্ৰকাশ কৰি মানুহজন তাৰপৰা আঁতৰি যায়।

শেষ নোহোৱা সাধু এটা লৈ ঘূৰি ফুৰে নন্দেশ্বৰ। মানুহে তাক দেখিলে সোধে, কি হ'ল, কিমান দূৰ পালে তোমাৰ বুঢ়া-বুঢ়ীহাল? পালেগৈ নে হাবিখন ?

নন্দেশ্বৰে ব্যাখ্যা কৰে, এতিয়াও পোৱাগৈ নাই। গৈ আছিল তেওঁলোক , বাটতে জুৰি এটা পাই পানী খাই জিৰণি লৈছিল, তাৰ পাছত কি হ'ল সেইখিনি নুশুনিলে ল'ৰাকেইটাই। তাতে ৰৈ থাকিল সাধুটো।

চকুদুটা মোহাৰি কোঠাটোৰ পৰা ওলাই আহিল অনল বৰুৱা। টিভিটো ইচ্ছা কৰিয়েই বন্ধ নকৰিলে সি, শেষ নোহোৱা সাধুবোৰ লৈ টিভিটো চলি থাকক। চলি থাকক। চলি থাকক।

অলপ পাছত তুলিকাই কোঠাটোত মানুহজনক নেদেখি টিভিটো বন্ধ কৰি থ'লে। গোটেই কোঠাটো সাপ্তাহিক বজাৰৰ গেলামালৰ দোকানৰ ৰূপ লৈছে। বিবিধ সামগ্ৰী চাৰিওফালে সিঁচৰতি হৈ থকা কোঠাটো আজি-কালি তুলিকাই সজাব-পৰাবলৈ বাদ দিছে। কিতাপ, বহী, কাৰ্টন, ষ্টেপল, লেপটপ, প্ৰিণ্টাৰ, টিভি, কাপোৰ, ছেণ্ডেল, ঔষধ, চানাচুৰৰ পেকেট, চকলেট, মহ মৰা সজুলি ইত্যাদি ইত্যাদি।

মানুহজন, মানে গিৰীয়েক অনল বৰুৱা ক'লৈ গ'ল ? বোধহয় পিছ দুৱাৰেদি ওচৰতে কৰবালৈ এনেয়ে ওলাই গ'ল । বৰ বেছি গুৰুত্ব নিদি তাই কোঠাটোৰ পৰা বাৰান্দালৈ ওলাই আহি দুবাৰমান দীঘল দীঘলকৈ উশাহ ল'লে। কামবোৰ, ঘৰৰ কামবোৰ যিমান কৰিলেও শেষ নহয়, এটাৰ পাছত এটা ওলায়েই থাকে। ঘৰ-সৰা, ঘৰ-মোচা, মকৰাজাল আঁতৰোৱা, বাচন-মজা, কাপোৰ-ধোৱা, ৰ'দত দিয়া, তাৰ মাজতে নিত্য প্ৰসংগ কৰা, ৰন্ধা-বঢ়া কৰা, আলহী-অতিথিৰ আলপৈচান ধৰা, নাই নাই, এইবোৰ কামৰ শেষ নাই। দীঘল দীঘল দুটামান উশাহ লৈ তাই কঁকালটো পোনাবলৈ চেষ্টা কৰিলে।

অনল বৰুৱাই নিজেও ভবা নাছিল আহি আহি ইমান দূৰ পাব, প্ৰায় চাৰি কিলোমিটাৰ খোজ কাঢ়ি সি য'ত আহি উপস্থিত হ'ল তালৈ অহাৰতো কোনো কথা নাছিল। এইটো নগৰখনৰ উত্তৰত অৱস্থিত বাছ আস্থান, য'ৰপৰা বৰুৱাৰ গৃহ-গাওঁলৈ যাব পাৰি। সি বাছ বোৰলৈ চালে, বাছবোৰ এতিয়া বহুত ধুনীয়া হ'ল, বাছৰ সংখ্যাও বাঢ়িল, ক'লৈ যাব আৰু কেইবজাত যাব সৰু ক'লা ফলি একোখনত বগা

আখৰেৰে লিখি থোৱা আছে। সি তাৰে এখন বাছত ঘপহকৈ উঠি ল'লে, অলপ পাছতেই বাছখন চলিবলৈ ধৰিলে। তেওঁৰ মন-প্ৰাণ আনন্দত নাচি উঠিল, কিমান বছৰৰ মূৰত যে সি এইবোৰ বাছত উঠিছে। অথচ এটা সময়ত এই বাছবোৰত উঠিয়েই সি গাঁৱৰ ঘৰৰপৰা অফিচলৈ অহা-যোৱা কৰিছিল। শেষ বাছখন ধৰিবৰ বাবে সি সদায় অফিচ ছুটিৰ অলপ আগতে ওলাই আহিছিল যাৰ বাবে বৰবাবুয়ে তাক বেয়া পাইছিল। কেতিয়াবা বৰবাবুয়ে বেয়াকৈ কৈছিল, তেতিয়া দুদিনমানৰ বাবে ঠিক সময়তে ছুটিৰ পাছত ওলাইছিল অফিচৰ পৰা। তেতিয়া শেষ বাছখন গুচি যায় আৰু চোৱা চোৱাকৈ তিনিখন বাছ সলনি কৰি কোনোমতে দেৰিকৈ ঘৰ ওলায়। হ'লেও বৰ মজাৰ দিন আছিল সেইবোৰ, কণ্ডাক্টৰ, হেন্দিমেন, ড্ৰাইভাৰবোৰ চিনাকি হৈ গৈছিল। কেবাজনো সহযাত্ৰীও চিনাকি হৈ গৈছিল। বাছখনৰ ভিতৰতে কিমান গল্প, কিমান আলোচনা, খবৰৰ বাহাৰ।

সি ইফালে সিফালে চালে, নাই কোনো চিনাকি মানুহ নাই। কণ্ডাক্টৰ, ড্ৰাইভাৰ, সহযাত্ৰী কাকো চিনি নাপালে সি। মানুহ বোঁৱতি নৈ, মানুহ চলমান সময়, একে ঠাইতে কোনো ৰৈ নাথাকে। পুৰণি মুখবোৰ আঁতৰি যায় নতুন মুখ আহে। তথাপি তাৰ ভাল লাগিল, ঘৰমুখী বাছখনে তাৰ হিয়াখন শান্ত কৰি তুলিছে। সি খিৰিকীৰে বাহিৰলৈ চাই চাই গ'ল, ৰাস্তাটো বহুত সলনি হ'ল, চাৰিশিৰিয়া ৰাস্তা সাজোঁতে বহুতো গছ কটা গ'ল, সৰু-সুৰা ভাঁজ মৰি ৰাস্তাটো পোন হ'ল, উৰণীয়া সেঁতু আহিল। সেইবোৰকে চাই চাই কেতিয়ানো মৰমৰ চহৰখন পালে ধৰিবই নোৱাৰিলে, কণ্ডাক্টৰে চিঞৰাতহে সি বুজিব পাৰিলে। সি নামি গ'ল। ইয়াৰ পাছৰখিনি সি ৰিক্সা বা খোজকাঢ়ি যাব লাগিব, অলপ দূৰ। আগেয়ে এইখিনি অহা-যোৱা কৰিবলৈ বাবুলালৰ দোকানত এখন চাইকেল ৰাখিছিল সি। সঁচাকৈ সি নিজৰ গাঁৱখনৰ চকটোলৈকে আহি পালে। কিন্তু সিতো ঘৰৰ মানুহজনীক নোকোৱাকৈয়ে এইখিনি পালে। তাই জানো তেওঁক বিচাৰি নাথাকিব। সি ভাবিলে মোবাইলটো উলিয়াই কথাটো কৈ দিয়াই ভাল হ'ব। সি পকেটত হাত ভৰালে। নাই, মোবাইল নাই। মনত পৰিল তেওঁৰ, আচলতে মোবাইলটো সি অনাই নাছিল। কি নো ডাঙৰ কথা? সকলোৰে হাতে হাতে মোবাইল। সি ওচৰতে থকা ল'ৰা এজনৰ মোবাইলটো খুজিলে ঘৰলৈ ফোন কৰিব বুলি। ল'ৰাজনে মোবাইলটো ঠিক-ঠাক কৰি দিলে, সি নম্বৰ টিপিবলৈ ওলাল। কিন্তু মানুহজনীৰ মোবাইল নম্বৰটো তেওঁৰ মনত নপৰিল। ল'ৰাজনে সুধিলে, আপোনাৰ বাৰু আন কাৰোবাৰ মোবাইল নম্বৰ মনত আছে নেকি যি আপোনাৰ ঘৰলৈ খবৰটো দিব পাৰে।

নাই, তেওঁ কাৰো নম্বৰ মনত পেলাব নোৱাৰিলে।

আপোনাৰ নিজৰ নম্বৰটো নিশ্চয় মনত আছে আপোনাৰ। সিটোলৈ ফোন কৰিলে আপোনাৰ ঘৰৰ কোনোবাই নিশ্চয় ধৰিব। ল'ৰাজনে ক'লে।

সি কৈ উঠিল, মোৰ নম্বৰটোও মনত নাই মোৰ।

ফোনটো সি ওভতাই দিলে ল'ৰাজনক। আচলতে নিজৰ নম্বৰটো মনত আছে তেওঁৰ। কিন্তু সেইটো কৰিবলৈ মন নগল । তাৰ পাছত সি অলপ আগুৱাই গ'ল। দেখিলে উপ-ডাকঘৰটো এতিয়াও আছে আগৰ ঠাইতে, তাকো প্ৰায় আগৰ ৰূপতেই। ততাতৈয়াকৈ সি তালৈ সোমাই গ'ল আৰু বাৰান্দাত থকা, এঠা শুকাই শুকাই লেতেৰা হৈ অনন্য ৰূপ লোৱা ডাঙৰ মেজখনতে চিঠি এখন লিখিবলৈ আৰম্ভ কৰি দিলে। মৰমৰ অনিমা....। অহ! ভুল হৈ গ'ল। অনিমা নামটো কাটি দিলে সি। লিখিলে, মৰমৰ তুলিকা...। এয়া বেয়া কথা হ'ল, অনিমা নামটো কাটি দিলেও স্পষ্ট হৈয়েই থাকিল। সি কাগজখন লাৰু সাজি ডাষ্টবিনত পেলাই দিলে। আন এখন কাগজত লিখিলে, মৰমৰ তুলিকা...। সি চিঠিখনত লিখিলে তিনিদিনমানৰ বাবে সি গাঁওতেই থাকিব, খুড়াহঁতৰ ঘৰত। আহিবৰ সময়ত কোৱা নহ'ল, যাতে বেয়া নাপায় তাই। খাম এখন কিনি, খামত ভৰাই ডাক বাকছত ভৰাই দিলে চিঠিখন। বহুত ডাঙৰ কাম এটা কৰি উঠাৰ দৰে আনন্দত তেওঁৰ মন-প্ৰাণ নাচি উঠিল। বাহ! কিমান যে চিঠি লিখিছিল সি, এই ডাকঘৰৰ

ডাক বাকচটোৰে জানে সকলো, সি সাক্ষী হৈ ৰ'ব। অনিমালৈ লিখা চিঠিবোৰ, অনিমাৰ পৰা অহা চিঠিবোৰ, তেওঁৰ বুকু ভৰি গ'ল। ডাকঘৰটো, মৰমৰ ডাকঘৰটো, হিয়াৰ আমঠু ডাকঘৰটো এৰি যাবলৈ মন নগল তেওঁৰ। কিছু সময় ইফাল সিফাল কৰি সি ঘৰলৈ বুলি বাট বুলিলে, ঘৰ মানে খুড়াহঁতৰ ঘৰ। মাক দেউতাক ঢুকুৱাৰ পাছত ঘৰখনত থাকিবলৈ কোনো নোহোৱা হ' ল আৰু বছৰৰ পাছত বছৰ ধৰি মানুহ নোহোৱা ঘৰটো এটা সময়ত ভাঙি, উৰলি শেষ হৈ গ'ল। খুৰাহঁতৰ ঘৰ পোৱাৰ আগে আগে শেষ নোহোৱা সাধুকথাৰ মানুহ নন্দেশ্বৰৰ ঘৰ। নন্দেশ্বৰক সি পদূলিৰ মূৰত দেখিলে।

নন্দেশ্বৰ নহয় নে এইজন? আনন্দতে সুধিলে সি।

ইমান দিনৰ মূৰত অনল বৰুৱাক দেখি প্ৰথমতে ধৰিব পৰা নাছিল যদিও অলপ পাছতেই ধৰিব পাৰি আনন্দত আত্মহাৰা হৈ বৰুৱাক সাবট মাৰি ধৰিলে নন্দেশ্বৰে । দুয়ো গৈ নন্দেশ্বৰৰ ঘৰতে বহিলগৈ। নন্দেশ্বৰৰ ল'ৰাৰ বোৱাৰীয়ে চাহ-তামোল দিলে। শৈশৱ, যৌৱনকালৰ বহু কথা ওলাল। তাৰ মাজতে বৰুৱাই উলিয়ালে, কোৱাচোন নন্দেশ্বৰ, তোমাৰ সাধুটো। সেই যে খৰি কাটিবলৈ হাবিলৈ গৈ আছিল বুঢ়া-বুঢ়ীহাল। সিহঁত দুজন বাৰু হাবিখন পালেনে? তোমাৰ সাধুটো বাৰু শেষ হ'ল নে?

-ভাল কথা মনত পেলালা অনল। মোৰ সাধুটো শেষ নহ'ল। তোমালোক গুচি যোৱাৰ পাছত গাঁওখনৰ গছৰ তলত, কাৰোবাৰ পদূলিত, নৈখনৰ পাৰত মানুহ নোহোৱা হ'ল। আমি দুজন মানেহে আগৰ গাওঁখনতে থাকি গ'লোঁ। নতুন ল'ৰাহঁতে সাধু শুনিবলৈ ক'তনো সময় পায়। সেয়েহে মোৰ সাধুটো আধৰুৱা হৈ থাকিল।

তেওঁৰ ফালে চাই থাকে অনল বৰুৱা। সঁচাকৈয়ে তেন্তে নন্দেশ্বৰৰ সাধুটো শেষ নহ'ল। কিন্তু তেওঁতো ইচ্ছা কৰিলে সাধুটো শেষ কৰিব পাৰিলহেঁতেন। অনল বৰুৱাই দেখিলে নন্দেশ্বৰে এটা দীঘল হুমুনিয়াহ কাঢ়িছে।

নন্দেশ্বৰে কিছুসময় পাছত কৈ উঠিল, কিন্তু সেয়া জানো সঁচাকৈয়ে মাথোন এটা সাধুকথাই আছিল?

মানে কি ক'ব বিচাৰিছা তুমি?

তুমি মোৰ সৈতে অলপ সময় খৰচ কৰিব পাৰিবা? নন্দেশ্বৰে সুধিলে।

কিয় নোৱাৰিম, নিশ্চয় পাৰিম। অনল বৰুৱাই উৎসাহেৰে উত্তৰ দিলে।

তেন্তে ব'লা।

নন্দেশ্বৰে অনল বৰুৱাক পথাৰৰ কাষেৰে হাবিখনলৈ যোৱা ৰাস্তাটোৰে লৈ যাবলৈ ধৰিলে।

মানুহজন কিয় ঘূৰি নাহিল এতিয়াও? নিজকে নিজে প্ৰশ্ন কৰিলে তুলিকাই। তাই মানুহজনৰ মোবাইললৈ ফোন কৰিলে। ফোনটো ঘৰৰে কোনোবাখিনিত বাজি উঠিল। মোবাইলৰ শব্দ অনুসৰণ কৰি তাই মানুহজনৰ কোঠাত সোমালগৈ। বিচনাৰ সোঁমাজত পৰি আছে মোবাইলটো। মোবাইলটো আছে কিন্তু মানুহজন নাই। এয়া কি কথা? তেওঁ কৰবালৈ গ'ল, যোৱাৰ সময়ত একো নোকোৱাকৈ, দেখা নিদিয়াকৈ গ'ল, মোবাইলটোও লগত নিনিলে। এতিয়া যোগাযোগ কেনেকৈ হ'ব ? মানুহজনৰ মোবাইলটো হাতত লৈ চালে, ৰ্ৰ্ড-পেডত কিবা লিখি আছিল মানুহজনে, খুলি থোৱা আছে ৰ্ৰ্ড-পেড। তাই পঢ়ি চালে, শেষ নোহোৱা সাধু এটা লৈ ফুৰা নন্দেশ্বৰ এতিয়া কেনে আছে? আছেনে কুশলে সি? সি বাৰু কিয় সাধুটো শেষ নকৰিলে ? জানিবলৈ বৰ মন গৈছে... ৰ্ৰ্ড-পেডৰ লেখাটো পঢ়ি তাই বুজিলে মানুহজনে কোনোবা নন্দেশ্বৰৰ কথা লিখি আছিল যি সাধু এটা আৰম্ভ কৰি শেষ কৰা নাছিল। কোন এই নন্দেশ্বৰ?

তাই দেখিলে লেপটপটো মেজত খুলি থোৱা আছে, মাউচত আঙুলি থোৱাৰ লগে লগে পৃষ্ঠা এটা খোল খাই গ'ল। তাই পঢ়ি চালে, শিৰোনাম, শেষ নোহোৱা সাধু। তাৰ পাছত লিখিছে, আচলতে নন্দেশ্বৰে যিটো সাধু আৰম্ভ কৰিলে আমি তাত কিবাকৈ সোমাই পৰিলোঁ নেকি? আমিনো জীৱনৰ কি কাম শেষ কৰিলোঁ? আমি যে সদায় প্ৰত্যক্ষ কৰি গৈছোঁ ঘটনাবোৰ, এটাৰ পাছত এটা, লানি নিছিগাকৈ, এটাৰোতো শেষ নাই । জীৱনৰ কি কামনো শেষ কৰিলোঁ আমি? নন্দেশ্বৰে যিটো বুজাব বিচাৰিছিল সেইটো আমিহে বুজি নাপালোঁ নেকি?

লেপটপটো বন্ধ কৰি, মোবাইলটোৰ পৰা ওলাই আহি তুলিকাই এইবাৰ চিন্তা কৰিলে, এই কথাই কথা নহয়, মানুহজনক বিচাৰিব লাগিব। শেষ নোহোৱা সাধুৰ মানুহ নন্দেশ্বৰ হ'ব মানুহজনক বিচৰাৰ ক্লু।

পথাৰৰ কাষেৰে হাবিখনলৈ নন্দেশ্বৰে অনল বৰুৱাক লৈ গৈ আছে। জুৰি এটা পাই দুয়ো নামি গ'ল তালৈ। ইমান পৰিষ্কাৰ পানী! অনল বৰুৱাই হেঁপাহ পলুৱাই পানী খাই ল'লে, চকু-মুখত পানী ছটিয়াই ল'লে। সি কৈ উঠিল, অহ, কি মনোৰম এই শীতল পানীৰ স্পৰ্শ! জুৰিৰ পাৰত, গছ এজোপাৰ ছাঁত দুয়ো বহি জিৰণি ল'লে। আচলতে অনল বৰুৱাক ভাগৰ লাগিছিল, শিল এটা দেখি সি তাতে আউজি দিলে। টোপনিৰ ভাব এটাইও আগুৰি ধৰিলে। নন্দেশ্বৰে তেওঁক মনত পেলাই দিলে, এইটোৱেই সেই জুৰি য'ত বুঢ়া-বুঢ়ী হালে আহি পানী খাইছিল। আমি আজি যেনেদৰে পানী খাই জিৰণি লৈছোঁ তেনেকৈ তেওঁলোক দুগৰাকীয়েও ইয়াতেই জিৰণি লৈছিল।

নন্দেশ্বৰৰ কথাবোৰ অনল বৰুৱাৰ  ৰহস্যময় যেন লাগিবলৈ ধৰিলে। বুঢ়া-বুঢ়ীহালে এই জুৰিখনত পানী খাই জিৰণি লৈছিল আৰু তাৰ পাছত সাধুটো থমকি ৰৈছিল। কোনেও শুনিব নুখুজিলে তাৰ পাছত কি হ'ল। তেওঁৰ ভাব হ'ল সি আজি নন্দেশ্বৰৰপৰা বাকী থকা সাধুৰ অংশটোও শুনিব। 'এতিয়া তুমি কোৱা তাৰ পাছত কি হ' ল?'

ইষৎ হাঁহি এটা মাৰি নন্দেশ্বৰে ক'লে, তেনেহলে উঠা, আমি আগবাঢ়ি গৈ থাকোঁ।

নন্দেশ্বৰৰ পাছে পাছে অনল বৰুৱা আগুৱাই গৈ থাকিল। হাবিখন ওচৰ চাপি আহিল। নন্দেশ্বৰে ক'লে, হাবিখন দেখিছা নে? কিমান সুন্দৰ চোৱা। এই হাবিখনৰ নাম বুঢ়া-বুঢ়ীৰ হাবি। সেউজীয়া গছ, চৰাই, নানান জীৱ-জন্তু, কাষেৰে বৈ গৈছে জুৰি এখন...

অনল বৰুৱাই মন কৰিলে এক অনাবিল আনন্দই তেওঁৰ হৃদয়খনক অধিকাৰ কৰি লৈছে। সি কৈ উঠিল, নন্দেশ্বৰ, ইমান ভাল লাগিছে, যেন ইয়াতেই থাকি যাম । চিৰদিনৰ বাবে। বুঢ়া-বুঢ়ীহালেও ইয়াৰে কৰবাত থাকি গ'ল নেকি?

নন্দেশ্বৰে একো উত্তৰ নিদিলে, এটা অৰ্থপূৰ্ণ হাঁহি মাৰি নামি অহা বেলিটোৰ ফালে চালে।

কেতিয়াও নভবা কিছুমান কথা মানুহে হঠাতে ভাবিবলৈ ধৰে নেকি? নতুন কিবা এটা সত্যৰ মুখামুখি হৈ আগৰ সকলো পাহৰি নতুন পৃথিৱীখনলৈ ধাবিত হয় নেকি? সি নিজকে নিজে প্ৰশ্ন কৰিলে। এনে সময়তে আকৌ অনল বৰুৱাৰ বাৰে বাৰে অনিমালৈ মনত পৰিবলৈ ধৰিলে। অনিমা বাৰু জীয়াই আছেনে এতিয়াও? তাই যে অনলক এৰি আন এজনৰ সৈতে বিয়া হৈ গৈছিল সেই ঘটনাটোৰ আঁৰত কি আছিল? নাই নাই, সি তেতিয়াও বুজিব পৰা নাছিল, এতিয়াও বুজিব নোৱাৰে। শেষ নোহোৱা সাধুৰ দৰে কৰবাত গৈ ৰৈ গ'ল সাবলিল গতিত আগবাঢ়ি অহা অনল বৰুৱা আৰু অনিমা নামৰ ডেকা গাভৰু এহালৰ কাহিনীটো। আৰু এই যে চিঠিখন, এইমাত্ৰ যে সি এখন চিঠি পোষ্ট কৰি আহিছে, তাত সি যিটো ঠিকনা লিখিলে, তাত কাৰ নাম লিখিলে, অনিমাৰ নে তুলিকাৰ ? তেওঁ মনত পেলাব নোৱাৰিলে, কি নাম লিখিলে,

তুলিকা নে অনিমাৰ নাম? যদি অনিমাৰ নাম লিখিছিল তেন্তে চিঠিখন ক'লৈ যাব? সিও এটা শেষ নোহোৱা পথত ঘূৰি ফুৰিব নেকি?

তুলিকাই চাৰিওফালে ফোন কৰিলে, নন্দেশ্বৰ নামৰ কোনোবা আছিল নেকি মানুহজনৰ বন্ধু, যিয়ে শেষ নোহোৱা সাধু এটা বুকুত লৈ ফুৰিছিল?

# গোপন প্ৰেমৰ পৰিণতি

ড° ভৱেশ দাস

আত্মকথা লিখিবলৈ পুৰণি কাগজ পত্ৰবোৰ উলিয়াই লওঁতেই অংকুৰৰ হাতত পৰিল এখন উৰলি যোৱা চিঠি। পাতবোৰ বিৱৰ্ণ হৈ পৰিছে। লেফাফাটোৰ ওপৰত তাৰ নিজৰেই নাম লিখা- অংকুৰ ডেকা। লগতে বন্ধনীৰ ভিতৰত লিখা আছে- গোপনীয়। আন কোনোৱেই নপঢ়িব।

অৱসৰ গ্ৰহণ কৰিবৰ আজি কেবা বছৰো হ' ল অংকুৰৰ। ল' ৰা-বোৱাৰী, নাতিৰে পৰিপূৰ্ণ সংসাৰ তেওঁৰ। জীয়েক দুজনীকো সময়মতেই ভাল ঘৰলৈ উলিয়াই দিলে। পত্নী ৰাধিকা জীয়াই থাকোতেই সংসাৰৰ সকলো দায়িত্ব সামৰিব পাৰিছিল অংকুৰে। এতিয়া তেওঁৰ মুখ্য কৰ্ম হ' ল কেৱল সামাজিক দায়িত্ব পালন কৰা আৰু লেখা-মেলা কৰা। কেবাখনো কাকতত নিয়মীয়াকৈ অংকুৰৰ লিখনি ওলায়। বেছিভাগেই সমসাময়িক ঘটনাৱলীৰ ওপৰত লিখা নিৱন্ধ।

পত্নী ঢুকোৱাৰ পিছৰপৰা দিনটোৰ বেছিভাগ সময় আজিকালি কম্পিউটাৰত বহিয়েই কটায় অংকুৰে। মাজে মাজে পুৰণি বন্ধুৰ স' তে মোবাইলত কথা পাতে। দিনটোৰ পুৱা ভাগত এবাৰ বাহিৰলৈ ওলাই যায় তেওঁ। দৈনিক কাকতখন আৰু দুখনমান মাহেকীয়া আলোচনী আনিবৰ বাবে। এসময়ত তেওঁ দৈনিক কাকতএখনৰ বঙাইগাঁৱৰ সংবাদদাতা আছিল। দৈনিক কাকত পঢ়াটো তেওঁৰ বহুদিনীয়া অভ্যাস। কৰোনাৰ সময়তো তেওঁ কাকত পঢ়িবলৈ এৰি দিয়া নাছিল।

গুৱাহাটীত থকা লগৰ বন্ধু দুজনমানে কেবাদিনৰোপৰা কুটৰি আছিল - ‘‘আত্মজীৱনীখনৰ কাম আৰম্ভ কৰকহে ৰয়। আমি আপোনাৰ জন্মদিনত সেইখনকেই উন্মোচন কৰি উদ্‌যাপন কৰিম। বুঢ়াবোৰে একগোট হ' ম। পুৰণি কথাবোৰ হিয়া উজাৰি পাতিম। কিমান ভাল লাগিব নহয়নে?’’

প্ৰথমতে অংকুৰে প্ৰস্তাৱটো প্ৰত্যাখ্যান কৰিছিল। আত্মজীৱনী লিখিবলৈ তেওঁনো কিমান ডাঙৰ মানুহ। আৰু আত্মজীৱনীখন লিখিলেই যেনিবা, কোনেনো পঢ়িব তেওঁৰ জীৱনৰ কথাবোৰ? পিছে বন্ধুসকলৰ নেৰানেপেৰা মৰমৰ হেঁচাত অৱশেষত তেওঁ নিজৰ জীৱনী এখন লিখিবলৈ পুৰণি কাকত পত্ৰ, ডায়েৰীৰ পাত আদি গোটাই ল' লে।

কামটোত হাত দিব বুলি ভাবি পুৰণি কাগজবোৰ উলিয়াই লওঁতেই অংকুৰৰ চকুত পৰিল সেই বিৱৰ্ণ চিঠিখন। স্মৃতিয়ে আজিকালি তেওঁক বৰকৈ লগ এৰা দিছে। সেয়ে লেফাফাটো চাই সেইখন কাৰ চিঠি হ' ব পাৰে তেওঁ ভাবি উলিয়াব নোৱাৰিলে। তেওঁ সন্তৰ্পণে লেফাফাটোৰপৰা কাগজ দুখন উলিয়ালে। তাৰ পিছতেই বহুদিনীয়া পুৰণি স্মৃতি তেওঁঁৰ মানস পটত ভাঁহি উঠিল। এখন জীয়া ছবি।

বিস্মিতাই অংকুৰক গোটেইখন সভামণ্ডপ বিচাৰি চলাথ কৰিলে। তাইৰ অলপ খঙো উঠি আহিছিল। ক' তনো লুকাই থাকে এই অংকুৰটো। সম্ভাব্য সকলো ঠাইতে তাই অংকুৰক বিচাৰিলে। প্ৰতিনিধি শিবিৰ, প্ৰতিনিধি সভা বহিব লগা স্থান, মূল সভামণ্ডপ -সৰ্বত্ৰ। কিন্তু ক' তো অংকুৰ নাই। কিছু পৰিমাণে হতাশ হৈ তাই একাপ চাহ খাবলৈ বুলি ভোজনালয়ৰ ভিতৰত সোমাল।

অংকুৰক বিস্মিতাই লগ পাবৰ বৰ বেছি দিন হোৱা নাই। সিহঁত দুয়ো কলেজীয়া বন্ধু বা সহপাঠীও নহয়। দুয়োৰে ঘৰ একেখন গাঁৱতো নহয়। বিস্মিতাৰ ঘৰ ধুবুৰীত। ধুবুৰীত বুলি ক' লে আচলতে ভুল কোৱা

হ’ ব৷ দেউতাকৰ পুৰণি ঘৰখন নগাঁৱৰ বেবেজীয়াত৷ পৰিয়ালটো দেউতাকৰ চাকৰি সূত্ৰেহে ধুবুৰীত থাকে৷ বিস্মিতাই তাতেই সৰুৰেপৰা লিখা-পঢ়া কৰিছে৷ কলেজৰ দেওনা পাৰ হৈ সাহিত্য চৰ্চাত অলপ বেছিকৈ লাগিছে৷

অংকুৰৰ ঘৰ বঙাইগাঁৱৰ এখন গাঁৱত৷ বিস্মিতাতকৈ কেইবছৰমান ডাঙৰ হ’ ব অংকুৰ৷ সদ্যহতে গাৱঁৰে চৰকাৰী স্কুল এখনত শিক্ষকতাৰ চাকৰি এটা পাইছে অংকুৰে৷ লিখা-মেলাত ৰাপ আছে বাবে মেলে মিটিঙে সঘনাই অনাই বনাই ঘূৰি ফুৰে৷

অংকুৰ আৰু বিস্মিতাই দুয়ো ‘নবীন’ নামৰ এটা সাহিত্য-সাংস্কৃতিক গোটৰ মঞ্চত পৰস্পৰৰ সৈতে চিনাকি হৈছিল৷ সেয়া আজিৰপৰা প্ৰায় পয়ত্ৰিশ বছৰ আগৰ কথা৷ জুয়ে পোৰা তিৰাশীৰ নিৰ্বাচনৰ পিছত বিভিন্ন জাতি-জনজাতিৰ মাজত হেৰাই যোৱা বিশ্বাসৰ সাঁকোখন পুনৰ নিৰ্মাণৰ বাবেই যেন অনুষ্ঠানটোৰ জন্ম হৈছিল৷ নতুনকৈ গঠন হোৱা সেইটো অনুষ্ঠানৰেই জিলা সভাপতি আছিল অংকুৰ ডেকা৷

বৰ সহজ সৰল ল’ ৰা সি৷ সাধাৰণ বেশ-ভূষা৷ বিশ্ববিদ্যালয়ত পঢ়ি আহিলেও সামান্যও ভেম নাই৷ গাঁৱখনকেই আপোন বুলি ভাবি ভাল চাকৰি এটা কৰাৰ লোভ সম্বৰণ কৰি স্থানীয় চৰকাৰী হাইস্কুলখনতেই মাষ্টৰী চাকৰিটো পাই তাতেই লাগি থাকিল৷ বৰ বেছি আশা-আকাংক্ষাও নাই৷ যেনে তেনে সহজ-সৰলভাৱে দিনবোৰ পাৰ কৰি নিব পাৰিলেই হ’ ল৷

অংকুৰৰ দেউতাক এজন খেতিয়ক৷ মাটি-বাৰীও বৰ বেছি নাই৷ কেবাটাও ককাই-ভাইৰ মাজত তেওঁহে চাকৰি এটা যোগাৰ কৰিব পৰাকৈ শিক্ষিত৷ বাকীসকলৰ লেখা-পঢ়া চাকৰি এটা কৰিবৰ জোখেৰে সিমান বেছি নাই৷ গতিকে দেউতাকৰ খেতি মাটিখিনিতেই খেতি কৰি জীৱন কটাইছে৷ তেনে এটা পৰিয়ালৰ কণিষ্ঠতম সদস্য অংকুৰে বৰ বেছি আশা নকৰে জীৱনটোৰপৰা৷

তাৰ বিপৰীতে বিস্মিতাৰ দেউতাক উচ্ছ শিক্ষিত৷ ধুবুৰীৰ বিএন কলেজখনৰ অধ্যাপক৷ চহকী আৰু সমাজৰ নামী ব্যক্তি৷ নগাঁৱতো বিস্মিতাই দেখিছে দেউতাকক সকলোৱে সমীহ কৰে৷ দেউতাকৰ মান-সন্মানলৈ চাই বিস্মিতাই কোনোদিনে কোনো ল’ ৰাৰ লগত কথা পাতিয়েই নাপালে৷

সেই বিস্মিতাই যেতিয়া প্ৰথমবাৰৰ বাবে বঙাইগাঁৱত হোৱা নবীনৰ সভা এখনত অংকুৰক লগ পালে তেতিয়া তাই এটা নতুন জীৱনৰ সৈতে যেন মুখামুখী হ’ ল৷ জীৱন-জগত সম্পৰ্কে সদ্য কলেজীয়া শিক্ষা সমাপ্ত কৰা ছোৱালী এজনীৰ অভিজ্ঞতাইনো কিমান? তথাপি তাই যেন অংকুৰৰ মাজতে কিবা এটা বিচাৰি পালে৷

অংকুৰে জীৱনৰ প্ৰথম অৱস্থাত সকলোৱে লিখাৰ দৰে দুটামান প্ৰেমৰ কবিতা লিখিছিল৷ এখন কবিতা আলোচনীও উলিয়াইছিল৷ প্ৰথম চিনাকীতে অংকুৰে কান্ধত ওলোমাই লোৱা কাপোৰৰ মোনাখনৰপৰা তেওঁ নিজে সম্পাদনা কৰা কবিতা আলোচনীখনৰ কপি এটা বিস্মিতালৈ আগবঢ়াই দিছিল৷ তাৰ পিছৰেপৰা বিস্মিতাই কবিতা আলোচনীখনত নিজৰ কবিতা পঠিওৱা হ’ ল৷ নিজকে কবি কবি ভাৱ এটাৰে তাই নতুনকৈ জীৱনটোক সজাবলৈ উঠি পৰি লাগিল৷

বিস্মিতাৰ কবিতা লিখাৰ প্ৰেৰণা যেন অংকুৰ৷ নবীনৰ প্ৰতিখন সভাতে কেৱল অংকুৰৰ মুখামুখি হ’ বলৈ, অংকুৰৰ সৈতে কথা পাতিবলৈ আনকি ক’ বলৈ গ’ লে অংকুৰৰ প্ৰতি থকা তীব্ৰ আকৰ্ষণৰ বাবেই তাই উপস্থিত থাকে৷ সভাখন যদি কোনো কবি সন্মিলন হয়, তেন্তে তাই কবিতা এটা পাঠ কৰিবই৷ পাঠ কৰাৰ আগতে কবিতাটো অংকুৰক এবাৰ দেখুৱাই ল’ ব৷ অংকুৰে কাগজখিলা হাতত লৈ কবিতাটো পঢ়ি থকা মুহূৰ্তত তাই চকুৰ পলক নেপেলোৱাকৈ অংকুৰৰ মুখৰ ফালে চাই থাকে৷ অংকুৰেনো কবিতাটো সম্পৰ্কে কি মতামত দিয়ে তাকেই জানিবলৈ তাইৰ উৎকণ্ঠাই এক চেকেণ্ড সময়ক এঘণ্টীয়া কৰি পেলায়৷

আনহাতে অংকুৰে কাগজখিলাত তাইৰ কবিতাটোত মনঃসংযোগ কৰি ৰখাৰ এই সময়খিনিতেই তাই হেঁপাহ পলুৱাই অংকুৰৰ মুখখন চাই লয়।

কবিতাটো ভাল হোৱা বুলি ক' লে বিস্মিতাৰ আনন্দৰ সীমা নাথাকে। তাই সেইটো কবি সন্মিলনত পাঠ কৰে। কবিতাটো আনে কেনে পাইছে তাৰ প্ৰতি বিস্মিতাৰ কোনো পৰোৱা নাই। তাইৰ মনৰ মানুহ অংকুৰৰ বাবেহে তাই কবিতাটো লিখিছে। অংকুৰেই তাইৰ কবিতাৰ প্ৰথম পাঠক। অংকুৰে ভাল পাইছে যেতিয়া আনে ভাল নাপালেও হ' ব। তাইৰ উদ্দেশ্য যেন অংকুৰৰ ভাল পোৱাৰ মাজতে সীমাৱদ্ধ। তাতোকৈ তাই বেছি একো নিবিচাৰে।

অংকুৰৰ সৈতে তাই যে কেতিয়াবা মনৰ কথাবোৰ খুলি নাপাতে তেনে নহয়। মিটিঙৰ ফাঁকে ফাঁকে তাই অংকুৰৰ সৈতে নিবিড় হ' বলৈ কথা পাতে। কেতিয়াবা অংকুৰে তাইক হৃদয়ৰ কথাবোৰ খুলি কয়। তাৰ জীৱনৰ দুখৰ জীয়া কাহিনী।

সৰুতে মাকক হেৰুৱাইছে অংকুৰে। বিস্মিতাই মাজে মাজে অংকুৰৰ মাকৰ ঠাইত নিজৰ মাকজনীক বহুৱাই চায়। এক কাল্পনিক দৃশ্য। বিস্মিতাৰ মাকজনী অংকুৰৰ মাক হ' ব নোৱাৰে। অংকুৰে যদি বিস্মিতাক বিয়া কৰাই তেন্তে তাইৰ মাকজনী অংকুৰৰো মাক হৈ পৰিব। কিমান যে মজা হ' ব। অংকুৰে বাৰু তেতিয়া নিজৰ মাকক উভতাই পোৱা যেন পাবনে? তাইৰ মাকজনীয়ে অংকুৰক নিজৰ মাকৰ দৰে মৰম কৰিবনে?

অংকুৰে মাকৰ মৰম পোৱা নাই বুলিবই পাৰি। কেবাটাও সন্তানৰ ভিতৰত মাক-দেউতাকৰ নুমলীয়া সন্তান সি। ডাঙৰজন ককায়েকৰ বৌৱেকৰ মাজতেই সি কেতিয়াবা মাকৰ মৰম বিচাৰে। বৌৱেকে অৱশ্যে তাক মৰম নকৰা নহয়। মাকৰ মৰম আৰু বৌৱেকৰ মৰমৰ মাজৰ পাৰ্থক্যও অংকুৰে নাজানে।

এইবোৰ কথা যেতিয়া কোনো এটা মুহূৰ্তত বিস্মিতাই অংকুৰৰ মুখৰপৰা শুনে, তেতিয়া তাইৰ মনটো বিষাদে আৱৰি ধৰে। পৰাহেঁতেন তাই যেন অংকুৰৰ মূৰটো নিজৰ বুকুৰ মাজত সুমুৱাই লৈ হেঁপাহ পলুৱাই মৰম কৰিব। তাকে কৰিলে অংকুৰে বাৰু কি ভাবিব? সি বিস্মিতাক গ্ৰহণ কৰিবনে?

দুয়োৰে মাজত কথাবোৰ এনেদৰেই আগবাঢ়ে। একো নোকোৱাকৈ। মাত্ৰ অনুভৱেৰে।

তিৰাশীৰ ৰক্তক্ষয়ী ঘটনাত অংকুৰৰ ঘৰটোত কোনোবা দুবৃৰ্ত্তই জুই লগাই দিছিল। অংকুৰহঁতৰ গাঁৱখনৰ এটাৰ পিছত এটাকৈ ঘৰ জুইৰ লেলিহান শিখাই ক্ৰমশঃ গ্ৰাস কৰি আহিছিল। মানুহবোৰ ৰাতিৰ আন্ধাৰত থৰ কাছুটি হেৰাইছিল। ভয়াৰ্ত মানুহবোৰে নিশাৰ এন্ধাৰত দিক্‌বিদিক্ হেৰুৱাই ওচৰৰে স্কুল এখনত আশ্ৰয় গ্ৰহণ কৰিছিল।

অংকুৰহঁতৰ পৰিয়ালৰ আন লোকসকলেও গাঁৱখনৰ আন মানুহবোৰৰ স' তে একেটা আশ্ৰয় শিৱিৰতে আছিল। অংকুৰে পিছে সেই সময়তো সভা-সমিতি লৈ ব্যস্ত হৈ আছিল। নিজৰ কথা বৰকৈ নাভাবি সমাজত শান্তি ৰক্ষা কৰিবলৈ গাঁৱে-ভূঞে মেল-মিটিং কৰি ঘূৰি ফুৰিছিল।

এনেকৈ ঘূৰি ফুৰোঁতে অংকুৰে জানিবলৈ পাইছিল কোনে কিয় সেইদিনা তেওঁলোকৰ ঘৰত জুই দিছিল। কিন্তু তেওঁ কাকো একো কোৱা নাছিল। কাৰো প্ৰতি তাৰ কোনো অভিযোগ নাছিল। ঘৰটোত থকা আন বস্তু বাহানিবোৰ জুয়ে পোৰাত তাৰ যিমান বেয়া লাগিছিল তাতকৈ বেছি বেয়া লাগিছিল তাৰ কণমানি পুথিভঁৰালটো জু ুইত নিঃশেষ হোৱাত। বহু কষ্টেৰে সি তাৰ পুথিভঁৰালটোৰ কিতাপবোৰ যোগাৰ কৰিছিল। নিমিষতে সেইবোৰ ছাই হৈ গ' ল।

জুয়ে ঘৰটো দহিবৰ দিনাও অংকুৰ ঘৰত নাছিল৷ সি ক' ৰবাত মিটিঙ এখনত ব্যস্ত হৈ আছিল৷ তেতিয়াৰ দিনত ফোনৰ ব্যৱস্থাও নাছিল৷ দুদিন পিছত আহিহে তেওঁ দেখিবলৈ পাইছিল ঘৰটোৰ আধাপোৰা বাঁহৰ খুটাবোৰ৷ অৱশিষ্ট ৰৈ যোৱা কিতাপবোৰ৷

সি তাৰ দেউতাকক বিচাৰি হাহাকাৰ কৰিছিল৷ কোনোবা এজনে তাক খবৰ দিছিল দেউতাকহঁতে কোনো এটা আশ্ৰয় শিৱিৰত আশ্ৰয় গ্ৰহণ কৰাৰ কথা৷ সি সেইদিনা পাগলৰ দৰে দেউতাকক বিচাৰি দৌৰিছিল৷ আশ্ৰয় শিৱিৰত আমন জিমনকৈ বহি থকা দেউতাকক দেখি সি সাৱট মাৰি ধৰিছিল৷

জীৱনৰ বহু ঘাত-প্ৰতিঘাত নেওচি অহা দেউতাকে সেইদিনা অংকুৰক সাৱট মাৰি ধৰি কন্দা নাছিল৷

কান্দিছিল অংকুৰে৷

দেউতাকক ঘূৰাই পোৱাৰ আনন্দত৷

গাঁৱখনৰে কোনোবা দুৰ্বৃত্তই ঘৰবোৰত জুই লগাই দিছিল৷ অকল অংকুৰহঁত ঘৰতেই নহয়৷ তেওঁলোকৰ গাঁৱখনৰ প্ৰায়ভাগেই গৃহহাৰা হৈছিল৷

যিসকলক দুৰ্বত্ত বুলি বু বু বা বা আৰম্ভ হৈছিল সেইবোৰ আটায়ে অংকুৰৰ ছাত্ৰসকলৰ অভিভাৱক আছিল৷ তেওঁলোকে তেনে কাম যে কৰিব নোৱাৰে অংকুৰে জানিছিল৷ এবেলা খাই এবেলা খাবলৈ যোগাৰ কৰিব নোৱৰা এইসকলৰ দৰিদ্ৰ লোকে কেতিয়াও কাৰো অনিষ্ট কৰিব নোৱাৰে৷

শিৱিৰত অংকুৰক দেখি আটায়ে তাক ঘেৰি ধৰিছিল৷ অভিযোগেৰে তাক ভাৰাক্ৰান্ত কৰি তুলিছিল৷ গাঁৱখনৰ ভিতৰতে শিক্ষিত সি৷ কিবা এটা উপায় কৰক৷ জিলাৰ ডাঙৰ মানুহবোৰৰ লগতো হেনো তেওঁৰ চিনাকী ভাল৷ মেল মিটিং কৰি ফুৰা মানুহ৷ গাঁৱখনৰ বাহিৰখন দেখিছে৷ দুই এক ডাঙৰ মানুহৰ সৈতে চা-চিনাকীও আছে৷ গতিকে পাৰে যদি সিয়েই কিবা এটা কৰক৷

অংকুৰে গাঁৱৰ মানুহবোৰক বুজাইছিল৷ সিহঁতক শান্ত কৰিছিল৷ মিছা বাতৰি শুনি কাৰো ওপৰত বিতুষ্ট নহ' বলৈ অনুৰোধ কৰিছিল৷

এদিন সকলো আগৰ দৰেই শান্ত হৈ পৰিছিল৷ আশ্ৰয় শিৱিৰ এৰি মানুহবোৰে নিজৰ নিজৰ ঘৰবোৰ নতুনকৈ সাজি উভতি গৈছিল৷

অংকুৰহঁতেও উভতি আহিছিল নিজৰ ঘৰখনলৈ৷ ঘৰ বুলিবলৈ তৰ্জাৰ বেৰেৰে ওপৰত টিনৰ চালি দিয়া এটা একোঠাৰ এচলীয়া ঘৰ৷ তাতেই অংকুৰে নতুনকৈ জীৱনটো আৰম্ভ কৰিলে৷

কথাবোৰ অংকুৰৰ মুখৰপৰাই শুনিছিল বিস্মিতাই৷ তাই বাৰু অংকুৰৰ গাঁৱৰ সেই ঘৰখনত থাকিব পাৰিবনে?

বিস্মিতাহঁতে থকা পকী ঘৰটো ধুবুৰী চহৰৰ মাজ মজিয়াতে৷ বিজুলী চাকিয়ে ঘৰখন দিনৰ পোহৰৰ দৰে নিশাৰ ভাগতো জ্বলমলাই ৰাখে৷ অংকুৰৰ গাঁৱখনলৈ হেনো বিজুলী চাকি অহাই নাই৷ বাট পথো ধুবুৰীৰ দৰে পকী নহয়৷ ৱাটাৰ চাপ্লাই নাই৷ দমকলৰ পানী খায়৷ বিস্মিতাহঁতৰ ঘৰত চেনিটেৰী লেট্ৰিন আছে৷ অংকুৰৰ ঘৰত আছে নে নাই তাই নাজানে৷ নাথাকিলেও কোনো কথা নাই৷ তাই এডজাষ্ট কৰি ল' ব পাৰিব৷

কেতিয়াবা এনেবোৰ কথা ভাবি বিস্মিতা আনমনা হৈ পৰে৷ অংকুৰে বাৰু সঁচাকৈয়ে তাই ভবাৰ দৰে তাইক ভাল পায়নে? তাইতো এদিনো তাক খোলাকৈ মনৰ কথা একো কোৱা নাই৷

এনেকৈয়ে দিনবোৰ পাৰ হৈ গৈছিল৷ তেতিয়াৰ দিনত ফোনত কথা পতিবলৈ কোনো টেলিফোনৰ ব্যৱস্থা নাছিল৷ যোগাযোগৰ একমাত্ৰ মাধ্যম আছিল চিঠি৷ বিস্মিতাই কেতিয়াবা অংকুৰলৈ ইনলেণ্ড লেটাৰত চিঠি লিখি পোষ্ট অফিছত পোষ্ট কৰে৷ সেই চিঠি পোন্ধৰ দিনৰ মূৰত গৈ অংকুৰৰ ঘৰ পায়গৈ৷ তেতিয়া যদি অংকুৰ ঘৰত নাথাকে, ক' ৰবালৈ মেলে মিটিঙে ওলাই যায়, তেন্তে চিঠিখন তাৰ হাতত পৰে মানে বহু ঘটনাই ঘটি যায়৷ কেতিয়াবা বিস্মিতাই লিখি পঠিওৱা চিঠিখন পোৱাৰ আগতে অংকুৰৰ সৈতে কোনো এখন মিটিঙত তাইৰ দেখা হৈ যায়৷ হ' লেও চিঠিত যিমান সুন্দৰকৈ কথাবোৰ লিখিব পাৰি সন্মুখত সজাই পৰাই একেখিনি কথাকে ক' বলৈ কিবা লাজ লাগি যায়৷

এই লাজ লাগি যোৱাটোৱে যত কূটৰ ঘাই৷

মনৰ গোপন কথা খুলি ক' ব নোৱৰাৰ ফলত কেতিয়াবা বাটবোৰে কেঁকুৰি সলায়৷

বিস্মিতাই অংকুৰক বিচাৰি ভোজনালয়ত সোমাই চাহ একাপ খাই ল' লে৷ তাই পিছে অন্যমনস্ক হৈ থকা কথাটো তাত বহি থকা দুই এজনৰ চকুত পৰিল৷ কিন্তু সিহঁতে তাইক চিনি নাপায়, অথবা আগতে কেতিয়াও তাইৰ সৈতে মাতবোল কৰা নাই৷

ভোজনালয়ৰপৰা ওলাই আহিয়েই তাই আটুগাঁৱৰ বিমলৰ সৈতে মুখামুখি হ' ল৷

সেমেকা হাঁহি এটা মাৰি তাই বিমলক সম্ভাষণ জনালে৷ তাৰ পিছত কোনো ধৰণৰ পাতনি নেমেলাকৈ তাই বিমলক সুধিয়েই পেলালে- 'অংকুৰদা ক' ত আছে?'

বিস্মিতাৰ কথা শুনি বিমলৰ চকুজোৰ কপালত উঠিল৷ কি কয় এই আঁকৰীজনীয়ে৷ নে তাই খবৰ পোৱা নাই?

''কিয়, অহাকালি তেখেতৰ বিয়া আপুনি খবৰ নাপায়?''

মুনিনৰ কথাষাৰ বিস্মিতাই বিশ্বাস নকৰিলে৷ সি ধেমালিহে কৰিছে চাগে৷

কথাষাৰ শুনিলেও বিস্মিতাই বিমলে তাইৰ সৈতে কৰা ধেমালি বুলিয়েই ভাবি ল' লে৷

কিছুদিন আগতে মিটিং এখনত অংকুৰক লগ পাইছিল তাই৷ দুয়োৰে মাজত কথা বতৰাও হৈছিল বহু সময়৷ কিন্তু বিয়াৰ কথা অংকুৰে তাইক এবাৰো কোৱা নাছিল৷ অংকুৰে যদি সঁচাকৈ বিয়া পাতিছে তেন্তে তাইক খবৰ নিদিয়াকৈ থাকিবনে?

মিটিঙৰ কাৰ্যসূচীসমূহত উপস্থিত থাকিলেও বিস্মিতাৰ মন নবহিল৷ অথচ তাই সভাস্থলী এৰি যাবও নোৱাৰে৷ অংকুৰ হঠাতে আহি ওলাবহি পাৰে৷ তাই অধীৰ আগ্ৰহেৰে পাৰ্বতীয়ে শিৱৰ বাবে অপেক্ষা কৰাদি অংকুৰৰ বাবে অপেক্ষা কৰি ৰ' ল৷

পিছে লগন সঁচাকৈয়ে উকলি গ' ল৷

ঘৰলৈ উভতি অহাৰ পিছত ৰাতি ভায়েকে বিয়াৰ চিঠি এখন তাইৰ হাতত তুলি দিলে৷

চিঠিখন হাতত লৈয়েই তাইৰ বুকুখন চিৰিংকৈ গ' ল৷

খোলো নোখোলোকৈ তাই চিঠিখন খুলি পঢ়ি চালে৷

সবিনয় নিৱেদন...

তাই তাৰিখটো চালে

সঁচাকৈয়ে সেইদিনাই অংকুৰৰ বিয়া।

বিমলে সঁচা কথাই কৈছিল।

তাইক নিজকে শিৱৰ বাবে অপেক্ষা কৰি থকা শিলামূৰ্তি এটা যেন লাগিল।

কিছু সময় একেথৰে থাকি তাই কাগজ কলম হাতত তুলি ললে। তাইৰ প্ৰিয়জনলৈ বিবাহ উপলক্ষে লিখা নিজৰ অনুভৱ ব্যক্ত কৰি এখন চিঠি লিখিব। সেইখন চিঠিয়েই হ’ব প্ৰিয়জনৰ হাতত তুলি দিয়া তাইৰ উপহাৰ।

“মৰম শ্ৰদ্ধা আৰু অযুত শুভকামনা গ্ৰহণ কৰিব।

এতিয়া আমাৰ দেৱাল ঘড়ীটোৰ কাঁটাই নিশা বাৰ বজাৰ সংকেত দিছে। আপুনি ধুতীখন পিন্ধি পাটৰ চেলেং এখন পাটৰ পাঞ্জাবীটোৰ ওপৰত পেলাই লৈছে। ডিঙিত এডাল মালা। মূৰতো এডাল মালা। আপোনাৰ প্ৰিয় কোনো এজন বন্ধুই মূৰৰ ওপৰত ছাতি এটা মেলি ধৰিছে। মুখত ৰুমালখন লৈ লাজ লাজকৈ আপুনি চাগে কইনাৰ পদূলিমুখত থিয় হৈছেগৈ। আপুনি এতিয়া শিৱ। মোৰ চাবলৈ মন গৈছে আপোনাৰ শিৱৰ এই ৰূপটো। বাহিৰত জোনাকে বিধৌত কৰিছে নিয়ৰসিক্ত নিশাটো। বাহিৰত নিশাচৰ পক্ষীৰ আৰাও শুনিছোঁ। আপোনাৰ মনটোও এই মুহূৰ্তত জোনাকৰ পোহৰেৰে উজ্বলি আছে, নহয়নে? অলপ আগতে টেপ ৰেকৰ্ড বজাই মই এটি গীত শুনি আছিলোঁ আৰু শুনি থাকোতে আপোনাৰ বিয়াৰ চিঠিখন ভাইটিয়ে আহি মোৰ হাতত তুলি দিলে। তেতিয়াহে মই গীতটিৰ অৰ্থ বুজি পালোঁ। কি যে অদ্‌ভূত সংযোগ। মই এনেয়ে এজনী কইনাৰ কথা ভাবি আছিলোঁ গীত শুনি শুনি। চিঠিখন পঢ়াৰ পিছেতে সেইজনী কইনা আপোনাৰ কইনাজনী হৈ গ’ল।

চিঠিখন পঢ়ি মোৰ খং উঠিছে। ভালো লাগিছে খুব। আপুনি কিছুদিন আগতীয়াকৈ এই খবৰটো দিলে কি ক্ষতি হ’লহেঁতেন বাৰু? আপুনি যেতিয়া দৰা সাজি কইনা ঘৰলৈ যাবলৈ প্ৰস্তুতি চলাইছে তেনে সময়তহে মই আপোনাৰ বিয়াৰ নিমন্ত্ৰণী পত্ৰখন পাইছোঁ। চ’কচোন কিমান দুখৰ কথা। আজিৰ দিনত আপোনাক খং নকৰোঁ দিয়কচোন। তথাপি মনটোত অলপ দুখ লাগিছে। আজি আবেলি তিনিমান বজাত বইটামাৰীৰপৰা আহি পাইছোঁ। মই গৈয়েই খবৰ লৈছিলোঁ -অংকুৰদা ক’ত? আটুগাঁৰৰ বিমলক সোধোতে ক’লে, “তেখেতক আজি ক’ত পাব? কাইলৈ তেখেতৰ বিয়া। আপুনি খবৰ নাপায়?”

মই সেইপিনেই থৰ লাগিছোঁ। আচৰিত কথা, মই খবৰ নাপাওঁ। নিমন্ত্ৰণ নাপাওঁ। মোৰেই ককাইদেউৰ বিয়া, বন্ধুৰ বিয়া।

পলমকৈ হ’লেও নিমন্ত্ৰণী পত্ৰখন পালোঁ এতিয়া। এতিয়া চাগে আপোনাক হোমৰ জুইৰ ধোঁৱাই মিঠা আমনি দিছে। ওৰণি তলৰ মুখখন চাবলৈ খুজিও চাগে চাব পৰা নাই।

নিচেই চিনাকি নে একেবাৰে অচিনাকি- মোৰ জানিবলৈ বৰ মন গৈছে, ক’ব।

চিঠিখন পৰহি আবেলি আহি পাইছে হেনো। মোৰেই দুৰ্ভাগ্য। মই তেতিয়া চাপৰত।

কইনাজনী চাবলৈ আৰু জোকাবলৈ গৈ আছোঁ ৰ’ব। আপুনি নিজকে সদায় দুখীয়া বুলি কিয় কৈ থাকে? টকা থকা সুখী মানুহবোৰতকৈ আপুনি বহুতগুণে চহকী। কিবা যদি অলপ খালি ঠাই আছিল এতিয়া নতুনকৈ অহা লখিমীজনীয়ে সকলোখিনি ভৰপূৰ কৰি দিব। লখিমীৰ হাতৰ পৰশত আপোনাৰ মনৰ বাহিৰ ভিতৰ, ঘৰৰ বাহিৰ ভিতৰ ভৰি উঠিব।

আপুনি লাহেকৈ এদিন পাহৰি পেলাব এই ভনীজনীক৷ আপোনালোকৰ যুগ্ম জীৱন সুখৰ হওক৷ তাৰেই কামনাৰে- ইতি

আপোনাৰ বিস্মিতা’ ’

অংকুৰে বিয়াৰ কিছুদিন পিছতেই চিঠিখন পাইছিল৷ তেতিয়া আৰু কৰিবলগীয়া একো নাছিল৷ সি ভাবিছিল এদিন বিস্মিতাক তাইৰ নতুন বৌৱেকজনীক দেখুৱাব৷ বিস্মিতাই কি ভাবিব বাৰু?

পিছ মুহূৰ্ততে এক গভীৰ দুখানুভূতিয়ে অংকুৰৰ মন আগুৰি ধৰে৷ বিস্মিতাই তাক বাৰু ভাল পাইছিল নেকি?

সি বাৰু বিস্মিতাৰ মনত আঘাত দিলে নেকি?

বিস্মিতাক সি নিজৰ কৰি লোৱাৰ কথা কাহানিও ভবা নাছিল৷ তাৰ আৰু বিস্মিতাহঁতৰ ঘৰখনৰ আকাশ-পাতাল প্ৰভেদ৷ যদিও সি কোনোদিনে বিস্মিতাহঁতৰ ঘৰখনলৈ গৈ পোৱা নাই তথাপিতো সি তাইৰ মুখেৰে যিবোৰ কথা শুনিছে তাৰপৰাই তাৰ ধাৰণা হৈছে যে সি কোনোপধ্যে সেইখন ঘৰত প্ৰৱেশৰ যোগ্য নহয়৷ তেনেক্ষেত্ৰত বিস্মিতাক তাৰ এই পিছপৰা গাঁৱখনলৈ বোৱাৰী কৰি অনাৰ কথা কোন সতেৰে সি ভাবিব বাৰু?

চিঠিখন হাতত লৈ অংকুৰ কিছু সময়ৰ বাবে মৌন হৈ ৰ’ ল৷

সি লক্ষ্যই কৰা নাছিল যে সেইখন চিঠিৰ লগত আন এখন চিঠিও আছে৷ দ্বিতীয় চিঠিখন বিস্মিতাই তাইৰ হ’ বলগীয়া বৌৱেকলৈ লিখিছে৷ অংকুৰে সেইখন চিঠিও পঢ়ি চালে-

‘‘মৰমৰ কইনাজনী,

মৰম ল’ বা৷ তোমাক মই কেতিয়াও দেখা নাই যদিও তুমি এতিয়া মোৰ আপোন হৈ গ’ লা৷ সেয়ে সেই অধিকাৰতেই তোমাক প্ৰথমেই তুমি বুলি সম্বোধন কৰিলোঁ মই৷ বেয়া নাপাবা৷ পালেও উপায় নাই৷ মই মাতিমেই। তুমি কিমান ডাঙৰ ছোৱালী মই তাকো নাজানো৷ তথাপি এতিয়াৰপৰা তুমি নতুন ঘৰখনত ভৰি দিয়াৰ পাছতেই এগৰাকী দায়িত্বশীলা গৃহিণী হৈ গ’ লা৷

আৰুনো কি¸ কম? তোমাৰ মানুহজনক অলপ বেছিকৈ চাবা৷ খেয়ালি মনৰ মানুহ৷ কবিতা লিখা মানুহ৷ তুমিয়েই চম্ভালি ৰাখিব লাগিব, নহয় জানো? তেওঁৰ কথাবোৰ শুনিলে বৰ নিথৰুৱা যেন লাগে৷ চিগো চিগো চিলাইৰে এটাই মাথো কামিজৰ মানুহ যেন লাগে৷ আৱৰণৰ ভিতৰত হৃদয় পুৰাই তুমিয়েই ৰাখিব লাগিব৷ মই নক’ লেও তুমি এইবোৰ কথা আটাইতকৈ বেছিকৈ বুজিবা৷ ঘৰৰ দায়িত্ব, দেউতাৰ দায়িত্ব, তোমাৰ নিজৰ মানুহজনৰ দায়িত্ব সকলো এতিয়াৰপৰা তোমাৰ ওপৰত পৰিল৷ ঘৰৰ লখিমী হৈ সকলোবোৰ সুকলমে চলাই লৈ যোৱা৷ আমাৰ শুভ কামনাবোৰ তোমাৰ কাষে কাষে থাকিল৷ তোমাৰ জীৱন পথ ফুলাম হওক, ৰঙীণ হওক, বহুত মৰম আৰু শুভ কামনাৰে৷

-- বিস্মিতা’ ’

বিয়াৰ পিছৰেপৰা বিস্মিতাৰ সৈতে অংকুৰৰ যোগাযোগ বিচ্চিন্ন হৈ পৰিছিল৷ নবীনৰ মেল-মিটিংবোৰলৈ তাইৰ অহা-যোৱা বন্ধ হৈ গৈছিল৷ তাই কেতিয়াও অংকুৰলৈ চিঠিও লিখা নাছিল৷ হয়তো অংকুৰৰ বিয়াৰ পিছতেই তাইও কাৰোবাৰ ঘৰৰ ন-বোৱাৰী হৈ ঘৰখন শুৱনি কৰিছিল৷

অংকুৰে নিজৰ বয়সটোৰ সৈতে বিস্মিতাৰ বয়সটো পুনৰ ৰিজাই চালে।

বিস্মিতাই চিঠিত উল্লেখ কৰা সেই ন-ছোৱালীজনী আৰু আজি অংকুৰৰ লগত নাই। তাৰ বুকু শুদা কৰি তাই কাহানিবাই এই সংসাৰ এৰি অজান দেশলৈ গুচি গৈছে।

আজিকালি দূৰৈৰ মেল-মিটিঙলৈকো অংকুৰে বৰ বেছিকৈ যাব নোৱাৰে।

লিখিলে কলম কঁপে। বাৰ্ধক্যই বহুবিধ বেমাৰ শৰীৰটোক উপহাৰ দিছে।

বিস্মিতা বাৰু ভালে আছে নে?

তাইক এবাৰ চোৱাৰ হেঁপাহ এটা হঠাতে বৰকৈ জাগি উঠিল অংকুৰৰ।